# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৫/০৩/২০১৮ বৃহস্পতিবাৰ

---

**আজি ইংৰাজী ১৫ -০৩-২০১৮ তাৰিখে পুৰা ৯.৩০ বজাত সদনৰ কাৰ্যকাল আৰম্ভ হয়।**
**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং **২৮১**, শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মৃণাল শইকীয়া, খুমটাইঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন দিছিলো যে আমাৰ খুমটাই সমষ্টিৰ এটা Mega Water Supply Project, এইটো এটা অৰ্ধনিৰ্মিত হৈ আছে। যিটো উত্তৰ পাইছো সেইটো ভালো লাগিছে, কিন্তু ইমান সন্তুষ্ট হোৱা নাই। মই সুধিছিলো যে কিমান টকাৰ কাম সম্পূৰ্ণ হ'ল। ইয়াতে ৪৫২১.৯৩ লাখ টকাৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। কিন্তু এইটো বহুত দিন আগৰ কথা। আৰু **১৩** কোটি টকা খৰচ কৰিলে সম্পূৰ্ণ হ'ব বুলি মোক জনাইছে। কিন্তু কামটো চলি থকা নাই বন্ধ হৈ আছে। সেইকাৰণে মই আপোনাৰ জৰিয়তেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কেতিয়া খৰতকীয়াকৈ কামটো কৰি আঁচনিখন সম্পূৰ্ণ কৰিব। আমাৰ যদি এই আঁচনিখন সম্পূৰ্ণ নহয়, তেন্তে ৪৫ কোটি টকাৰ আমাৰ লোকচান হ'ব।

আৰু এটা ডাঙৰ সমস্যা হৈছে কি এই আঁচনিটোৰ কাযতে এখন নদী আছে। তাৰ কাৰণে খহনীয়া হৈছে। তাৰ কাৰণে প্ৰজেক্টটোক খহনীয়াত উটুৱাই লৈ যোৱাৰ সম্ভৱনা প্ৰকট হৈ উঠিছে। সেই কাৰণে মই সুধিছিলো যে এই বিষয়ত জলসম্পদ বিভাগক জনোৱা হৈছে নে নাই? ইয়াতে তেঁওলোকে উত্তৰ দিছে যে জলসম্পদ বিভাগক অৱগত কৰোৱা হৈছে আৰু ৪.৯৮ কোটি টকাৰ এটা প্ৰকল্প প্ৰস্তুত কৰি দুৰ্যোগ ব্যৱস্থপনা বিভাগলৈ ইতিমধ্যে প্ৰেৰণ কৰিছে। প্ৰেৰণ কৰিছে ঠিকে কিন্তু তেওঁলোকে কি ব্যৱস্থা হাতত লৈছে এই প্ৰজেক্টটো বচোৱাৰ কাৰণে। কিয়নো খোৱা পানী আমাৰ খুমটাই সমষ্টিত বহুত আকাল আৰু বহুত অ-বিশুদ্ধ। অতি লেতেৰা খোৱা পানী খাই আমাৰ জনসাধৰণে জীয়াই থাকিব লগা হৈছে। এতিয়া এই জলসম্পদ বিভাগে কি কৰিছে, কেতিয়াৰ পৰা এই কামখিনি আৰম্ভ কৰিব এই নদীৰ পৰা এই প্ৰজেক্টটো বচোৱাৰ কাৰণে। আৰু এই Mega Water Supply Project টো কিমান দিনৰ ভিতৰত শেষ কৰিম বুলি চৰকাৰে বিবেচনা কৰিছে, মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ডাঙৰীয়াই যিখিনি প্ৰশ্ন উত্থাপন কৰিছে, আমাৰ যিটো গড়াখহনীয়া, সেই গড়াখহনীয়াটো হোৱাতো সত্য। সেই কাৰণে আমাৰ বিভাগীয় ভাৱে জলসম্পদ বিভাগত সেইটো জনোৱা হৈছে। আৰু জলসম্পদ বিভাগে আৰু আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ দুইটা সেইটো joint survey কৰিছে। আৰু মই জনা মতে ইতিমধ্যে SDRF ইয়াত এই আঁচনিটো প্ৰস্তুত কৰি থকা হৈছে। আৰু জলসম্পদ বিভাগে এইটো অনুমোদন কৰিলেহে সুৰক্ষাৰ কামটো তেওঁলোকে কৰিব। এই আঁচনিটো নিৰ্মাণ কৰোতে যথেষ্ট পলম হৈছে। আৰু আমাৰ বিভাগীয় ভাৱে পোৱা ৰিপোৰ্ট মতে

ঠিকাদাৰে যদিও যথেষ্ট টকা পাইছে আৰু টকা পোৱাৰ পিছত তেওঁলোকে যথেষ্ট কাম কৰিছে। আৰু প্ৰায় **৫৫** শতাংশ কাম সম্পূৰ্ণ হৈছে। বাকী থকা অংশখিনি কৰিবৰ কাৰণে ইতিমধ্যে নিৰ্দেশ দিছো আৰু মই দায়িত্বলোৱাৰ পিছত তেখেতসকলক কিছু টকা মুকলি কৰি দিছো প্ৰায় **১.৩১** কোটি টকা। আৰু আমি সময়সীমা নিৰ্ধাৰণ কৰি দিছো যে অহা **২০১৯** চনৰ ভিতৰত এই আঁচনিটো সম্পূৰ্ণ কৰিবৰ কাৰণে।

**শ্ৰী মৃণাল শইকীয়া, খুমটাইঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ো আছে, যদি তেখেতেও এইটো clarify কৰি দিয়ে, আমাৰ এই প্ৰজেক্টটো ৰক্ষা কৰে। আমি ইয়াত বিশুদ্ধ পানী খাই আছো আৰু বহুত পানী নষ্ট কৰিও আছো। আমাৰ সমষ্টিৰ মানুহ বিলাকে ইমান লেতেৰা পানী খাই থাকিব লগা হৈছে। আজি স্বাধীনতাৰ পিছতো যদি আমি বিশুদ্ধ পানী ৰাইজক খুৱাব নোৱাৰো তেন্তে আমি কি কৰিবলৈ আছো। আমি দৰকাৰ হ'লে এ বছৰৰ কাৰণে বাকী সকলো আঁচনি বিলাক বন্ধ কৰি দি বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰি দিব লাগে। prevention is better than cure অন্য আঁচনিৰ আগত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থাটো কৰি দিব লাগে বুলি মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, পৰামৰ্শটো ভাল। মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰে কিবা কব বিচাৰিছিল।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰে,হাইলাকণ্ডি** ঃ হাইলাকাণ্ডিটো এনেকুৱা কেইবাটাও মেগা প্ৰজেক্টৰ কাম আধৰুৱা হৈ আছে। সেই বিলাক সম্পূৰ্ণ কৰিবৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ইয়াৰ এটা specific প্ৰশ্ন দিব।

ইয়াৰ পিছৰ প্ৰশ্ন নং **২৮২** শ্ৰী ৰূপজ্যোতি কূৰ্মী।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, ভুমি সংৰক্ষণ বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াৰ ৰখা হৈছে।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো, কিন্তু সিমান সন্তুষ্ট নহয়। কিয়নো মই **২০০৬** চনৰ পৰা বিধায়ক হৈ আছো Soil Conservation বিভাগৰ শিতানত আগতে প্ৰত্যেক বছৰে বহু টকা পোৱা গৈছিল। এতিয়া দেখা গৈছে যে যোৱা দুইবছৰে যথেষ্ট টকা কম দিছে। আৰু IWMP Scheme যে হওঁক, RIDF, NABARD বিভিন্ন শিতানত আঁচনি আছিলে। এতিয়া Soil Conservation বিভাগৰ শিতানত টকা কমকৈ অহাৰ কাৰণটো কি মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, ভুমি সংৰক্ষণ বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, আগৰ **২০০৬** চনৰ পৰা আৰম্ভ কৰি Soil Conservation বিভাগত পইচা আহিছিল। কিন্তু কথাটো হ'ল যে বিগত সময়ছোৱাত যিমানখিনি পইচা আহিছিল, সেই পইচাৰ পৰিপেক্ষিত যেনেকুৱা ধৰণৰ কাম হব লাগিছিল, তেনেকুৱা ধৰণৰ কামটো সময়ত সম্পূৰ্ণ কৰিব নোৱাৰাৰ কাৰণে অসমত কেন্দ্ৰীয় চৰকাৰে পইচা মুকলি কৰি দিয়া নাই । সেই কাৰণে পইচা sanction দিয়াৰ পৰিমানটো কমি আহিছে।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, **২০১৫-১৬** চনলৈকে টকা পাই আহিছিলো। এতিয়া টকা পোৱাতো অকণমান বেছিকৈ কমি গৈছে। অৰ্থাৎ বৰ্তমান কেন্দ্ৰীয় চৰকাৰে টকা দিয়া নাই, নে টকা কমকৈ দিছে। এই কথাটো আমাক অলপ স্পষ্টকৈ জনালে ভাল আছিল। কাৰণ বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰধানমন্ত্ৰী কৃষি যোজনা আদি কৰি বিভিন্ন আঁচনি launch

কৰিছে। কিন্তু আমি প্ৰকৃততে ground level ত কোন বিধায়কে কিমান টকা পাইছে তথ্যতে কয় যে আগৰ তুলনাত আমি টকাটো কমকৈ পাই আছো। সেইকাৰণে আমি মাননীয় মন্ত্ৰী মহোদয় পৰা স্পষ্টকৈ জানিব বিচাৰিছো।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, ভুমি সংৰক্ষণ বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোয়ে বিগত সময়ছোৱাত কামটো সময় থাকোতে কৰিব নোৱাৰাৰ কাৰণে **২০১৬-১৭** চনতো আমি কমকৈ পইচা পাইছো। কিন্তু এই বছৰ আগৰ যিটো বৈ যোৱা আঁচনি সেইটো আমি কৰি আছো। কৰি থকাৰ কাৰণে আমাক কেন্দ্ৰীয় চৰকাৰে যোৱা **৯** মাৰ্চৰ দিনাখন **৩৮** কোটি টকা অনুমোদন দিলে। আমি আশা কৰিছো আহি থকা সময়ছোৱাত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা যি প্ৰজেক্ট আছে, সেই প্ৰজেক্টত আমি পইচা পাম।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী **২০০৬** চনৰ পৰা বিধায়ক হৈ আছে। মই **২০১১** চনৰ পৰা বিধায়ক হৈ আছো। আমাৰ কৰিমগঞ্জৰ Soil Conservation ৰ কোনো অফিচ নাই। তাতে বিভাগটো শিলচৰত আছে অধ্যক্ষ মহোদয়। বহুতখিনি আঁচিন অনুমোদন হয়, আমি খবৰ পাই থাকো। কিন্তু প্ৰকৃততে filel level ত শতকৰা **৫** ভাগো কাম হোৱা নাই। আপুনি যদি enquiry কৰে দেখিব যে তাত শতকাৰ **৫** ভাগো কাম হোৱা নাই। এইটো কাৰণে মই আপোনাৰজৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে ভালকৈ এটা enquiry কৰি পেলাই এই যে শতকৰা **৫** ভাগো কাম হোৱা নাই, কিয় হোৱা নাই, তাৰ কাৰণে কোন responsible । এইটো চাব লাগে। এটা Transparency আনিব লাগে। সবকা সাথ, সবকা বিকাশ বা zero tolerance এইবিলাক যাতে বাস্তাৱত ৰূপান্তৰিত হয়, তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Soil conservation ৰ কিছুমান Projects যেনে IWMP তাৰে পইচাটো Directly Committee ৰ হাতত যায়। আৰু কমিটিয়ে সেইটো Implement কৰে। Implement কৰাৰ পিছত তেওঁলোকৰ পৰা UC আপোনাৰ Director Level ত আমি আনো। এই গতিকে আপোনালোকে যিহেতু নিজৰ নিজৰ সমষ্টি বিলাকৰ যি পইচা Sanction হৈছে বা Projects Sanction হৈছে, এইটো আপোনালোকে চাব পাৰে। চাই যদি সন্তোষ জনক নহয়, তেতিয়া Report কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মাননীয় সদস্য, মৰাণ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী বাইদেওঁক এটা কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছো, মোৰ সমষ্টিত লৰুৱা মৌজাত লৰুৱা জান নামৰ এখন কৃষি ভূমিৰ মাজেদি বৈ যোৱা জানটো বৰ্তমান পোত গৈছে, এইটো খন্দাবৰ কাৰণে প্ৰায় ১কোটিৰ প্ৰপোজেল মই Estimate তৈয়াৰ কৰি Department ত দিয়া আজি১বছৰ মান হল কিন্তু এতিয়ালৈকে কি অৱস্থাত আছে, আমি গম পোৱা নাই আৰু মই এই কাৰণে বাৰে বাৰে কব লগা হয়, এইটো মোৰ কাৰণে গুৰুত্বপূৰ্ণ সমস্যা। প্ৰায় ৩০/৪০ খন গাওঁ প্ৰত্যেকবাৰে খেতি বাতি কৰিব নোৱাৰে এই জানটোৰ পানী Block হৈ থকাৰ কাৰণে। এইটো খন্দাৰৰ কাৰণে মই প্ৰপোজেল দিছিলো বাইদেউৰ পৰা মই জানিব খুজিছো এইটো কি অৱস্থাত আছে।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই Department ৰ পৰা মই

এইটো Query কৰি পেলাই আনি আৰু যথাযত ভাৱে প্ৰপোজেলটো পঠিয়াই দিছে, এইটো Consider কৰিবৰ কাৰণে ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** Question No. 283 মাননীয় সদস্য শ্ৰী অশ্বিনী ৰায় সৰকাৰ।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** তেখেত নাই নেকি ? For the first time he got a question সদায় মই দেখো যোৱাকালি তেখেতৰ Last question ৰ পিছতে আছিল। ইয়াৰ পিছত মাননীয় সদস্য নজৰুল হ'ক আপুনি (হাফিজ বছিৰ আহমেদ)কাগজ দিছিল নহয়, হকে মোক দিছে, আৰু তেখেতে আপোনাক Authorised কৰিছে।

**শ্ৰী ৰিহন দৈমাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী হাফিজ বছিৰ আহমেদ (মাননীয় সদস্য, বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰশ্নটো আছিল, ধুবুৰী জিলাৰ ধৰমশালাৰ ৪নং খণ্ডত খোৱা পানী যোগান আঁচনিটো ৩বছৰ হল তাৰ Construction বা অন্যান্য সকলো কাম সম্পন্ন হোৱাৰ কিন্তু ৩বছৰ পিছতো আজিলৈকে পানী

যোগান ধৰা হোৱা নাই, উত্তৰত দিয়া হৈছে, যে বৈদ্যুতিক সংযোগ নোহোৱাৰ কাৰণে দিব পৰা নাই। যদি উন্নয়নৰ গতিধাৰা এইটো হয়, ৩বছৰ কাম সম্পন্ন হোৱাৰ পিছতো অকল বৈদ্যুতিক সংযোগৰ কাৰণে ৰাইজ উপকৃত হব পৰা নাই। তেতিয়া হলে আমি Advantage Assam কিমান দিনত গঢ়ি তুলিম সেইকাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো, Time frame কিমান দিনৰ ভিতৰত পানী যোগান ধৰা হব।

**শ্ৰী ৰিহন দৈমাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১নম্বৰ প্ৰশ্নত আমাৰ মৃণাল হাজৰিকা ডাঙৰীয়াই এটা প্ৰশ্ন উত্থাপন কৰিছিলে, SDRF ত সেইটো ইতিমধ্যে আমি পঠাইছিলো, আৰু আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই মোক জনাইছে, ইতিমধ্যে এই আঁচনিটো Sanction হৈছে। আমাৰ ধুবুৰী সমষ্টিত ধৰমশালা পাইপ পানী যোগান আঁচনি ইতিমধ্যে ৯২শতাংশ কাম সম্পূৰ্ণ হৈছে। Electricity Connection কৰিব নোৱাৰা কাৰণে ইয়াত পানী যোগান ধৰিব পৰা নাছিলে। আৰু Electricity Connection কৰিবৰ কাৰণে ইতিমধ্যে আমি পুঁজি মুকলি কৰি দিছো, আৰু কাম কৰি আছে, অহা ১সপ্তাহৰ ভিতৰতে এই আঁচনিটো সম্পূৰ্ণ হব আৰু সম্পূৰ্ণ হলে পানী যোগানৰ ব্যৱস্থা আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Question No. 286 মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীমতী নন্দিতা দাস ( মাননীয় সদস্যা, বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ যিখিনি পাইছো, প্ৰকৃত তথ্যৰ লগত অলপ বিসংগতি আছে। যিটো B ত উত্তৰ দিয়া হৈছে, Under Forest Right Act, 2006, there are 84 Nos. of FRC in the Division. এইটো 84 Nos. of FRC in the Division. বুলি কলে যোৱাবাৰ মই এইটো এটা প্ৰশ্ন কৰিছিলো যে বগাইসাচ যিটো Reserve Forest আছে, আৰু সেই Reserve Forest ৰ Under ত Revenue Village বা Forest Village আছে নে নাই। যোৱাবাৰ এটা প্ৰশ্ন কৰিছিলো, তেতিয়া মই উত্তৰটো পালো Revenue Village বা Forest Village ইয়াতে নাই বুলি মই উত্তৰত পাইছিলো। কিন্তু এতিয়া যিটো 84 Nos. of FRC

দেখুওৱা হৈছে, ইয়াত কিন্তু বগাইসাচটো Included হৈ আছে। কাৰণ বগাইসাচ যিটো আমাৰ Reserve Forest সেই Reserve Forest ত কেইবাখনো গাওঁ আছে, ইয়াৰে কেইখন মান FRC যেনে বগাইসাচ Reserve Forest টো তাৰে আন্দাৰত আমাৰ শিংৰা Range ৰ Under ত পৰে যিটো বকো তাতে ১৮খন FRC আছে। যোৱাবাৰ Forest Village নাই বুলি কৈছিলে, এতিয়া কথা হৈছে, আমাৰ বহুখিনি Reserve Forest যি বিলাক Declare হয়, Declare হোৱাৰ সময়ত সেই অঞ্চলবোৰত আগৰ পৰা যিবোৰ গাওঁ Establish হৈ থাকে, সেই Reserve Forest Declare হোৱা সময়ত সেই গাওঁবোৰ যিহেতু Revenue হিচাপে থাকে সেই গাওঁবোৰ তেওঁলোকে সুবিধাবোৰ Avail কৰি থাকে কিন্তু Reserve Forest Declare হোৱাৰ লগে লগে সেই গাওঁবোৰ Revenue ৰ পৰা Forest Village লৈ Convert কৰা নহয়। যাৰ ফলত কি হয়, সেই গাওঁবোৰ Revenue Village হিচাপে থাকি যায়। আৰু এটা সময়ত যিহেতু Forest এলেকাৰ ভিতৰত Forest Village কেতিয়াও হব নোৱাৰে এটা সময়ত যেতিয়া Forest য়ে কিবা এটা কৰিব যায় Forest য়ে Revenue Village বিলাক নাথাকে বুলি কয়, কাৰণ তাত খেলি মেলি চলি থাকে। এতিয়া কথাটো হৈছে, কি Forest Right Act ৰ Under ত আমাৰ Revenue Village আছে, সেই বিলাক Regularize কৰিব লাগে। সেই অঞ্চল বিলাকক Revenue য়ে গুৰুত্ব নিদিয়ে, Forest য়েও গুৰুত্ব নিদিয়ে।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Forest Village নাই বুলি কওঁতে এটা কথা মই Clear ৰিব বিচাৰিছো, Forest বনাঞ্চলৰ ভিতৰত যদি গাওঁ এখন থাকে, সেইটো আগৰ দিনত কিছুমান মানুহক প্ৰয়োজন সাপেক্ষে তেওঁলোকক বঢ়াই দিয়া হৈছিল। Forest ৰ Manintanence ৰ কাৰণে তেওঁলোকক বঢ়াই ৰখা হৈছিল আৰু সেই গাওঁখনক Recognised Forest Village হিচাপে চিনাক্ত কৰা হৈছিল। Forest Village নাই বুলি কওঁতে এইটো কৈছে, যে তাত Recognised Forest Village নাই। সেই কাৰণে নাই বুলি কোৱা হৈছিল। কিন্তু তাত যি বিলাক মানুহ আছে, গাওঁ আছে, সেইটো Encoarch Village হয়। বনাঞ্চলৰ ভিতৰত আপোনাৰ সমষ্টিত তেনেকুৱা ধৰণৰ Revenue নাই। সেই বিলাক Forest এৰিয়া। তাত বিভিন্ন সময়ত মানুহ সোমাইছে বহুত দিন হল , তেওঁলোকে Claims কৰিব পৰা অধিকাৰটো পাইছে। Forest ৰ পৰা Revenue এলেকালৈ convert দিয়া নহয়।

**শ্ৰীমতী নন্দিতা দাস ( মাননীয় সদস্যা, বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Forest ৰ পৰা Revenue লৈ convert কৰি দিয়া নাই। Forest Right Act আছে কি যি সকল জনজাতীয় লোক তাতে বহু বছৰ ধৰি তেওঁলোকে বসবাস কৰি আছে, তেওঁলোকে Forest Right Act ৰ Under ত যিখিনি সুবিধা পাব লাগে সেইখিনি পাব লাগে। মই যিখিনি জানো সেই অঞ্চলত জনজাতীয় লোক বহু বছৰ ধৰি তাতে আছে। আমাৰ মন্ত্ৰী মহোদয়, বাইদেও গৈছিলে গহালকনালৈ তাতে এখন LP School ৰ অনুষ্ঠানত উপস্থিত আছিলে। সেইখন ১২৫বছৰ হৈছে, যে ১২৫বছৰ যিখন স্কুল স্থাপন হৈছে, হয়টো সেইখন গাওঁত থকা মানুহৰ কিমান বছৰ পুৰণি হব পাৰে সেইখনক যদি আমি Forest Village বুলি Notify নকৰো আৰু Revenue সেই গাওঁ বিলাকক নকয়, তেতিয়া সেই Forest Right Act যিখিনি সুবিধা সেইখিনি তেওঁলোকৰ পৰা চিৰজীৱন

বঞ্চিত হৈ থাকিব। আমি বিচাৰিছো কি Forest Right Act ত যিহেতু আমাৰ সুবিধাখিনি আছে, আৰু বিশেষকৈ তেওঁলোক জনজাতীয় লোক।

**माननीय অধ্যক্ষ ঃ** ঠিক আছে, আপুনি দীঘল নকৰিব, প্ৰশ্নটো কৰক। মই বুজি পাইছো আপোনাৰ প্ৰশ্নটো।

**শ্ৰীমতী নন্দিতা দাস ঃ** আমি কৈছো যে সেই গাওঁ বিলাকক Regularised কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, নন্দিতা দাস আপুনি অকমান ৰব, কথাটোৰ উত্তৰ আহিব লাগিব নহয়, এইটো বিবেচনা কৰি চাব নেকি, সেই কথাটো আপুনি কলে হ'ল। মই বুজি পাইছো কথাটো অলপমান complicated আছে।

**শ্ৰীমতী নন্দিতা দাস ঃ** চাৰ, মই complicated আছে কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** মই সেই কাৰণে কৈছো, ইমান দীঘল নকৰিব। এই বস্তুটোৰ আপুনি লাগিলে notice দিব zero hour ত মই দি দিম, ভালকে আলোচনা হ'ব। এতিয়া question hour ত ইমান সময় দিব নোৱাৰো।

**শ্ৰীমতী নন্দিতা দাস ঃ** চাৰ, সেই কাৰণে encroachment বিলাক হৈ আছে। চাৰ, encroachment কিয় হৈ আছে, আমি সেইখিনি বুজি লাগিব চাৰ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, this is a vast subject, মই আপোনাৰ কথাটো নুই কৰা নাই। কিন্তু question hour ত কিছুমান কথা আমি detailed ত যাব নোৱাৰো। ২ টা বা ৩ টা supplimentary. আপোনাৰ মূল প্ৰশ্নটো মই বুজিছো, বেলেগ আছে যদি কওঁক।

**শ্ৰীমতী নন্দিতা দাস ঃ** চাৰ, তেতিয়াহলে এইটো চাৰ, যে আমি এইটো Regularised কৰিব লাগে। যিহেতু গাওঁ বোৰ বহুত বছৰ ধৰি আছে। তেওঁলোকক convert কৰি ফৰেষ্ট গাওঁৰ।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** আপোনাৰ কথাটো বুজি পাইছো, আপুনি কি কব বিচাৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, নন্দিতা দাস বহি দিয়ক।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** মই কব বিচাৰিছো, আপোনাক উত্তৰতে ধুনীয়াকৈ দিয়া হৈছে, কিমান নম্বৰে claim পাইছে, কিমান জনে claim কৰিছে আৰু কিমানজনক settle কৰা হৈছে। কিন্তু আপোনাৰ উত্তৰতো দিয়া হৈছে, আপুনি বহক।

**মাননীয় অধ্যক্ষ ঃ** Please, please, Nandita Das. আপোনাৰ লগত sympathy আছে মোৰ, কিন্তু কথাটোৰ উত্তৰ দিব দিয়ক, এনেকৈ debate নহব নহয় প্ৰশ্নৰ। কথাটোৰ উত্তৰ আপুনি শুনক, যদি নহয় পিছত আপুনি আনিব বিষয়টো।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** যি বিলাক বাকী আছে, যি সকল claimটো পোৱা নাই এতিয়ালৈকে, Forest Land Act Certificate যি সকলে এতিয়ালৈ পোৱা নাই, কি কাৰণে পোৱা নাই সেইটোৰ কাৰণে আমাৰ জিলা পৰ্য্যায়ৰ সমিতি আছে, sub-division পৰ্য্যায়ৰ সমিতি আছে আৰু গাওঁ সভা আছে, গাওঁ সভাকৰি head man য়ে যি সকলৰ অসুবিধা আছে সেই অসুবিধাটো short out কৰি sub-division পৰ্য্যায়ত দিব লাগে আৰু sub-division পৰ্য্যায়ে জিলা পৰ্য্যায়ত জিলা উপায়ুক্তক দিব লাগে। জিলা উপায়ুক্তই যিখিনি claim সেই claim পোৱাৰ পিছত জিলা উপায়ুক্ত, তেওঁ Chairman হয় জিলা পৰ্য্যায়ৰ, তেওঁ সেইটো অসুবিধাটো সমধান কৰিব লাগে। এনেকুৱা ধৰণৰ পৰ্য্যায়ত Forest Land Act Certificate টো পোৱা হয়, কিন্তু তেওঁলোকক Certificate হে দিয়া হয়, তেওঁলোকক পট্টা দিয়া নহয়, আপুনি বুজি লোৱাটো দৰকাৰ। যে তেওঁলোকক Certificate হে দিয়া হয় তাত

বহিব দিয়াৰ কাৰণে, অধিকাৰটো দিয়া হয় আৰু সেইযে Certificate পালে, সেইটো বেলেগক transfer কৰিব নোৱাৰে বা বেলগৰ তাত বিক্ৰী কৰিব নোৱাৰে। এই কথাটো আপোনালোকে জানি লোৱাটো ভাল। যি বিলাকৰ pending আছে, আপুনি গড়কোনাৰ কথাটো কৈছে, পি এ চি ৰ কথাটো কৈছে, পি এ চি ৰ কাৰণে তাৰ মানুহে যিটো application কৰিছে সেই application টো পায় sub-division পৰ্য্যায়ে জিলা পৰ্য্যায়ত সমিতিক দিয়া হৈছে, সেইটো জিলা উপায়ুক্তৰ হাতত আছে। তেওঁ অতি সোনকালে সেইটো দিব পাৰে, Certificate দিয়াৰ কাৰণে ব্যৱস্থাটো কৰিব পাৰে। আপোনাৰ লিষ্টখন দিয়া হৈছে, কিমানখন গাওঁ তাত বহুত দিনৰ পৰা আছে, আপোনাক মই জনাব বিচাৰিছো যে ২০০৬ চনৰ আগত যি সকল Tribel মানুহ বনাঞ্চলত বসবাস কৰি আছে তেওঁলোকে পোৱাৰ অধিকাৰ আছে আৰু তেওঁলোকে তাৰে মানুহ, তাৰে dwellers বুলি তেওঁলোকে Certify কৰিব লাগিব নিজকে। তাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকে জীৱন নিৰ্বাহ কৰি আহিছে এই কথাটো প্ৰমান দিব লাগে তেতিয়া তেওঁলোকক এই Certificate খন দিয়া হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ৰমেন্দ্ৰ নাৰায়ণ কলিতা Your question supplimentary.

**শ্ৰীমতী নন্দিতা দাস ঃ** চাৰ, আমি চাৰ।

**মাননীয় অধ্যক্ষ ঃ** Please, নন্দিতা দাস মই আপোনাৰ লগত sympathy আছে, আপোনাক মই কৈছে you give a notice to me, I will allow to you in a different mode, Please. ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাটো মোৰো আছে, আমাৰ অসম মেঘালয় সীমান্তৰ যিবিলাক গাওঁ আছে, সেই বিলাক জনজাতীয় মানুহ বহু বছৰৰ পৰা, ভাৰত স্বাধীন হোৱাৰ আগৰে পৰা বসবাস কৰি আছে আৰু সেই সময়তে সেইবিলাক ফৰেষ্ট গাওঁ হিচাপেও সেইবিলাক গণ্য কৰা হৈছিল আৰু তেনেধৰণে সুবিধাখিনি লাভ কৰি আছে। কিন্তু সেইখিনি সময়ত এখন notification হব লাগিছিল। কিন্তু সেই notification খন নহ'ল। গতিকে মাননীয়া মন্ত্ৰী মহোদয়াই যিখিনি গাওঁ ফৰেষ্ট গাওঁত আছে সেই গাওঁ খিনি আৰু সেইবিলাক হ'ল আমাৰ সীমান্তবৰ্তী গাওঁ, গতিকে সেই গাওঁখিনিৰ যিটো Revenue Village এই গাওঁ বিলাক notification কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লব নেকি ? আৰু বিগত দিনত যিবিলাক Revenue Village আছিল, সেই গোটেই সুবিধাবিলাক পাই আছিল। এতিয়া আমাৰ মিত্ৰজোটৰ চৰকাৰ অহাৰ পিছত আমাৰ ব্লকৰ পৰা যিখিনি সুবিধা পাব লাগে সেই সুবিধাবিলাক এতিয়া বন্ধ কৰি ৰখা হৈছে। এই ক্ষেত্ৰত মাননীয়া মন্ত্ৰী মহোদয়াই ব্যৱস্থা লব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সত্য যে কিছুমান গাওঁ বহুত বছৰৰ পৰা বনাঞ্চলৰ ভিতৰত বসাবাস কৰি থকা হৈছে, কিন্তু এটা সময়ৰ পিছত তেওঁলোকক Forest Village হিচাপে Recognised আগৰ চৰকাৰে দিয়া নাছিল। সেইকাৰণে তেওঁলোকে বহুত অসুবিধাত পৰি আছে। যাতে বনাঞ্চলত আৰু বেছি মানুহে বেদখল নকৰে তাৰ কাৰণে বিভিন্ন বিভাগে সেই অঞ্চলত যাতে কাম কৰিব নোৱাৰে তাৰ কাৰণে বাধা দি থৈছে। আচল কথাটো এইটো। এতিয়া যি সকল আগৰ পৰা বসবাস কৰি আহিছে, তেওঁলোকৰ সমস্যাটো দূৰ কৰিবৰ কাৰণে joint verification হ'ব লাগে, তাত কিমান দিনৰ পৰা মানুহ বস বাস কৰি আছে, কিমান দিনৰ পৰা তাত বসতি কৰিছে, তেওঁলোকে কিমানখিনি Area দখল কৰি আছে সেইবিলাকৰ

ওপৰত survey হ'ব লাগে। তেওঁলোক ৰ পৰিয়াল কিমান বাঢ়ি গৈছে, এই বিলাক survey কৰিব লাগে, survey কৰাৰ পিছত সেইটো level wise, phase wise সেইটো জিলা পৰ্য্যায়লৈ আনিব লাগে। সেইটো হোৱা নাই বহুত দিন। আগৰ চৰকাৰৰ দিনত সেইটো কাম নকৰিলে। মই যেতিয়া WPT & BC ৰ মন্ত্ৰী আছিলো, ২০০৬ চনৰ পিছত ২০১০ চনলৈ, তেতিয়া মই কৰিছিলো কিন্তু আধাতে থাকি গ'ল, মই দিব বিচাৰিছিলো, তেতিয়াই মই এই সমস্যাটো সকলোকে সমাধান কৰি দিব বিচাৰিছিলো, কিন্তু আগৰ চৰকাৰৰ দিনত কিছুমানে বাধা দিলে।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই। নন্দিতা দাস তেখেতে এটা গুৰুত্বপূৰ্ণ কথা কৈছে আপুনিও শুনিব লাগিব, তেখেতে কৈছে WPT & BC ৰ মন্ত্ৰী তেখেতে আগতে আছিলে, এই কথাটো ৰমেন্দ্ৰ নাৰয়ণ কলিতাৰ উত্তৰত, চেষ্টা কৰিছিলে, তেতিয়া চেষ্টা কৰা বুলি কৈছে, পৰা নাছিল এইটো একো ডাঙৰ কথা নহয়। আপুনি মূল প্ৰশ্নটোৰ উত্তৰ দিয়ক।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** আৰু দিয়ো আহিছো, কিন্তু তেতিয়া সকলোকে দিব পাৰিলেহেতেন। কিন্তু তেতিয়া কিছুমান মানুহে নিবিচাৰাৰ কাৰণে বাধা পৰিল, বাধা পৰাৰ কাৰণে দিয়া নহ'ল। আগৰ চৰকাৰৰ দিনত অলপো দিয়া নহ'ল সেই কাৰণে বহুত link থাকি গ'ল। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক বাৰে বাৰে হেঁচা দিছে যে সোনকালে কৰিব লাগে। ময়ো কৈছো যে মুখ্যসচিবৰ পৰা যদি জিলা উপায়ুক্ত সকলক কৈ দিয়া যায়, তেতিয়াহলে কামটো সহজ হ'ব বুলি মই যোৱাকালিও কৈছো আৰু যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী ডঙৰীয়াই হাইলাকাণ্ডিৰ এজন জিলা উপায়ুক্তক মোৰ আগতে টেলিফোন কৰি দিছে। এনেকুৱা ধৰণৰ সমস্যাটো আমি যদি, আপোনালোকে দূৰ কৰিব চেষ্টা কৰে তেতিয়া সহজ হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। আবুল কালাম ৰছিদ আলম last supplimentary.

**শ্ৰীআবুল কামল ৰছিদ আলম ঃ** অধ্যক্ষ মহোদয়, সমস্যা বিলাক একে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কওঁক, আলোচনা বহুত হৈছে।

**শ্ৰীআবুল কামল ৰছিদ আলম ঃ** যি সকল Tribel লোক ফৰেষ্টত বসবাস কৰিব ২৫ বছৰৰ পৰা, তেওঁলোকক মাটিৰ পট্টা দিব লাগে। কিন্তু গোৱালপাৰ জিলাত বা গোটেই অসমতে মাটি বোৰৰ পট্টা দিয়া হোৱা নাই, মাটিবোৰৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব নেকি আৰু বৰ্তমান সমস্যা হৈছে যি সকল পৰিয়ালে 'প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা' ৰ ঘৰ পাইছে তেওঁলোকক মাটিৰ পট্টা নথকাৰ কাৰণে দিব পৰা নাই। অন্ততঃ 'প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা' ৰ ক্ষেত্ৰত অতি সোনকালে ব্যৱস্থাটো কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়ানী, ২৫ বছৰ বসবাস কৰি থকা মানুহখিনিৰ কথা।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, যি সকল জনজাতি, জনগোষ্ঠীৰ মানুহ তেওঁলোকৰ কাৰণে সিমান সমস্যা নাই। ২০০৬ চনৰ আগত যদি তেওঁলোকে তাত বসতি কৰিছিল, সেইটো নিজকে প্ৰমান কৰিব পাৰিলে বা census ত তেওঁলোকৰ নাম আছে, তেতিয়াও হৈ যাব। কিন্তু যদি প্ৰমান কৰি দেখুৱাব পৰা যায় গাওঁ সভাত সেইটো কৰি লৈ আহিব লাগে, সেইটো যদি হয় তেতিয়াহলে লগে লগে হৈ যায়। কিন্তু General Caste ৰ কাৰণে, যি বিলাক non Tribel মানুহ তেওঁলোকৰ কাৰণে তেওঁলোকে প্ৰমান কৰিব লাগিব যে, তেওঁলোকে তাত ৭৫ বছৰ ধৰি, ৭৫ বছৰ আগৰ পৰা তেওঁলোকে বসবাস কৰি আছে। -কিন্তু General Caste ৰ কাৰণে তেওঁলোকে প্ৰমান কৰিব লাগিব যে তেওঁলোকে তাত বসবাস কৰি আছে। তাৰমানে ৩ টা

Generation যদি তেওঁলোকে তাত বসতি কৰিছিল সেইটো প্ৰমান কৰিব পাৰে, তেতিয়াহলে তেওঁলোকৰ কাৰণে অধিকাৰটো আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আবাস যোজনাৰ কথাটো তেওঁ উত্তৰ দিব নোৱাৰিব। তাৰ concern Minister আছে। তেখেতে চকু ৰাখিব। এতিয়া শ্ৰী ৰণোজ পেগু। প্ৰশ্ন নং ২৮৭ । মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ৰণোজ পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ সকলো আন্ত:ৰাজ্যিক সীমান্তৱৰ্ত্তী অঞ্চল নদী-দ্বীপ মাজুলী আৰু তাৰ লগতে যোৰহাট , শিৱসাগৰ,গোলাঘাট, ডিব্ৰুগড়, তিনিচুকীয়া এই আটাইকেইখন জিলাৰ চৰ-চাপৰি অঞ্চল আৰু কাৰ্বি আংলংৰ লগত ভৈয়ামৰ সীমান্তবৰ্ত্তী সকলো অঞ্চলত বন্য হস্তীৰ আৰু মানুহৰ সংঘাতটো এটা জটিল ৰূপ ধাৰণ কৰিছে। প্ৰত্যেক বছৰে বহু মানুহৰ মৃত্যু হয় আৰু খেতি বাতি বিনষ্ট হয়। ইয়াত আমাৰ তথ্য দিয়া হৈছে ২০১৬-১৭ বছৰটোৰ। এই সংঘাতটোৰ ফলত ৯২ জন মানুহৰ মৃত্যু হৈছে আৰু তাৰ বিপৰীতে ২ টা হাতীৰ মৃত্যু হৈছে। ঠিক তেনেকে ২০১৭-১৮ বছৰটোত ৫৭ জন মানুহৰ মৃত্যু হৈছে আৰু তাৰ বিপৰীতে ৪ টা হাতীৰ মৃত্যু হৈছে। লগতে দিয়া তথ্য মতে বিস্তৰ পৰিমানৰ খেতি বাতি আৰু বাসগৃহ বনৰীয়া হাতীয়ে নষ্ট কৰিছে। অধ্যক্ষ মহোদয়, ইয়াতে তথ্য দিয়া হৈছে যে, যিসকল মানুহৰ মৃত্যু হ'ল হাতীৰ আক্ৰমনত , তেওঁলোকৰ একাংশক ১ লাখ টকাকে আৰু চৰকাৰৰ নতুন সিদ্ধান্ত অনুসৰি আন একাংশক ৪ লাখ টকাকৈ দিয়া হ'ল। কিন্তু যিসকল লোকৰ বাসগৃহ সম্পূৰ্ণৰূপে ধ্বংস কৰিলে বনৰীয়া হাতীয়ে আৰু যিসকল লোকৰ খেতি বনৰীয়া হাতীয়ে নষ্ট কৰিলে তেওঁলোকক কি ক্ষতিপূৰণ দিয়া হ'ল? ক্ৰমান্বয়ে এই সংঘাত বৃদ্ধি পাই আহিছে। চৰকাৰে মৃত্যু হোৱা মানুহ সকলৰ নামত এটা ৪ লাখ টকাকে Ex-gratia দিয়া নীতি গ্ৰহন কৰিছে। এইটো আমি আদৰণি জনাইছো। কিন্তু যাৰ ঘৰ আৰু খেতি-পথাৰ বন্য হস্তীয়ে সম্পূৰ্ণৰূপে ধ্বংস কৰিছে তেওঁলোকক চৰকাৰে ক্ষতিপূৰণ দিয়াৰ কাৰণে কি নীতি গ্ৰহণ কৰিছে? আমি জানো ৭০০০ টকা এটা দিয়াৰ ব্যৱস্থা আছে। কিন্তু এই টকাটো তেনেই নগন্য। এই বৃহৎ অঞ্চলৰ খেতিয়ক ৰাইজৰ যি সমস্যা, এই সমস্যা সমাধান কৰাৰ কাৰণে কি ক্ষতিপূৰণৰ ব্যৱস্থা গ্ৰহন কৰিছে? তাৰ লগতে Specific প্ৰশ্নটো হ'ল SDRF ৰ সমহাৰত ক্ষতিপূৰণ দিব পাৰে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিছুমানক আমি ১ লাখ টকাকে আৰু আন কিছুমানক ৪ লাখ টকাকে দিলো। আমাৰ চৰকাৰ অহাৰ আগত যিসকল ব্যক্তিৰ হাতীৰ সংঘাতত মৃত্যু ঘটিছে তেওঁলোকক তেতিয়াৰ চৰকাৰে ২ লাখ টকাকে দিছিলে। কিন্তু আমাৰ চৰকাৰ অহাৰ পাছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত তেখেতৰ নিৰ্দেশত আমি ৪ লাখ টকাকৈ দিবলৈ সক্ষম হলো। পেগু ডাঙৰীয়াই যিটো কৈছে যে, ঘৰ বা খেতি- বাতি ধ্বংসৰ বাবে আমি কি ক্ষতিপূৰণ দিওঁ? তাৰ উত্তৰত মই কওঁ যে Revenue Deptt. ৰ বিষয়া সকলে এইবোৰ assess কৰি তাৰ ওপৰত তেওঁলোকে ক্ষয়-ক্ষতিৰ পৰিমান নিৰ্দ্ধাৰিণ কৰে আৰু সেইমতে আমি তেওঁলোকক ক্ষতিপূৰণ দিওঁ। মইও জানো যে Ex-gratia হিচাপে আমি তেওঁলোকক যিটো ক্ষতিপূৰণ দিওঁ সেইটো যথেষ্ঠ নহয়। কিন্তু পেগু ডাঙৰীয়াই যেনেধৰণে পৰামৰ্শ দিছে আমিও তেনেদৰে ভাৱি আছো যে Disaster Management ৰ যোগেদি যদি তেওঁলোকক ক্ষতিপূৰণ দিয়া হয় ,ইয়াতকৈ বেচি টকা তেওঁলোকে ক্ষতিপূৰণ হিচাপে পাব কাৰণ

বনবিভাগত ইমান টকা নাথাকে excretia দিয়াৰ কাৰণে। তেওঁলোকৰ ক্ষতিটো নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে যিহেতু আমাৰ বিভাগৰ কৰ্তৃপক্ষ নাই, গতিকে Revenue Deptt. ৰ ফালৰ পৰা Disaster Management Fund ৰ পৰা যদি দিয়া হয় তেতিয়াহলে আমি তেওঁলোকক উপকৃত কৰিব পাৰিম বুলি ভাৱো।

**শ্ৰী ৰণোজ পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, SDRF ত এটা নিৰ্দিষ্ট নিৰিখ আছে। বানপানী বা আন প্ৰাকৃতিক দুৰ্যোগত ক্ষয়-ক্ষতি হলে কি হাৰত ক্ষতিপূৰণ দিয়া হ'ব তাৰ এটা নিৰিখ আছে। মই জানিব বিচাৰিছিলো যে, এই নিৰিখতেই বন বিভাগেও বনৰীয়া হাতীৰ আক্ৰমনৰ ফলস্বৰূপে যি ক্ষতি হয়, তাৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব নেকি? মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যে, সমহাৰত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে যে এই হাতী মানুহৰ সংঘাতটো কমাৰ কোনো লক্ষণ দেখা নাই। ইতিমধ্যে Coordination Committee এখন গঠন কৰা বুলি জনাইছে আৰু এই কমিটিয়ে কিছু measures লৈছে বুলিও জনাইছে। কিন্তু আমি ভুক্তভোগী ৰাইজে সমস্যাটো সমাধান হোৱাৰ কোনো লক্ষণ দেখা নাই। ইয়াৰ এটা স্থায়ী সমাধানৰ কাৰণে বিভাগে কি পদক্ষেপ গ্ৰহন কৰিব?

**মননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ approved ৰেট বান্ধি দিয়া হৈছে। কেচা ঘৰ বা খেৰী ঘৰ damage হলে আমি ১০ হাজাৰ টকাকৈ দিওঁ আৰু পকী ঘৰ damage হলে ৯৫ হাজাৰ টকা দিওঁ। এইটো আমি বঢ়াইহে লৈছো। আগৰ চৰকাৰৰ দিনত এই টকাটো আৰু কম আছিল। মানুহক উপকৃত কৰিব পৰাকৈ আমাৰ চৰকাৰ অহাৰ পিছত বিষয়া সকলৰ লগত আলোচনা কৰি আমি এই টকাটো বঢ়াই ললো। তথাপিও কিন্তু এই টকাটো সন্তোষজনক নহয় বুলি মই ভাৱো। আমি এইটোৰ ওপৰত আৰু ভালকৈ policy আৰু measure ল'ব লাগে। অধ্যক্ষ ডাঙৰীয়া সদস্য জনৰ প্ৰশ্নৰ উত্তৰত হাতী মানুহৰ সংঘাত কমাবৰ কাৰণে আমি কি কি ব্যৱস্থা লৈছো বিতংভাৱে জনাইছো। তথাপিও মই জনাইছো যে বনাঞ্চলৰ যিবোৰ হাতীৰ এলেকা সেইবোৰত এইবাৰ আমি হাতীয়ে খাদ্য হিচাপে গ্ৰহন কৰা গছ-গছনি ৰোপণ কৰাৰ কাৰণে আমি অগ্ৰাধিকাৰ দিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী ৰোজলিনা তিৰ্কী।

**শ্ৰী মতী ৰোজলিনা তিৰ্কী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতী মানুহৰ যি সংঘাতৰ কথা কৈছে তেনে ঘটনাৰ কথা মোৰ সমষ্টি মৰঙী, নুমলীগড় বা নামবৰ বনাঞ্চলৰ খবৰো সকলো সময়তে বাতৰিত দেখি থাকো। আমাৰ মাননীয় সদস্য জনে যি প্ৰশ্ন সুধিলে তাৰে ভিতৰত তেওঁ বহুত প্ৰশ্নৰ উত্তৰ পাইছে। কিন্তু আজি এই হাতী-মানুহৰ সংঘাতৰ বাবে ঘৰ, খেতি পথাৰ নষ্ট হৈছে যাৰ বাবে খেতিয়ক ৰাইজে খেতি কৰিবলৈ এৰি দিছে। এইখিনি ঠাই সম্পূৰ্ণভাৱে Elephant Corridor হৈ গৈছে। গতিকে যি সকল ৰাইজৰ শস্য, খেতি পথাৰ নষ্ট হৈছে তেওঁলোকৰ বাবে কিবা insurance দিয়াৰ ব্যৱস্থা কৰিব নেকি? আনহাতে, আমাৰ Forest Office বোৰত manpower ৰ অভাৱ হৈ আছে। তাত যিখিনি সা-সঁজুলি দিব লাগে সেইখিনি নাই। তাত গাড়ীৰ অভাৱ আছে, যাৰ বাবে Forest ৰ মানুহ বা Guard বোৰ সময়ত যাব নোৱাৰে। তাত, watch tower ৰ নাটনি হৈ আছে, torch light নাই, কেৰাচিন বা ফটকাবোৰ সময়মতে দিয়া নহয় যাৰ বাবে অঞ্চলটোৰ বহুত ৰাইজে অসুবিধাত ভূগি আছে। সেইবাবে মই ক'ব বিচাৰিছো যে যিহেতু আমাৰ গ্ৰাম্যাঞ্চলৰ ৰাইজ কৃষিভিত্তিক গতিকে সেইখিনি ৰাইজৰ বাবে Crop Insurance ৰ

ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, বন আৰু পৰিৱেশ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, খেতি যদি নষ্ট হয় তাৰ বাবে আমি ক্ষতিপূৰণ দিওঁ কিন্তু Crop Insurance ৰ সুবিধাটো কৃষি বিভাগতহে আছে। খেতিয়ক সকলে তেওঁলোকৰ Crop ৰ insurance কৰি ল'লে তাৰ ক্ষতিপূৰণ লাভ কৰে। মই আপোনাৰ জ্ঞাতাৰ্থে এই কথাখিনি জনাইছো। আমাৰ বন বিভাগত man-power যথেষ্ট কম। আমি মানুহ appointment দিব বিচাৰিছিলো কিন্তু High Court ত কিছুমান সংগঠনে case দি appointment ৰ প্ৰক্ৰিয়াটো বন্ধ কৰি থোৱাৰ বাবে আমি appointment দিব পৰা নাই। যদি case টো release হৈ যায়, তেতিয়া আমি মানুহ appoint কৰি man-power ৰ অভাৱটো পূৰণ কৰিম। মই মাননীয় সদস্যা গৰাকীক ধন্যবাদ জ্ঞাপন কৰিছো যে তেখেতে এই বিষয়টো সদনত উত্থাপন কৰিছে আৰু তাৰ উত্তৰ মই দিব পাৰিছো। আমি বিচাৰিছো যে আমাৰ যিখিনি খালী পদ আছে সেইখিনিত যদি আমি appointment দিব পাৰো তেনেহ'লে আমাৰ বন বিভাগটো নিশ্চয় স্বাৱলম্বী হ'ব।

**মাননীয় অধ্যক্ষঃ** ডাঃ নোমল মমিন।

**ডাঃ নোমল মমিন, (বোকাজান)ঃ** অধ্যক্ষ মহোদয়, Man-Elephant conflict ৰ মূল কাৰণ হৈছে খাদ্যৰ অভাৱ। হাতীয়ে খাদ্য বিচাৰি যেতিয়া খেতি পথাৰৰ ধান জাতীয় শস্য খাবলৈ আহে তেতিয়া Man-Elephant conflict হৈ মানুহৰ মৃত্যু হয়। অসম চৰকাৰে যিহেতু ১০ কোটি বৃক্ষ ৰোপণৰ এটা সিদ্ধান্ত লৈছে, গতিকে যিবোৰ অঞ্চলত হাতীৰ বসতি বেছি আছে তাত ২ কোটি বাঁহ আৰু কলগছ ৰোপণ কৰিলে হাতীৰ খাদ্যৰ অভাৱটো পূৰণ হ'ব বুলি মই ভাৱো। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়াই কিবা ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আপুনি ভাল কথা এটা কৈছে। মন্ত্ৰী ডাঙৰীয়ানী, আপুনি কি ভাৱে?

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, বন আৰু পৰিৱেশ ইত্যাদিঃ** হয়, কলগছ আৰু বাঁহ গছ ৰোপণ কৰাৰ বাবে আমি ইতিমধ্যে সিদ্ধান্ত লৈছো আৰু যোৱা বছৰ আমি কিছুমান ঠাইত ৰোপণো কৰিছিলো। কিন্তু কলগছ বা বাঁহ গছ ৰুৱাৰ ফলত এনেকুৱা হ'ব যে খাদ্যৰ অভাৱত হাতীয়ে কল গছ বা বাঁহ গছৰ কলিতে খাই গুছি যাব। গতিকে ই permanent in nature নহ'ব আৰু ইয়াত সমস্যাও আছে। গতিকে ইয়াৰ main solution হ'ব যে জংঘল বা বনাঞ্চলত মানুহৰ প্ৰৱেশ আৰু বেদখল ৰোধ কৰাটো। এই ক্ষেত্ৰত যদি আপোনালোকৰ সহায়-সহযোগিতা পাওঁ তেন্তে আমি বনাঞ্চলসমূহ নিশ্চয় বেদখল মুক্ত কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** Thank you. Next, Question No. 288. Rekibuddin Ahmed.

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, বন আৰু পৰিৱেশ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ( ছয়গাঁও)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো কিন্তু এই ক্ষেত্ৰত মই অকণমান স্পষ্ট নহয়। কুকুৰমাৰা দোমুখৰ পৰা জানৰমুখ, বিলপাৰ, দৰামুখ, বলবান হাওৰামুখ, কাৰৈমাৰী, বেলপাৰ ঘাট, মানমৰা চৰ, ছয়গাঁও পাৰ ঘাট, এই গোটেই খিনি ঠাইত River Dolphinয়ে জলকেলী কৰে। অধ্যক্ষ মহোদয়, River Dolphin য়ে পোৱালি জন্ম দিয়া দুটা ঠাই হ'ল দোমুখ আৰু ছয়গাঁও পাৰ ঘাট । অৰণ্যকৰ মতে হিচাপত ২৫-২৭ টা River Dolphin আছে, কিন্তু ৰাইজৰ মতে ইয়াত প্ৰায় ৭০-৮০টা আছে। যোৱা তিনি বছৰত

ইয়াত ৪ টা শিহুৰ মৃত্যু হৈছে। দুটা পোৱালি শিহু আৰু দুটা মাইকী শিহু। অধ্যক্ষ মহোদয় এইটো এটা বৰ গুৰুত্ব পূৰ্ণ বিষয়। আমাৰ মন্ত্ৰী মহোদয়াই এই River Dolphin খিনিৰ বাবে বিগত সময়ছোৱাত বহুত সভা কৰিছিল। তেখেতে জনসভাত awareness আনিছিল। কিন্তু আটাইতকৈ ডাঙৰ কথা অধ্যক্ষ মহোদয়, এই গোটেই এলেকাত বালি খননৰ বাবে আৱণ্টন দিয়া আছে আৰু তাৰ কিছুমান বৈধ আৰু কিছুমান অবৈধ। ইয়াত বিভাগে আৰু এটা কথা লিখিছে যে, ওচৰত থকা গাঁওবাসী সকলে বালি উঠাই জীৱন- নিৰ্বাহ কৰে, সেইটো বাৰু ঠিকেই আছে। কিন্তু এটা বৰ গম্ভীৰ আৰু গুৰুত্বপূৰ্ণ কথা যে ইয়াৰ radius ৰ ভিতৰত ১০০ ৰ পৰা ১৫০ টা মেচিনেৰে বালি উঠোৱা হয় আৰু এই মেচিন সমূহৰ অৱশিষ্ট তেলবোৰ নদীৰ পানীৰ লগত মিহলি হৈ যায় আৰু মেচিনৰ শব্দৰে শব্দ প্ৰদূষণো হয়। ই River Dolphin বা শিহুৰ জীৱনৰ প্ৰতি ভাবুকিও আনিছে। এই ক্ষেত্ৰত মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়াক এটা অনুৰোধ জনাইছো যে এই বিষয়টো আমাৰ সকলোৰে বাবে অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। কাৰণ আমাৰ ইয়াৰ পৰা কুকুৰমাৰা মাত্ৰ ৪৫ মিনিটৰ ভিতৰত পায় আৰু এই River Dolphin সমূহক জীয়াই ৰাখিব লাগিব। এই River Dolphin বোৰৰ ইতিহাস ১১০০ বছৰ আগৰে চান্দ সদাগৰৰ দিনৰে পৰা আছে। গতিকে মই মন্ত্ৰী মহোদয়াক ইয়াৰ ওপৰত গুৰুত্বপূৰ্ণ ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছো। কিয়নো ইয়াৰ ওপৰত যেতিয়াই কিবা ব্যৱস্থা লোৱা হয় তেতিয়া মেচিন বোৰ উঠাই লৈ যায় আৰু অলপ অলপ কেইদিনমান যোৱাৰ লগে লগে মেচিনেৰে বালি উঠোৱা আকৌ আৰম্ভ কৰি দিয়ে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, বন আৰু পৰিৱেশ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো নিশ্চয় গুৰুত্বপূৰ্ণ । River Dolphin বা শিহু আমাৰ কলশী নদীত আছে আৰু বাহিৰৰ পৰ্যটক সকলেও আহি চায়। সেইকাৰণে ইয়াৰ conservation ৰ বাবে আমি চিন্তা কৰিছো। আৰু তাৰ ওচৰ-পাজৰৰ ঠাইত বালি খনন নকৰিবলৈ আগতেও নিৰ্দেশ দিয়া হৈছিল। কিন্তু তাত কিছুমান মানুহ আছে যিসকলে বালি খনন কাৰ্যতে নিৰ্ভৰ কৰি জীৱিকা নিৰ্বাহ কৰি আছে। গতিকে তাত অবৈধ ভাৱে যি বালি খননৰ কাৰ্য চলি আছে সেইটো যদি উঠাব যাওঁ তেতিয়া তাত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হ'ব। আমাৰ DFO এজনে তাত সেই বালি খনন কাৰ্য বন্ধ কৰিব যাওঁতে তেওঁক গাড়ীৰে খুন্দিয়াই মাৰিব বিচাৰিছিল। গতিকে এনে ধৰণৰ কিছুমান হিংসাত্মক ঘটনা তাত সংঘটিত হৈয়ে থাকে।

**মাননীয় অধ্যক্ষঃ** বালি খনন কাৰ্যটো manually হৈ থাকক কিন্তু মেচিনবোৰ বন্ধ কৰিব পাৰিলে ভাল হয়।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, বন আৰু পৰিৱেশ ইত্যাদিঃ** হয়, manually কৰিব লাগে কিন্তু মানুহবোৰে কামটো সোনকালে হোৱাৰ বাবে আৰু লাভৰ বাবে ৰাতিৰ সময়ত মেচিন ব্যৱহাৰ কৰি খনন কৰে। এইটো এটা ডাঙৰ অসুবিধা। তদুপৰি, এই সন্দৰ্ভত সত্যতা বিচাৰ কৰিবলৈ সেই ঠাইত মই যেতিয়া গৈছিলো তেতিয়া তাৰ ল'ৰাবোৰে মটৰ চাইকেল লৈ দলবান্ধি আমাৰ ফালে যি ধৰণে আহিছিল সেইটো অতি ভয়লগা পৰিস্থিতি আছিল।

**মাননীয় অধ্যক্ষঃ** তাৰ মানে এই কথাবোৰ সঁচা।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, বন আৰু পৰিৱেশ ইত্যাদিঃ** হয়, অধ্যক্ষ মহোদয়, কথাবোৰ সঁচা। গতিকে এনে ধৰণৰ পৰিস্থিতিত আমি কেনেকৈ বন্ধ কৰিম? যদি তাৰ স্থানীয়

বিধায়ক, প্ৰতিনিধি সকলে যদি আমাক সহায় কৰে তেন্তে ই সম্ভৱপৰ হৈ উঠিব।

**माननीय অধ্যক্ষঃ**Thank you.

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাঁও)ঃ** অধ্যক্ষ মহোদয়, মই বাইদেউৰ উত্তৰটো শুনি অন্তৰত শান্তি পাইছো। বাইদেউ এগৰাকী বৰ ভাল মানুহ, কিন্তু এই ক্ষেত্ৰত তেওঁ অলপ কঠোৰ হ'ব লাগিব। নেডাৰলেণ্ডৰ পৰা এজন পৰ্যটক আহোতে তেওঁ কৈ গৈছিল যে এই ঠাইখন বিশ্বৰ আটাইতকৈ important ঠাই। বাইদেউৰে যেতিয়া instruct কৰে তেতিয়া মেচিন বোৰ উঠি যায় আৰু ৩-৪ দিন পাছত আকৌ মেচিন বোৰ বহুৱাই দিয়ে। তাৰ জনজাতীয় মহিলা সকলে কেঁচুৱা কোলাত বান্ধিও বালি উঠায়। কিন্তু তেওঁলোকে মেচিনেৰে নুঠায়। এই মেচিন লগোৱা যিটো কোম্পানী, সেই কোম্পানীটোক কঠোৰ ভাৱে নিয়ন্ত্ৰণ কৰিব লাগে। এই বিষয়ত বিগত সময়ত আলোচনা হোৱাৰ

বাবে এই বালিবোৰ এতিয়া ট্ৰীপাল টানি লৈ আছে, মুকলিকৈ নানে। গতিকে মই মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিছো যাতে এই River Dolphin খিনিৰ বাবে বিশেষ policy এটা লয় কিয়নো এই River Dolphin বোৰ আমাৰ এক সম্পদ।

**माननीय অধ্যক্ষঃ** এতিয়া গুৰুজ্যোতি দাস, what is your supplementary ?

**শ্ৰী গুৰুজ্যোতি দাসদ, (মঙলদৈ)ঃ** অধ্যক্ষ মহোদয়, মই ওৰাং ৰাষ্ট্ৰীয় অভয়াৰণ্যৰ এবিধ বিৰল প্ৰজাতিৰ মাছ 'পিপ্‌লী চেং' ৰ কথা ক'ব বিচাৰিছো। আৰু এই বিৰল প্ৰজাতিৰ মাছ বিধৰ বাবে ওৰাং ৰাষ্ট্ৰীয় অভয়াৰণ্যখন এতিয়া বেছি আকৰ্ষিত হৈছে। ইয়াক আচলতে acquarium ত ৰখা হয় আৰু international market ত ইয়াৰ মূল্য বহুত। গতিকে আমাৰ বন বিভাগে ইয়াৰ সংৰক্ষণ কৰাৰ বাবে কিবা ব্যৱস্থা কৰিছে নেকি ?

**माननीय অধ্যক্ষঃ** ঠিক আছে, যদি বন বিভাগৰ হাতত তথ্য থাকে তেতিয়া দিব পাৰিব, নহ'লে পিছত দিব।

Next Question, Aminul Islam. আপোনাৰ Supplementary Question কিবা আছিল, কওঁক।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মন্ত্ৰী মহোদয়ে যিটো কাজিৰঙা অভয়াৰণ্য আৰু ডিব্ৰু ছৈখোৱাত ডলফিনৰ বাবে safe area বুলি যিটো reserve কৰিছে আমি কেতিয়াবা দেখা পাওঁ যে ডলফিন বিলাক অন্য area লৈকে গুছি আহে। যিহেতু ব্ৰহ্মপুত্ৰৰ যিটো area protected কৰিছে ডলফিনৰ বাবে আৰু যিহেতু barrier নাই সেই ডলফিনখিনি কেতিয়াবা নামি আহে আৰু সেই area ৰ বাহিৰত আহিলে মানুহে ধৰি পেলায়। আঁচলতে কিবা technical পদ্ধতি আছে নেকি যাতে ডলফিনখিনি তাতে ৰাখিব পাৰে আৰু বনৰৌ দুস্পাপ্য হৈ আছে। ইয়াৰ বাবে চৰকাৰে কিবা কৰিব নেকি ?

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত যদি expert আছে তেওঁলোকৰ লগত আলোচনা কৰি আপুনি দিয়া পৰামৰ্শ মতে পৰীক্ষা নিৰীক্ষা কৰিম। যদি আছে implement কৰা হ'ব।

**माननीय অধ্যক্ষ ঃ** বনৰৌটো এটা বেলেগ subject. আপুনি মনত ৰাখিলে হ'ব। এতিয়া ২৮৯. পবিন্দ্ৰ ডেকা। মন্ত্ৰী জনস্বাস্থ্য।

**শ্ৰী ৰিহন দৈমাৰী(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰ পাইছো। মই

সুধিছিলো যে ২০১৭-১৮ বিত্তীয় বৰ্ষত জনস্বাস্থ্য কাৰিকৰী বিভাগে ৰাজ্যিক বাজেটত কিমান টকা লাভ কৰিছিলে? তেখেতে কৈছে যে লাভ কৰিছিল ২২৮৮কোটি ৩৪ লাখ ৮২ হাজাৰ টকা। মই সুধিছিলো যে কিমান টকা খৰছ কৰা হ'ল এতিয়ালৈকে। আজি ১৫ মাৰ্চ তাৰিখ। তেখেতে কৈছে যে ইয়াৰ ভিতৰত খৰছ কৰা হৈছে মাত্ৰ ১১৫৯ কোটি ৮৭ লাখ ৩৫ হাজাৰ টকা। মানে আধা টকাও এতিয়ালৈকে খৰছ হোৱা নাই। আজি ১৫ মাৰ্চ তাৰিখ আৰু হাতত আছে ৩১ মাৰ্চলৈ মাত্ৰ ১৪ দিন। গতিকে এই যে টকাবোৰ খৰছ কৰা নাই কি কাৰণে খৰছ কৰা নাই, কিয় কৰিব পৰা নাই? বিত্ত বিভাগে দিয়া নাই নে দিয়াৰ পিছতো খৰছ কৰিব পৰা নাই? দ্বিতীয়তে আৰু এটা প্ৰশ্ন আছিল উত্তৰটো পাইছিলো। ৰাজ্যখনত ৬০০০ ৰো অধিক water supply scheme আছেখোৱা পানীৰ কাৰণে। মোৰ সমষ্টিতো আছে ৪২ টা। ৪২ টাৰ ২২ টাই বিকল হৈ আছে আৰু তাৰে ৪ টা মানতহে পানী এতিয়ালৈকে ওলাই আছে গতিকে এইবোৰ ঠিক ঠাক কৰিবলৈ মই মন্ত্ৰী মহোদয়ৰ লগত কথাও পাতিছিলো। মই আচৰিত হৈছো যে য'ত নেকি ২৪ লাখ, ২৫ লাখ আঁচনি দিছিল তাত মাত্ৰ ৬ লাখ ৬ লাখ কৈ টকা দিছে। গতিকে এই আঁচনি বিলাকটো সম্ভৱ নহয়। গতিকে ১ নং কথাটো হ'ল এই টকাবোৰ দিয়া নাই নে দিয়াৰ পিছতো কাম হোৱা নাই আৰু এই বিকল হৈ থকা আঁচনি বিলাক সোনকালে ঠিক ঠাক কৰি ৰাইজক খোৱা পানীৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Minister please.

**শ্ৰী ৰিহন দৈমাৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি বিত্ত বিভাগৰ পৰা যিখিনি ফাণ্ড বিচাৰিছো সেইখিনি আমি পাইছো। যিহেতু আমাৰ department টো works department আমাৰ ৰাজ্যখনত working season টো খুব কম। এই বিত্তীয় বৰ্ষত যোৱা এপ্ৰিলৰ পৰা চেপ্তেম্বৰ মাহলৈকে বানপানী হোৱাৰ কাৰণে যিবিলাক আমাৰ ongoing scheme আছিলে সেইবিলাক prepare কৰিব পৰা হোৱা নাছিল আৰু সেইকাৰণে কাম কৰোতে আমাৰ যথেষ্ট পলম হৈছে। ইয়াৰ উপৰিও আমাৰ প্ৰায়বিলাক অফিচাৰ NRC ৰ ডিউটীত আছে। আমি জোৰ কৰিব নোৱাৰো। ডিভিজনত এজনো অফিচাৰ নাই। আমি spare কৰিব নোৱাৰো। তৎস্বত্তেও আমি চেষ্টা কৰিছো। যিহেতু বিভাগটো চলাব লাগিব। তেওঁলোকে NRC ৰ ডিউটী কৰিব লাগে। ফিল্ডতও যাব লাগে। সেইকাৰণে সমস্যাৰ সৃষ্টি হৈছে। গতিকে আমি যিধৰণে অগ্ৰগতি কৰিব লাগিছিল সেইধৰণে অগ্ৰগতি কৰিব পৰা নাই। আমি চেষ্টা কৰিছো অহা এক, দুই মাহত যিখিনি সময় আমি পাম সেইসময়খিনিত যিমান খিনি আমি কৰিব পাৰো সেইটো আমি কৰিম আৰু ২ নং প্ৰশ্নটোৰ উত্তৰটো এনেকুৱা ধৰণৰ মই আগতে কৈছো যে আমাৰ ৰাজ্যখনত বহুতো পানীযোগান আঁচনি বিকল হৈ আছে আৰু এই বিকল হৈ থকা পাইপ পানী যোগান আঁচনি বিলাক কেনেকৈ মেৰামতি কৰিব পৰা যায় সেইটো আমি চেষ্টা কৰিছো আৰু সেইকাৰণে মই প্ৰতিজন বিধায়কক প্ৰত্যেকটো সমষ্টিত ৩৬ লাখ টকাকৈ অনুমোদন দিয়াৰ ব্যৱস্থা কৰিছো। অহা বিত্তীয় বৰ্ষতো তেনেকৈ আমি লম। আমি পৰ্য্যায়ক্ৰমে সেই defunct হৈ থকা আঁচনি পুনৰ মেৰামতিৰ বাবে আমি সিদ্ধান্ত লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ. ডেকা ডাঙৰীয়া আৰু কিবা আছে নেকি?

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব খুজিছো যে এই টকা খৰছ নোহোৱাৰ কথাখিনি তেখেতৰ খুব স্পষ্ট নহয়। এনেকুৱা হ'ব নেকি যে ৩১ মাৰ্চ তাৰিখে ৰাতা ৰাতিৰ ভিতৰতে বেংক খোলা থাকিব, ট্ৰেজাৰী খোলা থাকিব, বিভাগ খোলা থাকিব আৰু টকাটো সম্পূৰ্ণৰূপে খৰছ হ'ব এনেকুৱা হ'ব পাৰে নেকি?

**মাননীয় অধ্যক্ষ ঃ** তেনেকুৱা কেতিয়াও হ'ব নোৱাৰিব। কেনেকৈ হ'ব ? এনেকুৱা হ'লেটো ডাঙৰ কথা হ'ব।

**শ্ৰী ৰিহন দৈমাৰী ঃ** অধ্যক্ষ মহোদয়, সেইটো নহয়। কেতিয়াও নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই পানীৰ সমস্যাটো মোৰ সমষ্টিতো বহুত আছে। বহুত আঁচনি বিকল হৈ আছে। পানী দিব পৰা নাই আৰু কিছুমান অৰ্ধনিৰ্মিত হৈ পৰি আছে। মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে কৈছে যে বিত্ত বিভাগৰ পৰা যিখিনি পইচা তেওঁ বিচাৰিছিলে সেইখিনি তেওঁ পাইছে। যদি পাইছে তেতিয়াহ'লে ঠিকাদাৰ সকলে পইচা নোপোৱাৰ বাবে কামবিলাক বন্ধ কৰি ৰাখিছে। কামখিনি সোনকালে কৰিবৰ কাৰণে ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো কৰিম বুলি কৈছে আৰু এইটোৰ public health ত আমি detail discussion দিছো বাজেটত যেতিয়া cut motion আহিব public health will be taken.

**শ্ৰী ৰিহন দৈমাৰী ঃ** যিবিলাক ongoing scheme আছে আমি কৰাই আছো এতিয়া। ongo-ing scheme ৰ কাম আৰম্ভ কৰিছে। খালী কেন্দ্ৰীয় চৰকাৰে এটা নতুন নিৰ্দ্দেশনা নীতি দিছে যে payment ৰ ক্ষেত্ৰত যিবিলাক scheme ইতিমধ্যে ৭৫ শতাংশ above হৈছে সেইটোৰ ফাণ্ড ৰিলিজ কৰিবৰ বাবে অনুমতি দিছে আমাক প্ৰথম পৰ্য্যায়ত। ৭৫ ৰ ওপৰত যেতিয়া শেষ হ'ব তেতিয়া আমি আকৌ তললৈ নামি আহিম। গতিকে আমি পৰ্য্যায়ক্ৰমে তেনেকৈ কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী শ্বেৰমান আলি।

**শ্ৰী শ্বেৰমান আলি ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বচ্ছ ভাৰত মিছনৰ অধীনত যোৱা তিনিটা বছৰত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰায় ২০০০ কোটি লাভ কৰিছে। এই ২০০০ কোটিৰ প্ৰায় ৬৫ কোটি টকা অকল awareness campaigning ৰ নামত খৰছ হৈছে। বৰপেটা জিলাত তিনিকোটি টকা খৰছ হৈছে। মোৰ প্ৰশ্নটো হ'ল অধ্যক্ষ মহোদয়, এই awareness cam-paigning proper নোহোৱাৰ বাবে আপুনি এই টকাতো খৰছ হোৱাৰ যি হিচাপ দিছে সেইটো চালেও গম পোৱা যায় যে বৰপেটাৰ তিনিকোটি টকাৰ বাঘবৰত খৰছ হৈছে মাত্ৰ তিনিলাখ টকা। particular কিছুমান পকেটতহে এই awerness ৰ কাৰণে খৰছ কৰা দেখা যায়। ৰাইজ বহুত চৰকাৰে ১২ হাজাৰ দিছে আমি আৰু ৫ হাজাৰ খৰছ কৰি লেট্ৰিণটো ভালকৈ বনাম। কিন্তু বিভাগীয় এই খেলিমেলিৰ বাবে আমাৰ স্বচ্ছ ভাৰত মিছনৰ টাৰগেটতো এতিয়াও যথেষ্ট বৈ আছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আপুনি অতি strict ব্যৱস্থা লৈ পেলাই যাতে এই awareness টো properly হয়, awareness নহয় তিনিকোটি খৰছ দেখুৱাইছে তেওঁলোকে NGO কিছুমানক লৈ, awareness নাই। এইক্ষেত্ৰত গুৰুত্ব দিব লাগে। strictly enforce কৰিব লাগে।

**শ্ৰীৰিহনদৈমাৰী ঃ** ইতিমধ্যে আমি ব্যৱস্থা লৈ আছো আৰু যিহেতু awareness ৰ টকাতো আনি জিলাত দিয়া হয়। জিলাত আনি এটা অনাময় চচাইটী আছে তাত উপায়ুক্ত সকল Chair-man . strictly কৰাৰ ক্ষেত্ৰত আপুনি অকনমান

**মাননীয় অধ্যক্ষ ঃ** Enforce টো strictly কৰাৰ ক্ষেত্ৰত আপুনি অকনমান supervise কৰিব লাগে তেখেতে এইটো ক'ব বিচাৰিছে। ঠিক আছে মই এইটো বুজিলো। I have told the Hon'ble Minister that he should personaly supervise particu-

larly on this programe. Now Question No. 290. শ্রী যোগেন মোহন। Hon'ble Minister please. কৃষি ভূমি সংৰক্ষণ।

**শ্রী প্রমীলা ৰাণী ব্রহ্ম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্রী যোগেন মোহন, (মাহমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে চৰাইদেউ জিলাৰ কথা সুধিছিলো। এই চলিত বছৰত দুখন আঁচনি লৈছে মাত্র। মোৰ এনেকুৰা এখন গুৰুত্বপুৰ্ণ আঁচনি আছিলে প্রায় ৩০০ বিঘা মাটি এখন পঞ্চায়তত জলমগ্ন হৈ থাকে বছৰ বছৰ ধৰি যিহেতু এই বিভাগটোৰ শস্য উৎপাদনটোৰে মূল লক্ষ্য আছিল। গতিকে ইয়াতে কিয় এই বিভাগৰ কর্মচাৰী সকলক মাতিলেও নাহে। তেওঁলোকক অকনমান সক্রিয় কৰিব লাগে। মন্ত্রী মহোদয়ক মই অনুৰোধ জনাইছো যে, এই বিষয়ত এটা বছৰত ১৫ লাখ টকাৰ আঁচনি এখন জিলাত এইটো চাব লাগে। আৰু মই যিটো ক'লো বৰদবা পঞ্চায়তৰ প্রায় ৩০০ বিঘা মাটি বছৰ বছৰ ধৰি মানুহে খেতি কৰিব পৰা নাই। অকল জলমগ্ন হৈ থাকে। কোনো নৈ-বিলৰ কথা নাই। সেইটো ক্ষেত্রত মন্ত্রীয়ে কিবা এটা ব্যৱস্থা লব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্রী ডাঙৰীয়ানী কওঁক । সময় প্রায় শেষ হৈছে।

**মাননীয়া মন্ত্রী, শ্রী মতী প্রমিলা ৰাণী ব্রহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩০০ বিঘা মাটি খেতি কৰিব পৰা নাই। সেইটো বহুত ডাঙৰ দুর্ভাগ্যজনক কথা। যদি তেখেতে আমাক প্রপ'জেল দিয়ে, মই সেইটো consider কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you very much. Now Zero Hour.

**শ্রী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ) ঃ** চাৰ, পইণ্ট অফ অর্ডাৰ.

**মাননীয় অধ্যক্ষ ঃ** এফালৰ পৰা দি যাম।

**শ্রীকমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাত প্রত্যেক জন বিধায়কৰ লগত আমাৰ মিলা-প্রীতি আছে। আপুনি মোবাইলৰ ক্ষেত্রত restriction আনিছে। মোৰ এটা suggession আছে অধ্যক্ষ মহোদয় বেল্টৰ ক্ষেত্রত কিবা restriction আনিব নেকি? কাৰণ গুজৰাট বিধান সভাত যিটো হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো পইণ্ট অফ অর্ডাৰ নহয়।

**শ্রী আব্দুল খালেক (জনীয়া) ঃ** চাৰ, Rule 49 ত এখন মই এখন জাননী দিছিলো। কাৰণ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ চন্দ্রপুৰ আৰু ডিমৰীয়াএই দুটা প্রজেক্টত ভয়ানক কেলেংকাৰী এটা সংঘটিত হৈছে। আৰু চৰকাৰে anti coruption আৰু ভিজিলেঞ্চৰ তদন্তত দেখা গৈছে।

**মাননীয় অধ্যক্ষ ঃ** মই সেইটো কথা কোৰা নাই। আপুনি Rule 49 ত এখন দিছে। এইবাৰ যিটো বাজেট আছিলে মই এইবাৰ accept কৰিব পৰা নাই। কিন্তু অহাবাৰলৈ মই চাই দিম। আপুনি পাব।

**শ্রী আব্দুল খালেক (জনীয়া) ঃ** সময়টো কেতিয়া ।

**মাননীয় অধ্যক্ষ ঃ** সময়টো আজি নকওঁ। বহক। Point of order কি?

**শ্রী মতী ৰোজলীনা তির্কী, (সৰুপথাৰ) ঃ** চাৰ, Starrd Question No. টো মই নেক্সটো পালোহেঁতেন। মই ক'ব নোৱাৰিলো, কথাটো হৈছে যি শিল অবৈধ খননৰ আৰু সৰবৰাহৰ যি প্রশ্ন সুধিছিলো তাৰ উত্তৰটো ইয়াতে মিচ গাইডেড কৰা হৈছে। যি চলিয়েই আছে তাত কিন্তু গ্রাউণ্ডৰিপোর্টটো ওলোটাকে দি আছে। ইয়াত চি আই ডি enquiry অতি জৰুৰী বুলি মই ভাৱো।

**माननीय अध्यक्ष ः** ठিক আছে। আপুনি মন্ত্ৰী ডাঙৰীয়াক এখন চিঠি দি দিব। প্ৰশ্ন নং টো আছিল ২৯১।

**শ্ৰী মতী নন্দিতা দাস, (বকো ) ঃ** মোৰ Point of order আছিল, কানেকশ্যন আছিলে, এফ আৰ চিৰ ক্ষেত্ৰত ভুল তথ্য পাইছো মই। Starrd Question No. 286. ডাটাটো ভুল দিছে।

**माननीय अध्यक्ष ः** কি কি ভূল আছে মোক এখন কাগজ দি দিব। আমাৰ ৰেকৰ্ড কৰা হৈছে।

**শ্ৰী কিশোৰ নাথ, (বৰচলা ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Unstarrd Question No.679 ত মই জানিব বিচাৰিছিলো। বৰচলা সমষ্টিত কেইখনমান ঠাইত আছিল যেনেকৈ ৰায়পুৰ, মানিকপুৰ।

**माननीय अध्यक्ष ः** ভুলটো কি আছে?

**শ্ৰী কিশোৰ নাথ, (বৰচলা ) ঃ** তাতে মই দিছিলো। প্ৰশ্নৰ উত্তৰ যিটো মই পালো, সেই শুদ্ধ নহয়। আৰু মই satisfied হোৱা নাই।

**माननीय अध्यक्ष ः** মই ৰেকৰ্ড কৰিছো। Unstarrd Question No.679. Please record this Number আৰু যিখনি তথ্য ভুল হৈছে, you give me in writing. ইয়াত কব নালাগে। This is a point of order, I have allowed you. You just submit the discrepancies. I will take care.

**माननीय अध्यक्ष ः** চাহাবুদ্দিন আহমেদ।

**শ্ৰী চাহাবুদ্দিন আহমেদ,(জলেশ্বৰ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ২৫ খন আঞ্চলিক পঞ্চায়ত আছে।

**माननीय अध्यक्ष ः** আপোনাৰ কথাটো কি? point of order টো কি?

**শ্ৰী চাহাবুদ্দিন আহমেদ,(জলেশ্বৰ ) ঃ** চাৰ, যিটো মই তথ্য বিচাৰিছিলো।

**माननीय अध्यक्ष ः** Question No.

**শ্ৰী চাহাবুদ্দিন আহমেদ,(জলেশ্বৰ ) ঃ** চাৰ, Question No.674. চাৰ, তেখেতে আমাৰ যি২৫ খন জি পি আছে তাৰ যোল্ল খন জি পি পাইছো, বাকী ন খন জি পি নাপাওঁ। মোৰ সমষ্টিত ২৫ খন জি পি আছে, কিন্তু তাৰে মই যিখিনি তথ্য বিচাৰিছো।

**माननीय अध्यक्ष ः** ন খন জি পি নাপালে। Please মোক সৰু নোট এটা দি দিব। I will take care. শ্ৰী মৃনাল শইকীয়া।

**শ্ৰী মৃনাল শইকীয়া, (খুমটাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Question No.709. আমি দেখিলো যে, Aircel আৰু Reliance. এই দুয়োটা কোম্পোনীৰ মোবাইল Service হঠাতে বন্ধ কৰি দিলে। তাৰ আগতে জনোৱা নাছিল ।

**माननीय अध्यक्ष ः** point of order টো কওক। কিবা প্ৰশ্ন উত্তৰ ভূলকে দিছে নেকি?

**শ্ৰী মৃনাল শইকীয়া, (খুমটাই) ঃ** চাৰ, ভূলকে উত্তৰ দিয়া নাই।

**माननीय अध्यक्ष ः** This is not a point of order.

**শ্ৰী মৃনাল শইকীয়া, (খুমটাই) ঃ** এইটোৰ কিবা ব্যৱস্থা নলয় নেকি?

**माननीय अध्यक्ष ः** ব্যৱস্থাটো এনেকে নহয়, ইয়াৰ বেলেগ প্ৰভিজন আছে। এতিয়া শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Starred Question No. 294 এইটো এটা সুধিছিলো। তাৰে এটা Sub-question আছিল ডিব্ৰুগড় জিলাত বাদ পৰি থকা কিমান সংখ্যক পৰিয়ালক SBM শৌচাগাৰ দিবৰ বাবে তালিকাযুক্ত কৰা হৈছে। এই পৰিয়াল

সমূহৰ SBM শৌচাগাৰ যেতিয়া প্ৰদান কৰা হ'ব। উত্তৰ দিলে। উত্তৰটোত অলপ বিসংগতি হৈছে।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰটোত যদি বিসংগতি হৈছে, মোক লিখি দি দিব নোট কৰি লৈছো 294.

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** চাৰ, ইয়াৰ লগত এটা জড়িত হৈ আছে। এটা কথা। ইয়াত এখেত সকলে কৈছে যে, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা পালে তাত লেট্ৰিন বনোৱা হ'ব বুলি কৈছে। কিন্তু মই জিলা বিষয়াৰ লগত কথা পাতিছিলো।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি আলোচনা তেনেকৈ নহয়। I will allow you to raise and we will discuss in our chamber. Please. আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** চাৰ, শূণ্যকালীন ঘণ্টাত যিকেইজনে নটিচ দিয়ে আপুনি চিলেক্ট কৰে তিনিজনক। আমি ভাবো প্ৰশ্নোত্তৰ কালত এইটো এখন শ্লিপ দি জনাই দিব পৰা যায়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। পৰা যাব। Question hour সময়তে জনাই দিয়া হব। Thank you. মই এতিয়া সন্মানীয় মন্ত্ৰী ডাঙৰীয়া সকলক এটা অনুৰোধ কৰিব খোজো। শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীৰো attention draw কৰিছো । আপোনালোকে শুনি আছে। প্ৰশ্ন বিলাকৰ যদি কিবা থাকে, আপোনালোকে এটা responsibility ল'ব লাগিব। মই অকলে সকলো ল'ব নোৱাৰিম। গতিকে মই ভাবো যে, প্ৰশ্নৰ যেতিয়া উত্তৰ আহে বোধকৰো, দুই তিনিদিন আগতে পায়। আপোনালোকে চাব। কেতিয়াবা কি হয়। আমিও মন্ত্ৰী আছিলো যে, দেখিছো কেতিয়াবা কিছুমান কথা যিধৰণে হয়তো আহিব লাগে, এনে ধৰণৰ হয় যে, তথ্য নাথাকে তেনেকৈ নিদিয়ে। গতিকে আমি অকনমান যাতে মোৰ বাৰ্ডেনটো অলপ কমি যায়। আপোনালোকে চাব। কাৰণ সদায় এনেকুৱা ধৰণৰ কেইবাটাও পাই আছো আৰু মইসদস্য সকলকো কৈছে যে, আপোনালোকৰ প্ৰশ্ন বিলাক মই পঢ়িব লগা অৱস্থা এটা হৈছে। আখৰ বিলাক বহুতৰ ধৰিবই নোৱাৰি। অহাবাৰ টাইপ কৰি দিব লাগিব। মই সেইটো ব্যৱস্থা কৰি দিম। দ্বিতীয়তে, বহুত কথা একেটা প্ৰশ্নতে আনিব খোজে। প্ৰশ্ন সোধাৰ যিটো প্ৰক্ৰিয়া আছে, আমাৰ Rule Book ত আছে। খুব দীঘল হ'ব নালাগে। আৰু কেতিয়াবা দুই তিনিটা কৰিবৰ কাৰণে ৭০ টা প্ৰশ্ন আহে। মই দেখিছো এতিয়া শেষৰ ফালে প্ৰশ্ন অলপ আমি Unstarred দিব পৰা অৱস্থাত আছে। আপোনালোকে তথ্যটো বিচাৰে। তথ্য বিচৰাৰ পাছত সেইটো Follow up action কৰিব পাৰে। আমাৰ সদনতো গোটেইখিনি এঘণ্টাৰ ভিতৰতে সকলো শেষ কৰিব পৰা নাযায়। মই সেই কাৰণে আপোনালোককো কৈছে, যাতে প্ৰশ্নবিলাক sharp হয় আৰু বহুত বস্তু সুমুৱাই দিব নালাগে। আমাৰ কেতিয়াবা এনেকুৱা হয়। মূল প্ৰশ্নটো আপোনাৰ সমষ্টিত থাকে, কিন্তু তাতে আপোনালোকে সকলোৰে সুবিধাৰ কাৰণে জেনেৰেল দি দিয়ে। কিন্তু মই চাও জেনেৰেলটোৰে বাকী বিলাক প্ৰশ্ন কৰে বেছি। গতিকে প্ৰশ্নকৰ্তাই নিজ সমষ্টিতে সীমাবদ্ধ থাকে। এতিয়া শূণ্যকালীন ঘণ্টাৰ প্ৰথম শ্ৰী পবিন্দ্ৰ ডেকাক **১৩** বছৰে তলা বন্ধ চিনটেক্স এই বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো। খুব কম সময়ত কৰিব। পাঁচমিনিট মানৰ ভিতৰত।

**শ্ৰী পবিন্দ্ৰ ডেকা, (পাটাছাৰকুছি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,"দৈনিক জনমভূমি" কাকতত কালি বাতৰি এটা প্ৰকাশ পাইছে "১৩ বছৰে তলাবন্ধ ছিনটেক্স সূতাকলৰ-কোটি টকীয়া যন্ত্ৰপাতিত মামৰ, ৯০০ শ্ৰমিক-কৰ্মচাৰীৰ হাহাকাৰ।" হাবি জংঘলেৰে আৱৰি জহি খহি গৈছে গৃহ কোটি টকীয়া যন্ত্ৰপাতি। এসময়ত লাভজনক চৰকাৰী উদ্যোগটো পুণৰ জীৱিতকৰণৰ দাবী ৰাইজৰ। অধ্যক্ষ মহোদয়, এইটো বাতৰি কাকতত প্ৰকাশ পালেও এইটো কথা যিহেতু মই সেই সমষ্টিৰ

ওচৰৰে। গতিকে গোটেই বিষয়টো মই ব্যক্তিগতভাৱে অৱগত। ১৯৮৪ চনৰ তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই ৰাজহুৱা খণ্ডত এই আচাম ছিনটেক্স লিমিটেড নামৰ এই সূতা কটা কলটোৰ আধাৰশিলা স্থাপন কৰিছিল, আৰু তাত ২৫২ বিঘা মাটিক চৰকাৰে অধিগ্ৰহণ কৰি লৈছিল। আৰু ১৯৮৬ চনত তদানীন্তন মুখ্যমন্ত্ৰী মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই তাক আনুষ্ঠানিকভাৱে মুকলি কৰিছিল। আৰু তাৰ প্ৰায় বিষয়াৰ বাহিৰে প্ৰায় ৯০০ কৰ্মচাৰী কাম কৰিছিল। আৰু সুন্দৰ ভাৱে এই ছিনটেক্স লিমিটেডটো চলি আছিল। চলি থকাৰ পাছত হঠাৎ ১৯৯৩ চনত সূতাৰ উৎপাদন অতি উচ্চমানৰ সূতাৰ উৎপাদন হৈছিল। ১৯৯৩ চনৰ ইমান ভাল উদ্যোগলৈ ৰূপান্তৰিত হৈছিল যে সেই অঞ্চলৰ নলবাৰী জিলাৰ কোনো ৰাজহুৱা উদ্যোগ নাছিল গতিকে সেইটোৱে আছিল ৰাজহুৱা উদ্যোগ। সেয়েহে মানুহ বহুত উৎসাহিত হৈছিল। কিন্তু হঠাৎ লাহে লাহে ১৯৯৪ চনৰ পৰা উদ্যোগটো লাহে লাহে বেয়াৰ ফালে গতি কৰে। আৰ্থিকভাৱে ই জুৰুলা হৈ পৰে আৰু উদ্যোগটোৰ উৎপাদনো কমি যায়। সেই উদ্যোগটোৰ উৎপাদন যেতিয়া কমি গ'ল ৰাইজে বিভিন্ন ধৰণে, বিভিন্ন সমালোচনা কৰে। বিভি ন্ন কথা কয়, বিষয়া সকলৰ ষড়যন্ত্ৰ বুলি কয়, চৰকাৰে গুৰুত্ব দিয়া নাই, দিয়া বুলি কয়। আৰু বিষয়াসকল কয় বাহিৰৰ পৰা আমি সূতা সময়মতে পাব লাগে। এই সূতা আমি নাপাওঁ। গতিকে এইটো অৱস্থা হৈছে. ২০০৬ চনত একেবাৰে ইয়াৰ টলা বন্ধ হৈ গ'ল। টলা বন্ধ হোৱাৰ পাছত বিভিন্ন ধৰণৰ আন্দোলন হ'ল। ৰাইজে আন্দালন কৰিলে। আঞ্চলিক ছাত্ৰ সন্থাবোৰে আন্দোলন কৰিলে। কৰাৰ ফলত চৰকাৰে এডভেন্ট ইণ্ডাষ্ট্ৰিজ লিমিটেড নামৰ এটা কোম্পানীক আকৌ এইটো চলাবলৈ দিলে। তেওঁলোকে কিছুদিন চলালে। কিছুদিন চলোৱাৰ পাচত তেওঁলোকেও লোকচানৰ সন্মুখীন হোৱা বুলি, চলাবলৈ অমান্তি হ'ল। আৰু এতিয়া তাত কেইবাশ কোটি টকাৰ সা-সম্পত্তি, ঘৰ-দুৱাৰ গোটেই বিলাক ভাঙি-ছিঙি পৰি আছে। তাৰ কিছু মাটি ইতিমধ্যে আমাৰ মেগা ফ্ৰুইটে, কিছু মাটি লৈছে। এতিয়া ৰাইজে তাত দাবী কৰিছে, আন্দোলনৰ কাৰ্য্যসূচী লৈছে দাবী উত্থাপন কৰিছে যে এই সূতাকলটো পুনৰ জীৱিত কৰিব লাগে। মই মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক, অনুৰোধ কৰিছো যে, এইটো যিকোনো প্ৰকাৰে, হয়টো এতিয়া আমি উদ্যোগত গুৰুত্ব দিছো। Advantage Assam পাতিছো, গতিকে কোনোবা বিনিয়োগকাৰীক আনি সেই উদ্যোগটো পুনৰ জীৱিত কৰাৰ কাৰণে অনুৰোধ ৰাখি মই মোৰ কথাখিনি সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ-মন্ত্ৰী ডাঙৰীয়া, আমাৰ যিহেতু আজি বাজেটৰ উত্তৰ আছে, গতিকে চাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই, যিটো কথা উত্থাপন কৰিছে, এই বিষয়টো মই অৱগত আৰু চৰকাৰো অৱগত। আচলতে, অধ্যক্ষ মহোদয়, এই উদ্যোগটো মানে টিহু চিনটেক্স টো যে বন্ধ হ'ল, অকল টিহু চিনটেক্স নহয়, নোৱাপাৰা, বৈটামাৰী, টিহু চিনটেক্স , নলবাৰী ঝাব ঝাবকুছি আৰু জাগীৰোড চিনটেক্স এই গোটেই কেইটা মিলেই বন্ধ হৈ গৈছে। বন্ধ হোৱাৰ কাৰণটো হ'ল এইটোৱেই অধ্যক্ষ মহোদয় মূল কাৰণটো যে, এই মিল বিলাক যেতিয়া চলিছিল, তেতিয়া বঙাইগাওঁ ৰিফাইনেৰীৰ এটা ইউনিটে Polyester Staple Fibre দিছিল আৰু viscose material টো বাহিৰৰ পৰা আনিছিল। এই দুয়োটাৰে মিশ্ৰিত প্ৰক্ৰিয়াৰে আচলতে সূতাবিলাক তৈয়াৰ হৈছিল আৰু সেই সূতাৰে এপ'ল ফ্ৰেব্ৰিক্স কাপোৰ তৈয়াৰ হৈছিল। কিন্তু বঙাইগাওঁৰ সেই viscose material ইউনিটটো বন্ধ হৈ গ'ল, আৰু তাৰ quality বেয়া হৈ গ'ল। হোৱাৰ ফলত এই মিলবিলাকে ৰিলায়েঞ্চৰ পৰা কিছু বস্তু ললে যদিও কিন্তু সেইটো economically viable নহ'ল। গতিতে বঙাইগাৱৰ ৰিফাইনেৰীৰ

এটা ইউনিট বন্ধ হৈ যোৱাৰ ফলত এই ৬ টা মিল সম্পূৰ্ণৰূপে বন্ধ হৈ গ'ল। বন্ধ এই কাৰণেই হ'ল অধ্যক্ষ মহোদয়, যে এই Polyester Staple Fibre যিটো আৰু viscose টো বাহিৰৰ পৰা আনি ইয়াতে যদি চাৰ্ট এটা তৈয়াৰ কৰে, বা পেন্ট এটা তৈয়াৰ কৰে, সেইটোৰ দাম যদি ৮০০ টকা হয়, কিন্তু সেই একে ধৰণৰ চাৰ্ট এটা বাহিৰৰ পৰা আনিলে ৪০০ টকাত পায়। গতিকে viable নহয়। আৰু নোহোৱাৰ কাৰণে আচলতে এই গোটেই মিলকেইটা বন্ধ হৈ গ'ল। আৰু এই গোটেই মিলকেইটাযে বন্ধ হ'ল, এতিয়া আমাৰ কথা হ'ল, সেই মিল কেইটা, ডেকা ডাঙৰীয়াই এটা ভাল কথা কৈছে, মই মানি লৈছো, যে এইটো পলিষ্টাৰ মিল হিচাপে হব নে নহয়, সেইটো আজিৰ দিনটোত কোৱাটো টান। কিন্তু Polyester Staple Fibre আৰু viscose বাহিৰৰ পৰা আনি ইয়াতে economically viable নহ'ব। যদি কালি আকৌ বঙাইগাঁৱৰ ৰিফেইনেৰীয়ে যদি সেই ইউনিটো যদি ৰিভাইভ কৰে, আৰু যদি কম দামত এই বস্তুখিনি পাওঁ, তেতিয়া কথাটো বেলেগ হব। আৰু সেই কাৰণে, তেখেতে এটা ভাল কথা কৈছে, গতিকে আমাৰ এতিয়া Advantage Assam হৈছে যে, কোনোবা বিনোয়গকাৰী যদি আহে, তাত কিবা অন্যউদ্যোগ হব পাৰে নেকি? এনেকুৱা এটা কথা কৈছে সেইটো হয়। গতিকে সেই কথাটো আমি চেষ্টা কৰি আছো, আমাৰ বিজলীত যিটো মিল আছে তাতে আমি APL ৰ পৰা আমাৰ অসম চৰকাৰৰ Company, লাভজনক Company এইটো উদ্যোগ বিভাগৰ, গতিকে আমি নোৱাপাৰাৰটো আমি কৰিম। তাত আমি APL ৰ পৰা এটা ইউনিট আনি তাত কৰিম আৰু এইটো আমাৰ অসম চৰকাৰৰ লাভজনক উদ্যোগ। গতিকে তাতে আমি সেইটো কৰিম। আৰু তেনেকে টিহুত যিটো চিনটেক্স সেইটোও আমি কৰিব পাৰো নেকি চাম। কাৰণ ইতিমধ্যে মেগা ফ্ৰুট পাৰ্ক এখন তাত হৈছে। আৰু তিনিটা Company ইতিমধ্যে তাত আহিছে। আৰু মই কেইবাটাও Company অৰ্থাৎ ফ্ৰুট প্ৰচেচিং কম্পেনীৰ লগত আলোচনা কৰি আছো, টিহুত মেগা ফ্ৰুট পাৰ্কটো যাতে সম্পূৰ্ণৰূপে occupy হৈ যায়। বাকী যিখিনি মাটি আছে। সেইকিনিও ব্যৱস্তা কৰাৰ কাৰণে আমি চিন্তা কৰিছো। ঝাব ঝাপকুছিৰ কথাটোও আমি চিন্তা কৰিছো। আৰু তেনেকে জাগীৰোডৰ কথাটোও আমি চিন্তা কৰিছো। আৰু এপ'ল ফ্ৰেবিক্সে, ইতিমধ্যে আপোনালোকে জানে যে ৰিভাইভেলৰ কাৰণে ইনিচিয়েল পইচা প্ৰায় ১০ কোটি, ৯কোটি ৯৯লাখ টকা ইতিমধ্যে দিয়া হৈছে, এতিয়া আৰম্ভ হব এপ'ল ফ্ৰেবিক্স, আৰু বাকী কেইটাও হব। আৰু ঠিক তেনেধৰণে একে সময়তে আমাৰ ধিঙটো আছিল, এটা ক্ৰাফট পেপাৰ'। গতিকে সেই কাৰণে অধ্যক্ষ মহোদয়, এই যিখিনি উদ্যোগ বন্ধ হৈ গ'ল, এই বিলাক উদ্যোগ আমাৰ চৰকাৰৰ দিনত বন্ধ হোৱা নাই, ২০০৭ চনৰ আগতে বন্ধ হৈ গৈছে। গতিকে এই উদ্যোগ সমূহত এতিয়া, যিটো উদ্যোগ বন্ধ হ'ল, সেইটোৱেই যে হব তেনেকুৱা কথা নহয়। আমি তাত বেলেগ উদ্যোগপতি সকলক আনি অন্য উদ্যোগ কৰিব পাৰো নেকি, সেইটো চেষ্টা নিশ্চয় কৰিম, আপোনাৰ সেই কথাটো মোৰ গ্ৰহণযোগ্য হৈছে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ**- Statement টো তেখেতক lay কৰি দিলেই হব, আজি সময়ৰ অভাৱ। আপুনি মৌখিক ভাৱে কৈ দিয়ক, Statement টোপঢ়িব নালাগে। Statement টো দি দিব পিছত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**- ইয়াতে কেইটামান কথা আছে, ১৯৮৬ চনৰ ২০ জুন তাৰিখে মহন্ত ডাঙৰীয়াই এইটো উদ্বোধন কৰে। আৰু এডভেন্ট ইণ্ডাষ্ট্ৰীজ লিমিটেড'ৰ কথাটো তেখেতে কৈছে, আৰু ১৫-৫-২০০৭ চনত বন্ধ হৈ গৈছিল, এই ইণ্ডাষ্ট্ৰীটোত যিমান কৰ্মচাৰী আছিল, তেওঁলোকক পইচাখিনি দি দিয়া হৈছে। আৰু তাৰ উপৰিও Asian Development Bank

'ৰ পৰা আৰ্থিক সাহাৰ্য্যৰে আমি এই কৰ্মচাৰী সকলক যিখিনি পাবলগীয়া আছিল, সেই পাবলগীয়াখিনি দিয়া হৈছে। আৰু অসমৰ মুখ্য সচিবক, Chairman হিচাবে লৈ এখন Task Force গঠন কৰা হৈছে। এই উদ্যোগ সমুহত যাতে, তাত অন্য উদ্যোগ স্থাপন কৰিব পৰা যায়। গতিকে এইখিনি ব্যৱস্থা কৰিবলৈ লোৱা হৈছে, আৰু অধ্যক্ষ মহোদয়, ইয়াতে এটা কথা আছে, আচলতে এই যিটো উদ্যোগ,এই উদ্যোগত, বাতৰিটোত প্ৰকাশ কৰা মৰ্মে, প্ৰতিষ্ঠানটোত ২৫২ বিঘা মাটি নাই। ৭০ বিঘা মাটি আছে। আৰু ৯০০ কৰ্মচাৰীও ইয়াতে আচলতে নাই। ইয়াতে কেৱল ৪৯২ জন কৰ্মচাৰী আছে। আটাইকেইজনে VRS লৈছে। কিন্তু এটা কথা ঠিক যে ডেকা ডাঙৰীয়াই যিটো কথা কৈছে, আৰু এতিয়া আমিন গাৱৰ পৰা টিহুলৈকে ৫০০ মিটাৰ বাদ দি দুয়োফালে ইণ্ডষ্ট্ৰি গঢ়ি উঠিছে। গতিকে আপোনাৰ এই কথাটো মোৰ মনত আছে , থাকিব আৰু এইটোত নিশ্চয় উদ্যোগ কৰাৰ ব্যৱস্তা আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ**- জাকিৰ হুছেইন। আজি short কৰিব লাগিব। বজেটৰ উত্তৰ আছে।

**শ্ৰী জাকিৰ হুছেইন, বিধায়কঃ**- মাননীয় অধ্যক্ষ মহোদয়, আপোনাক প্ৰথমতে ধন্যবাদ জনাইচো যে শূণ্যকালীন ঘণ্টাত এই বাতৰিৰ ভিত্তিত কথাখিনি বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক দৃষ্টি আৰ্কষণ কৰাৰ বাবে সুযোগ দিয়াৰ কাৰণে। মই 'দৈনিক অগ্ৰদুত' কাকতৰ প্ৰকাশিত "কয়াকুছিৰ অধিকাংশ পথতে খহনীয়া, আৰু পুখুৰীৰ বাবে সৃষ্টি হৈছে আশংকা" এই বাতৰিটো আপোনাৰ জৰিয়তে গড়কাপ্তানি বিভাগৰ মন্ত্ৰী আৰু ৰাজহ বিভাগৰ মন্ত্ৰী নাই যদিও দুয়োজন মন্ত্ৰীক দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়,আমি সকলোৱে জানো যে ভাল যাতায়ত ব্যৱস্থাৰ অবিহনে,আমি কেতিয়াও আমাৰ ৰাজ্যখনক আগুৱাই লৈ যাব নোৱাৰো। তাৰ বাবে আমি ৰাষ্টা-ঘাট, নিৰ্মাণ কৰিব লাগিব। আৰু ৰাস্তা-ঘাট নিৰ্মান কৰাৰ পাছত, সেই ৰাস্তা-ঘাট দিনে দিনে পুৰণি হোৱাৰ লগে লগে যিখিনি বেয়া হয়, সেইখিনিও আমি মেৰা-মতি কৰিব লাগিব। আৰু এইখিনি মেৰা-মতি কৰি ৰাখিবলৈ হ'লে, গড়কাপ্তানি বিভাগৰ তৰফৰ পৰা, বিভিন্ন সময়ত বিভিন্ন পৰিমানৰ টকাৰ ইতিমধ্যে আৱন্টন দি আহিছে। যিখিনি পুঁজি দিছে, সেই পুঁজি সাপেক্ষে আমি আমাৰ, মোৰ নিজা সমষ্টিৰ লগতে সকলো সন্মানীয় সদস্যসকলে নিজৰ নিজৰ ৰাস্তা-ঘাটখিনি তেওঁলোকে পুনৰ নিৰ্মাণ কৰি আহিছে, বা মেৰামতি কৰি আহিছে।

অধ্যক্ষ মহোদয়, মই এই বাতৰিটো প্ৰবিত্ৰ সদনৰ দৃষ্টি আকৰ্ষণ এই কাৰণে কৰিব বিচাৰিছো - আমাৰ ৰাজ্যখনত বিভিন্ন ধৰণৰ ৰাস্তা-ঘাট আছে আৰু সেই ৰাস্তা-ঘাট পুনৰ নিৰ্মাণৰ কাৰণে যথেষ্ট পুঁজিৰ দৰকাৰ। কিন্তু যিখিনি পুঁজিৰ প্ৰয়োজন হয়, সেই পুঁজিখিনি আমি পৰ্য্যাপ্ত হিচাপে নাপাওঁ। এই বিষয়টোলৈ মই যাব বিচৰা নাই। মই ব্যক্তিগত ভাবে বিধায়ক হোৱাৰ পিছত সমষ্টিৰ বিভিন্ন ঠাইলৈ গৈ দেখিছো যে গড়কাপ্তানি বিভাগে বা ৰাজহ বিভাগে যদি দুয়োটা বিভাগে নিজৰ নিজৰ দায়িত্বসমূহ ভালদৰে পালন কৰে, তেতিয়াহ'লে প্ৰতিবছৰে মেৰামতিৰ বাবে যিখিনি পুঁজিৰ প্ৰয়োজন সেইটো আমি কমাই আনিব পাৰো। গড়কাপ্তানি বিভাগে মোৰ সমষ্টিত যিমান টকা আৱন্টন দিছে আৰু সেই টকাৰে আমি যিমান কিলোমিটাৰ পথ নিৰ্মাণ কৰিছো যদি দুয়োটা বিভাগে ভালদৰে নিজৰ দায়িত্ব পালন কৰিলে হয় তেতিয়াহলে আমি সেই টকাৰে যিমান কিলোমিতাৰ বনাইছো তাতকৈ বেছি পথ পুনৰ নিৰ্মাণ কৰিব পৰিলোহেতেঁন। এই কথাখিনি এই কাৰণে কৈছে যে ইয়াত পুখুৰীৰ কথাটো আহিছে। দিনে দিনে অসমত নিবনুৱাৰ সমস্যাই মূৰ দাঙি উঠিছে। মানুহৰ অৰ্থনৈতিক অৱস্থা যেতিয়া বেয়াৰ ফালে ধাল খাব ধৰিছিল, তেতিয়া অসমৰ কিছুমান অঞ্চলত মানুহে পুখুৰী খান্দি মীন পালন কৰি জীৱিকা নিৰ্বাহ কৰিছিল। এইক্ষেত্ৰত মোৰ বৰপেটা জিলাৰ মানুহে মাটিৰ

উৰ্বৰতা শক্তি কমাৰ বাবে বানপানীত কৃষকসকল ক্ষতিগ্ৰস্থ হ'ব ধৰিছে সেইখিনি সময়ত মানুহে পুখুৰীৰ ব্যৱস্থা কৰি জীৱন নিৰ্বাহৰ ব্যৱস্থা কৰি লৈছে। কিন্তু অধ্যক্ষ মহোদয় এটা কথা পুখুৰী যেতিয়া খান্দে তেতিয়া পুখুৰীটোৰ চাৰিওপাৰে চাৰিটা বান্ধ নিৰ্মাণ কৰিব লাগে। যেতিয়া ঘৰৰ আগেৰে নাই পিছেৰে ৰাস্তা থাকে তেতিয়া ৰাস্তাকে এটা বান্ধ হিচাপে দি বাকী তিনিও ফালে তিনিটা বান্ধ দি পুখুৰী কৰে। যেতিয়া পুখুৰীত মাছৰ বাবে বিভিন্ন খাদ্য দিয়া হয় সেই খাদ্যখিনি মাটিৰ লগত মিহলি হয় আৰু মাটিৰ লগত মিহলি হোৱা বাবে মাছে মাটি বিলকা খাবলৈ আৰম্ভ কৰে। মাছে মাটি খোৱাৰ ফলত ৰাস্তা আৰু পুখুৰীৰ মাজত যিখিনি ব্যৱধান থাকে সেইখিনি কমি আহে আৰু ৰাস্তাটো পুখুৰীৰ লগত মিলি যায়। এই সমস্যাটোৰ ফলত ৰাস্তাটোৰ খহনীয়াৰ সৃষ্টি হয়। অধ্যক্ষ মহোদয়, নিয়ম অনুসৰি আমাৰ সকলো নিৰ্মাণ কাৰ্য্য ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক ঘাইপথৰ মাজৰ পৰা ১৫০ ফুট ব্যৱধান থাকিব লাগে আৰু গাঁৱৰ যিবিলাক অন্যান্য ৰাস্তা সেইবিলাকৰ ক্ষেত্ৰত ৫০ ফুট ব্যৱধান থাকিব লাগে। কিন্তু দেখা যায় মীন পালনৰ লগত জড়িত কৃষক সকলে পুখুৰীটো ৰাস্তাটোৰ ওচৰত বনাই আৰু ৰাস্তাটোকে এটা পাৰ হিচাবে ব্যৱহাৰ কৰে। গতিকে পুখুৰীসমূহ খান্দোতে যাতে ৰাস্তাৰ পৰা দূৰত্ব বজাই ৰাখি খান্দে তাৰ বাবে নিয়ম অনুসৰি আমাৰ গড়কাপ্তানি আৰু ৰাজহ বিভাগে চোৱাচিতাৰ ব্যৱস্থা কৰিব লাগে। যাতে মানুহে ৰাস্তাৰ কাষত পুখুৰী নিৰ্মাণ কৰিব নোৱাৰে। এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে নহ'লে লাহে লাহে ৰাস্তাসমূহ বেয়া হৈ যাব। গতিকে মই বিচাৰিছো পুখুৰী খান্দোতে গড়কাপ্তানি বিভাগৰ অনুমোদন লোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু ৰাজহ বিভাগে বিষয়টো চোৱা-চিতা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই ১৭ ফেব্ৰুৱাৰীৰ "কয়াকুছিৰ অধিকাংশ খহনীয়া পুখুৰীৰ বাবে সৃষ্টি হৈছে"। এই খবৰটো আমাৰ দৃষ্টিগোচৰ কৰিছে। একমাত্ৰ বৰপেটা জিলাত নহয় আমাৰ গোটেই অসমৰ বিভিন্ন ঠাইত ৰাস্তা-পদুৰ ওচৰত পুখুৰী খান্দি দিয়ে। যাৰ ফলত ৰাস্তাসমূহ বেয়া হৈ যায়। আমাৰ গড়কাপ্তানি বিভাগৰ পথ আইন, ২০১০ খন ৰুলত পৰিণত হোৱা নাই। আমাৰ চৰকাৰ অহাৰ পিছত ৰুল বনোৱাৰ বাবে ২০১৮ চনত মহেশ্বৰ পাঠক নামৰ ব্যক্তি কনচালটেন্ট হিচাপে নিযুক্তি দিছো। তেওঁ আমাৰ গড়কাপ্তানি বিভাগ প্ৰাক্তন সচিব। কেইদিন আগতে আমাৰ বিধান সভাৰ কমিটি অন চাবঅৰ্ডিনেট লেজিলেচন তেওৰ লগত লগ কৰিছে। মই মাৰ্চ-এপ্ৰিল মাহৰ ভিতৰত তেওঁ প্ৰতিবেদন দাখিল কৰিব আৰু আমি কেবিনেটে এপ্ৰুভেল দিবলৈ সক্ষম হ'ম। কথাটো এনেকুৱা হৈছে কোনোবা মানুহে নিজৰ বাবে পুখুৰী খান্দিলে আমি বাধা দিব নোৱাৰো। মোৰ সৌভগ্যক্ৰমে যে মাননীয় মুখ্যমন্ত্ৰীযে

মীন বিভাগৰো দায়িত্ব মোকে দিছে। কোনো মানুহে যদি পুখুৰী খান্দিব বিচাৰে তেতিয়া আমাৰ বিভাগৰ পৰা অনুমতি নালাগে। মীন বিভাগৰ লগত গড়কাপ্তানি বিভাগ জৰিত নহয়। মাননীয় সদস্যসকলে জানে যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জবকাৰ্ডৰ দ্বাৰা পুখুৰী খান্দে। যদি কোনো এজন মানুহৰ এক বিঘা মাটি আছে তেওঁ ঘৰ সেইখিনি মাটিতে ঘৰো বনায় আৰু পুখুৰী বনায় তেতিয়া পুখুৰীটো ৰাস্তাৰ কাষত বনাই দিয়ে। আজি-কালি কিছুমান মানুহ ব্যক্তিকেন্দ্ৰীক হৈ গৈছে - ৰাস্তাৰ লগে লগে পুখুৰী বা ৰাস্তাৰ ওপতৰ দোকান আৰু যদি কিবা কাৰণত যদি এখন মটৰ চাইকেল কিনে তেতিয়া ড্ৰেইনৰ বন্ধ কৰি ৰাস্তা বনাই ৰান্ধনী ঘৰলৈ যাব বিচাৰে। এইটো হৈছে মানুহ বিলাকৰ প্ৰৱনতা। মানুহক সকলো সুবিধা নিজে পোৱাটো বিচাৰে। এই ব্যক্তিকেন্দ্ৰীক

প্ৰৱনতাটো নোহোৱা হ'ব লাগিব তেতিয়াহে ৰাজ্যখনৰ উন্নতি হ'ব। আমি যিহেতু যাতায়ত কৰিব লাগবিই গতিকে ৰাস্তা নাথাকিলে কেনেকৈ যাম এই কথাটো মানুহ বিলাকে চিন্তা কৰা উচিত। এটা ৰাস্তা বনালে মানুহে অভিযোগ কৰে যে ৰাস্তাটো বনোৱাতে ইমান সময় লাগিছে সাত- আঠ বছৰ। এই দেৰি হোৱাৰ কাৰণ ঠিকাদাৰ নহয়। ঠিকাদৰসকলে বিভিন্ন বাধাৰ সম্মুখীন হ'ব লগা হয়। মানুহ বিলাক দল বান্ধি আহে। মাননীয় অধ্যক্ষ মহোদয় ৰাস্তা হৈছে অতি গুৰুত্বপূৰ্ণ আৰু মই বিভাগৰ পৰা দৃষ্টি ৰাখিছো কেনেকৈ কাম কৰিব পাৰো। ইয়াৰ লগতে মাননীয় সদস্যগৰাকীয়ে ৰাজহ্‌ বিভাগৰ কথা কৈছে। হয় ৰাজহ বিভাগৰ এটা লিমিটেচন আছে। আপোনাৰ সমষ্ঠিত ১২২ টা এছ.ডি.আৰ.এফৰ প্ৰস্তাৱ ৰাজহ বিভাগে পঠাইছে। ইয়াৰ ভিতৰত ২১ টা আঁচনি অনুমোদন হৈছে। এইখিনি কাম কৰিলে অন্তত কিছু ৰাস্তাৰ মেৰামতিৰ কাম কৰিব পৰা যাব। চাৰ, যোৱা বছৰত তিনিবাৰ বানপানী হৈছে। আমি আগতে দেখিছো ৰাজহ বিভাগে এছ.ডি.আৰ.এফত ৫-৭-১০ কোটি দিছিল কিন্তু এইবাৰ ৰাজহ বিভাগে ৭৫ কোটি টকা মুকলি কৰি দিছে। ইয়াৰ জৰিয়তে কিছুমান কাম কৰিব পাৰিম। আগতে ৰাহজ বিভাগে এক কিলোমিটাৰ বাবে ৬০ হাজাৰ টকা দিছিল কিন্তু এইবাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ১৫ লাখ টকাকৈ দিবলৈ নিৰ্দেশ দিছে। আমাৰ প্ৰজেক্ট লোৱা হৈছে গতিকে কিছুমান কাম হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীআমিনুল ইছলাম আপুনি ইমান অনুৰোধ জনাইছে যেতিয়া চমুকৈ কওক।

**শ্ৰীআমিনুল ইছালম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ যি ঠাইত পুখুৰীয়ে ৰাস্তা ভাঙি পেলাইছে তাত বিভাগৰ ফালৰ পৰা কেছ কৰিবলৈ কৈছিলো। কিন্তু এছ.অ'য়ে কয় এছ.ডি.অ'ক এছ.ডি.অ'ই কয় কাৰ্য্যবাহী অভিযন্তাক কোনেও কেছ নকৰে কাৰণ হাজিৰ হৈ থাকিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তাৰ পৰা পুখুৰী ১০-১৫ ফুট দুৰত পাৰ বান্ধি কৰাটো বাধ্যতামূলক কৰি এখন আইনৰ ব্যৱস্থা কৰিব লাগে আৰু যিয়ে নিয়ম নামানে তেওঁলোকৰ ওপৰত কেছ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আমিনুল ইছলাম ডাঙৰীয়া তেখেতে কৈছে যে ৰাস্তাৰ পৰা কিমান দূৰত সাজিব লাগে, তাৰ হয়তো কিবা নিয়ম আছে । তথাপিও আপোনাৰ পৰামৰ্শটো আছে।

**শ্ৰী পৰিমল শুক্ল বৈদ্য, মন্ত্ৰী (গড়কাপ্তানী)** ঃ অধ্যক্ষ মহোদয়, আমাৰ Rural Roads.ৰ কাৰণে ২৫ মিটাৰ হয়.। ২৫ মিটাৰ আৰু ২৫ মিটাৰ ৫০ মিটাৰ আৰু State Highway ৰ এনেয়ে ৪৫মিটাৰ হয়। From the mid point of Road.ইয়াৰ বাহিৰতো আমি কথাও ক'ব নোৱাৰো। এইটোৰে আমাৰ অসুবিধা।

**মাননীয় অধ্যক্ষ ঃ** এইখিনিও আমাৰ ৰক্ষা নহয়। আজিকালি Compansation বিচাৰে মানুহে, হুলস্থূল লগাই। আজিকালি বেছি ভাগ মানুহ স্বাৰ্থপৰ হৈছে। এতিয়া বাৰিষা আহিব। গেটখন আগলৈ নি Drainটো বন্ধ কৰি দিয়ে। আমাৰ যোৰহাটখন শিক্ষিত মানুহৰ নগৰ বুলি কয়। মই তাতে দেখিছো, ক'লে বেয়া পায়। উপায় নাই। এতিয়া গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, বিধায়ক (মঙ্গলদৈ) ঃ** ধন্যবাদ। আপুনি এটা বৰ গুৰুত্বপূৰ্ণ বিষয় এই শূন্যকালীন ঘণ্টাত উপস্থাপন কৰিব দিয়াৰ বাবে ধন্যবাদ জনাইছো "পথৰু ঘাটৰ কৃষক বিদ্ৰোহ " এইটো সকলোৱে আমি জানো যে পথৰু ঘাটৰ কৃষক শ্বহীদ হৈছিল। তেওঁলোকে ইংৰাজৰ শাসনত আছিল আৰু সেই সময়ত মাটিৰ খাজনা বৃদ্ধি কৰাৰ লগে লগে এক বিদ্ৰোহ আৰম্ভ কৰিছিল। সকলো ৰাইজৰ স্বাৰ্থৰ খাতিৰত তেওঁলোকে বুকু আগবঢ়াই দিছিল। এতিয়া কথা হ'ল যে ৰাষ্ট্ৰীয়

পৰ্য্যায়ত বা আমাৰ অৰ্থনৈতিক অৱস্থাত কৃষক সকলৰ যি বৰঙণি ইয়াৰ কোনো তুলনা নাই। আজি পৰ্য্যন্ত সেই পথৰু ঘাটৰ শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰায় স্বাধীনতা আন্দোলনৰ ৭০ বছৰ হৈ গ'ল চৰকাৰে একো কৰা নাছিল বিগত বছৰ পৰ্য্যন্ত। কিন্তু একালৰ ৰাজ্যপাল প্ৰয়াত এচ কে সিন্হা দেৱৰ উদ্যোগত যি ধৰণে ২০০০ চনত এক শ্বহীদ স্মাৰক বনোৱা হৈছিল। তাৰ পিছত তেনেকুৱা একো কাৰ্য্যসূচী লোৱা হোৱা নাছিল। কিন্তু আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই যোৱা বছৰ ৰাজ্যিক ভিত্তিত চৰকাৰী ভাৱে শ্বহীদ দিৱস উদযাপন কৰা হৈছিল। তাৰ লগে লগে আমাৰ চৰকাৰ খনে কৃষকসকলৰ উন্নয়ণৰ কাৰণে এক কৃষক প্ৰশিক্ষণ কাৰ্য্যসূচী প্ৰায় ২ কোটি টকা আৰু কৃষি বিভাগৰ পৰা প্ৰায় ৫ কোটি টকা অনুমোদন জনোৱা হৈছিল। কিন্তু পৰিতাপৰ কথা যে জালিয়ানাবালাবাগৰ হত্যাকাণ্ড ১৯১৯ চনত হৈছিল। এই জালিয়ানাবালাবাগৰ হত্যাকাণ্ড ভাৰতবৰ্ষত বা ৰাষ্ট্ৰীয় পৰ্য্যায়ত চৰ্চা লাভ কৰিছিল। আটাইতকৈ ডাঙৰ কথা যে আমাৰ ১৮৬১ চনত নগাঁওৰ ফুলগুৰি, ১৮৯৪ চনত ৰঙিয়াত আৰু ১৮৯৬ চনতো কৃষক বিদ্ৰোহ হৈছিল। ১৮৯৪ চনত এই পথৰুঘাটৰ কৃষক বিদ্ৰোহ প্ৰায় ৭কুৰি শ্বহীদৰ প্ৰাণ গৈছিল আৰু সেই পথৰুঘাটৰ ৰণ। জালিয়ানাবালাবাগতকৈ কম নাছিল। পথৰু ঘাটৰ বিদ্ৰোহৰ প্ৰায় ২৫ বছৰ পাছত জালিয়ানাবালাবাগৰ কৃষক বিদ্ৰোহ হৈছিল। কিন্তু অতি পৰিতাপৰ কথা যে পথৰুঘাটৰ ৰণৰ কোনো কথাই ভাৰত বুৰঞ্জী বা NCERT ত এতিয়ালৈকে সন্নিবিষ্ট নহ'ল। মই অসমৰ দৰঙৰ সু-সন্তান হিচাপে আজি এই সদনত উপস্থাপন কৰিবলৈ পাই গৌৰৱবোধ কৰিছো আৰু আপোনাকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। কিন্তু আমাৰ চৰকাৰখনৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেটত শ্বহীদ সকলৰ প্ৰতি সন্মান জনাই কৃষকসলকৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে। গতিকে মন্ত্ৰী ডাঙৰীয়াক তথা আমাৰ চৰকাৰখনক অনুৰোধ জনাম যে ভাৰত বুৰঞ্জীত পথৰুঘাটৰ বিদ্ৰোহে এক স্থান পাব লাগে আৰু NCERT ত এটা Chapter ত এই পথৰুঘাটৰ বিদ্ৰোহৰ এটা Chapter থাকিব লাগে। এই বিষয়টোৰ ওপৰত আমাৰ বিশেষ বিজ্ঞানী তথা অৰ্থনীতিবিদ তথা সমাজ বিদ তথা আমাৰ উচ্চ পৰ্য্যায়ৰ বিশেষজ্ঞ মিলি আলোচনা কৰিব লাগে। কাৰণ প্ৰায় সাতকুৰি শ্বহীদৰ নাম এতিয়ালৈকে ওলোৱা নাই। শ্বহীদ পৰিয়াল সকলে এতিয়ালৈকে একো পোৱা নাই। তাৰ বাবে এক ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু পথাৰু ঘাটৰ ৰণে যাতে ভাৰত বুৰঞ্জী তথা NCERT ত স্থান পায়। ধন্যবাদ।

**শ্ৰী নৱ কুমাৰ দলে,মন্ত্ৰী (সংস্কৃতি আৰু পৰিক্ৰমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গুৰুজ্যোতি দাস ডাঙৰীয়াই যি বিষয় ডাঙি ধৰিছে, সেই বিষয়টো আমাৰ বিভাগৰ নহয়। সেই বিষয়টো শিক্ষা বিভাগৰ। মাননীয় অধ্যক্ষ মহোদয়ে বিষয়টোৰ গুৰুত্ব বুজি শিক্ষা বিভাগক পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ জনালো।

**মানীয় অধ্যক্ষ ঃ** ধন্যবাদ। আচলতে ময়ো বিষয়টো আপুনি কওঁতে চালো। এইটো সাংস্কৃতিক বিভাগৰ লগত জড়িত নহয়। তথাপি যিহেতু বিষয়টোৰ গুৰুত্ব আছে কাৰণে মই দিছিলো আৰু শিক্ষা মন্ত্ৰী এই মূহুৰ্ত্তত ইয়াত নাই। কাৰণ তেওঁ বাজেটত জড়িত হৈ আছে, সেইকাৰণে আহিব পৰা নাই। গতিকে এই বিষয়টো মই জনাম আৰু সাত দিনৰ পিছত ইয়াৰ উত্তৰ সদনত দিব। এতিয়া তেৰছ গোৱালা ৰুলচ ৫৪। আপুনি ৫ মিনিটতকৈ বেচি দেৰি নকৰিব।

**শ্ৰী তেৰছ গোৱালা,বিধায়ক (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ ৫৪ নং নিয়মৰ অধীনত ২০১৮ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "অসমত আজিও বলৱৎ নহ'ল চৰকাৰী ভাষা আইন" শীৰ্ষক বাতৰিটোৰ প্ৰতি গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ক মনোযোগ আকৰ্ষণ কৰিবলৈ দিয়াৰ

বাবে আপোনাক ধন্যবাদ জনাইছো। মই কোনোবা মহান ব্যক্তিৰ লিখনিত পঢ়িছো যে যি জাতিৰ ভাষা নাই, সেই জাতিৰ কৃষ্টি নাই, ই জাতি হ'ব নোৱাৰে। গতিকে ভাষা এনেকুৱা এটা অবিচ্ছেদ্য অংগ যে ভাষাৰ অবিহনে এটা জাতি কেতিয়াও পূৰ্ণাংগ পৰিচয় দাঙি ধৰিব নোৱাৰে। যোৱা ২০১৮ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখৰ বাতৰিটো পঢ়ি অসমীয়া মানুহ হিচাপে মই শংকিত হৈ পৰিলো। আৰু মই অধ্যয়ন কৰি গম পালো যে আচলতে অসমীয়া ভাষা চৰকাৰী ভাষা হিচপে প্ৰনয়ণ কৰা বাবে এই পৱিত্ৰ সদনত ১৯৬০ চনত এক আইন প্ৰনয়ণ কৰা হৈছিল। মই যদি কওঁ যে ১৯৬০ চনৰ পৰা আজিলৈকে অসমত স্বাক্ষৰিত অসমীয়া মনুহৰ সংখ্যা বাঢ়িলে কিন্তু মই অনুভৱ কৰো সেই হিচাপে অসমীয়া ভাষাক সন্মান আৰু মৰ্য্যদা নিদিলে। আজিৰ পৰা ২১ বছৰ আগতে এগৰাকী মিশ্যনাৰী পণ্ডিত Reverent মাইলচ ব্ৰনচন, যি অসমীয়া অভিধান প্ৰকাশ কৰা প্ৰথমজন ব্যক্তি আছিল। তেওঁ অসমীয়া ভাষাক নৈৰ পানীৰ সৈতে তুলনা কৰিছিল আৰু অভিধান খনৰ পাতনিতে লিখিছে যে, "অসমীয়া ভাষা ব্ৰহ্মপুত্ৰ নদীৰ সোঁতৰ নিচিনাকৈ ৰাইজৰ মাজত একেদৰে চলি আছে আৰু আগলৈকে চলি থাকিব"। কিন্তু আজিৰ পৰা প্ৰায় ১৫১ বছৰ আগতে এগৰাকী মিশ্যনাৰৌ দাৰ্শনিকে কোৱাৰ পিছতো আজিৰ তাৰিখত কিন্তু অসমীয়া ভাষা সংকটপূৰ্ণ হৈ আছে।

মইঅধ্যয়ন কৰি দেখিছো যে অসমীয়া ভাষা প্ৰচলন কৰাৰ ক্ষেত্ৰত চৰকাৰীভাৱে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা দেখা গৈছে কিন্তু ইয়াক সাৰ্বজনীন ৰূপত এতিয়ালৈকে আমি প্ৰয়োগ কৰিব পৰা নাই। তথ্যমতে অসম চৰকাৰে ভাষা আইন প্ৰৱৰ্তন কৰাৰ ৫৭ বছৰ হ'ল, কিন্তু চৰকাৰীভাৱে সাৰ্বজনীন ৰূপত অসমীয়া ভাষা ব্যৱহাৰ হোৱা নাই।১৯৬০ চনৰ ১৭ ডিচেম্বৰ তাৰিখে তেতিয়াৰ ৰাজ্যপালে এই আইনক অনুমোদন জনাইছিল। বৰ্তমান অসমত অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা ৫০ শতাংশতকৈও কম। পৃথিৱীৰ ভিতৰত অসমীয়া ভাষা কোৱা সংখ্যা ১০০ৰ ভিতৰত ৬৫ নং স্থানত অসম আছে বুলি তথ্যই কয়। তথ্যমতে ১কোটি ৪৬ লাখ ৩৪ হাজাৰ অসমীয়া ভাষা কোৱা লোক আছে। প্ৰাপ্ত তথ্যমতে, বিশ্বৰ ৭০০০টা ভাষাৰ ৫০ শতাংশ ইতিমধ্যে অকাল মৃত্যু হৈছে। মুঠ জনসংখ্যাৰ মাত্ৰ ৪ শতাংশ লোকৰ মাজত পৃথিৱাৰ ৯৬ শতাংশ ভাষা প্ৰচলিত আছে। তথ্যমতে, প্ৰতি এপষেকৰ মূৰে মূৰে পৃথিৱীৰ কোনো নহয় কোনো এটা প্ৰান্তত এটা ভাষাৰ অপমৃত্যু হৈ আছে। বৰ্তমান পৃথিৱীত ১০০টা মান ভাষাহে শিক্ষাৰ মাধ্যম আৰু অন্যান্য কাম-কাজত মৰ্য্যদা সহকাৰে প্ৰচলিত, ডিজিটেল কাম-কাজত ইয়াতকৈও কম ভাষাহে ব্যৱহাৰ হয়। ইউনেস্কোৰ তথ্যমতে ভাৰতবৰ্ষত ৪২টা ভাষা-উপভাষাই বিপদাপন্ন হৈ আছে। ৪২টা ভাষা কোৱা লোকৰ সংখ্যা ১০ হাজাৰৰো কম। ভাৰতবৰ্ষৰ বিপদাপন্ন ভাষাৰ ভিতৰত অসমৰ দুটা ভাষাৰ কথা উল্লেখ কৰিছে। লোকপিয়লৰ তথ্যমতে১৬৩৫ টা ৰেচনেলাইজ্‌দ মাতৃভাষা, ২৩৪ টা আইডেন্টিফিয়েব্‌ল মাতৃভাষা আৰু ২২ টা প্ৰধান ভাষা আছে। পৃথিৱীৰ ভাষা-উপভাষাৰ প্ৰতি অহা সংকটৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰসংঘই ২০০০ চনৰ পৰা ২১ ফেব্ৰুৱাৰী দিনটো আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস হিচাপে পালন কৰি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ বাবে বা ব্যৱহাৰৰ বাবে অসমত ভাষা আন্দোলন হৈছিল আৰু বহুকেইগৰাকী অসমীয়া মানুহে অকাল মৃত্যুক সাৱতি ল'বলগীয়া হৈছিল। তাৰ পিছত আজি আমি পুনৰ দেখিছো, যি পৱিত্ৰ বিধান সভাত চৰকাৰী ভাষা হিচাপে অসমীয়া ভাষাক আমি ব্যৱহাৰৰ বাবে আইন প্ৰনয়ণ কৰিছিলো,সেই পৱিত্ৰ বিধান সভাটো কিন্তু আমি অসমীয়া ভাষাক বহু সময়ত অৱজ্ঞা কৰি আহিছো। সেই কাৰণে মই কওঁ যে এগৰাকী অসমীয়া মানুহ হিচাপে, অসমৰ ভৌগলিক সীমাৰ ভিতৰত থকা বহু জাতি, জনগোষ্ঠীয়ে নিজস্ব

স্বীকৃত ভাষা ব্যৱহাৰ কৰি আছে। আমি অসমীয়া ভাষাক সাৰ্বজনীন ৰূপত যাতে ব্যৱহাৰ কৰিব পাৰো তাৰ কাৰণে মই চৰকাৰক আহ্বান জনাইছো। বিভিন্ন চৰকাৰী পদক্ষেপসমূহ অধ্যয়ন কৰি মই নিজেই হতাশ হৈছো। ১৯৬০ চনৰ ১৭ ডিচেম্বৰ তাৰিখে যদিও অসমত চৰকাৰী ভাষা আইন গৃহীত হৈছিল, ১৯৬৪ চনৰ ৩১ জুলাইৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা বলবৎ কৰাৰ কথা জনা যায়। প্ৰথম পৰ্যায়ত আঞ্চলিক পঞ্চায়ত, উন্নয়ন খণ্ড আৰু মহকুমা পৰ্য্যায়ত অসমীয়া ভাষা চৰকাৰী যোগাযোগৰ বাবে ব্যৱহাৰ কৰাৰ কথা জনা যায়। ১৯৬৬ চনৰ ১৫ এপ্ৰিলৰ পৰা দ্বিতীয় পৰ্য্যায়ত , ৰাজ্যিক পৰ্য্যায়ত অসমীয়া ভাষা ব্যৱহাৰ কৰা হয়। ১৯৬৬ চনৰ ৪ ডিচেম্বৰৰ পৰা এক অধ্যাদেশৰ জৰিয়তে চৰকাৰী মুৰব্বী পৰ্যায়ত অসমীয়া ভাষা ব্যৱহাৰ কৰাৰ নিৰ্দেশ দিয়াৰ তথ্যও আছে। ১৯৭০ চনৰ ২ ডিচেম্বৰৰ পৰা অসম চৰকাৰৰ সচিবালয় পৰ্য্যায়ৰ সকলো কামতে সম্পূৰ্ণৰূপে অসমীয়া ভাষা প্ৰয়োগ কৰিবলৈ অধ্যাদেশ জাৰি কৰাৰ কথাও তথ্যমতে জনা যায়। মাননীয় উপাধ্যক্ষ মহোদয়, ইমানবোৰ প্ৰক্ৰিয়া শেষ হোৱাৰ পিছতো আজি অসমীয়া ভাষাৰ এনেকুৱা অৱস্থা কিয় ? আজি আমাৰ অসমীয়া ভাষাৰ প্ৰতি ইমান অনীহা কিয় ? স্বাভাৱিকতে মই ক'ম যে- অসমীয়া ভাষা আমাৰ স্বাভিমান। অসমীয়া ভাষা আমি ভাৰতবৰ্ষৰ বুকুত প্ৰতিষ্ঠিত কৰিব লাগিব। মই বহুকেইখন ৰাজ্যৰ তথ্য চাই দেখিছো যে- তেওঁলোকে নিজৰ নিজৰ ৰাজ্যিক ভাষা কঠোৰভাৱে ব্যৱহাৰ কৰি আহিছে। কিন্তু আমি আইন প্ৰণয়ন কৰাৰ পিছতো সাৰ্বজনীনভাৱে, মাধ্যম হিচাপে অসমীয়া ভাষাটো কিয় প্ৰচলন কৰিব পৰা নাই মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ কৰিলোঁ।

**শ্ৰীআব্দুল খালেক, বিধায়ক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা ইয়াত যোগ দিব বিচাৰিছোঁ। মাননীয় সদস্য টেৰছ গোৱালাই অত্যন্ত গুৰুত্বপূৰ্ণ কথা কৈছে । আমাৰ সদনৰ নেতা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আছিল। তেখেত সভাপতি থাকোতে ময়ো সেই সংগঠনত আছিলো। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত ভাষা আইন হৈছিল, ভাষাপ্ৰয়োগ সঞ্চালকালয় হ'ল, কিন্তু ভাষা আইনখন যিদৰে বলবৎ হ'ব লাগিছিল, সেইদৰে নহ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, দিশপুৰ, লাষ্টগেটত যিটো ভাষাপ্ৰয়োগ সঞ্চালকালয় আছে তাৰ অৱস্থা অতি শোচনীয়। মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছোঁ যে তেখেতে সেই সঞ্চালকালয়টো এবাৰ ভিজিট কৰিব লাগে আৰু সষ্টম কৰি তুলিব লাগে। আমাৰ বিধান সভাৰো এখন ভাষা আইন আছে। বিধান সভাত যিবোৰ আইন গৃহীত হয়,সেইবোৰ ৰাজ্যৰ সকলো ভাষা অসমীয়া, বড়ো, বঙালীভাষাত অনুদিত হ'ব লাগে। কিন্তু দুৰ্ভাগ্যজনক ভাৱে বিধান সভাত এইবোৰ নাই। বিধান সভাত গৃহীত আইনবিলাক যাতে অসমীয়া, বড়ো আৰু বৰাক উপত্যকাৰ লোকৰ বাবে বাংলা ভাষাত অনুদিত হয় এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'বলৈ মই অনুৰোধ কৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৫৪ নং নিয়মৰ অধীনত আমাৰ মাননীয় সদস্য শ্ৰীটেৰছ গোৱালা ডাঙৰীয়াই চৰকাৰী ভাষা আইন আজিও অসমত প্ৰৱৰ্তন নোহোৱাৰ পৰিপ্ৰেক্ষিতত তেখেতৰ যিটো কনচাৰ্ণ আৰু খালেক ডাঙৰীয়াই যিটো কথা কৈছে সেই সম্পৰ্কত চৰকাৰ একমত। চৰকাৰে নিশ্চয় এই কথাটোত গুৰুত্ব দিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই মুখ্যমন্ত্ৰী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ দুবছৰ পূৰ্ণ হোৱাই নাই। অসম এখন সমস্যাবহুল ৰাজ্য। আমাৰ এন আৰ চি আছে, ইণ্ডো-বাংলা-ব'ৰ্ডাৰ চিলিং আছে। সামগ্ৰিকভাৱে অসমৰ জনসাধাৰণক বিদেশীমুক্ত,প্ৰদূষণমুক্ত,দুৰ্নীতিমুক্ত,সন্ত্ৰাসমুক্ত এই চাৰিটা

বিন্দুত আমাৰ চৰকাৰখনে কাম কৰি আছে। মাননীয় মুখ্যমন্ত্ৰীয়ে বিভিন্ন দিশত অসমৰ ৰাইজৰ কাৰণে ব্যস্ততাৰে কাম কৰি আছে আৰু তেখেতৰ নেতৃত্বতে অসমলৈ আজি পৰিৱৰ্তন আহিছে। গতিকে তেখেতৰ নেতৃত্বতে এই ভাষা আইনখনৰো প্ৰয়োগ হ'বই। গতিকে শ্ৰী খালেক ডাঙৰীয়া আৰু শ্ৰীটেৰছ গোৱালা ডাঙৰীয়াই যিটো কথা কৈছে তেখেতৰ নেতৃত্বতে এই আইন বলবৎ কৰাৰ ব্যৱস্থা নিশ্চয় কৰা হ'ব আৰু দুটামান কথা উল্লেখ কৰিব বিচাৰিছো। যোৱা ইংৰাজী ২১ -০২-২০১৮ তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত অসমত এতিয়াও বলবৎ নহ'ল চৰকাৰী ভাষা আইন শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। প্ৰকাশিত বাতৰি শিৰোনামাত অসমত চৰকাৰী ভাষা আইন বলবৎ নোহোৱা বুলি কোৱাটো সত্য নহয়। কিয়নো ১৯৬০ চনৰ ১৭ ডিচেম্বৰত ৰাজ্যখনৰ সন্মতিসাপেক্ষে অসমত চৰকাৰী ভাষা আইন ১৯৬০ গৃহীত হয়। আৰু ১৯৭০ চনৰ ১৯ ডিচেম্বৰত, অসম নিয়মাৱলী ২৪ নম্বৰ অনুসৰি চৰকাৰী ভাষা আইন অনুসৰি সমূহ বিধি কাৰ্যকৰীকৰণ বা বলবৎ কৰা হৈছে। অসম চৰকাৰৰ অশ্ৰদ্ধা আৰু অৱহেলা আৰু উদাসীনতাৰ বাবে অসমীয়া ভাষা অৱহেলিত হোৱা বুলি কোৱা কথাটো সত্য নহয়। অসমত চৰকাৰী ভাষা প্ৰয়োগৰ আঁচনিসমূহ ৰূপায়ন কৰাৰ বাবে ৰাজনৈতিক বিভাগৰ অধীনত সংলগ্ন কাৰ্য্যালয় হিচাপে চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকালয় সৃষ্টি কৰা হৈছে। আৰু এই ডাইৰেক্টৰেটে, চৰকাৰী ভাষা আইন প্ৰয়োগ সম্পৰ্কীয় সকলো আঁচনি কাৰ্যকৰী কৰি আহিছে। গতিকে সঞ্চালকালয়ৰ কাম কাজ স্থবিৰ হোৱাটো সত্য নহয়। চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকালয়ে জন্ম লগ্নৰে পৰা ১৯৬০ চনত প্ৰনয়ণ কৰা চৰকাৰী ভাষা আইনখন চৰকাৰী কাৰ্য্যালয়সমূহত প্ৰয়োগ কৰা কাৰনে সময়ে সময়ে ৰূপায়ন কৰি অহা বিভিন্ন আঁচনিসমূহ তলত দিয়া হ'ল। ১ নং চৰকাৰী কৰ্মচাৰীসকল যাতে অসুবিধাত নপৰে ইয়াৰ বাবে বিভিন্ন কিতাপ মুদ্ৰন আৰু পুনৰ মুদ্ৰন কৰি কৰ্মচাৰী তথা বিষয়াবৰ্গক বিনামূলীয়াকৈ যোগান ধৰা হৈছে। কাৰ্য্যালয়ৰ হাত পুথি, চলন্ত অভিধান, প্ৰশাসনীয় পৰিভাষা,পঞ্চ বাৰ্ষিক পৰিভাষা, সংক্ষিপ্ত পৰিভাষা, আইন ১৯৬০ আদি কৰি ৰাইজৰ মাজত মুদ্ৰণ কৰি ৰাইজৰ মাজত মোকলাই দিয়া হৈছে । এই সন্দৰ্ভত ভাষা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত যাতে বিষয়া কৰ্মচাৰীসকলক ওচৰ চপাই আনিব পৰা যায় । ইয়াৰ বাবে সময়ে সময়ে জাননী, অধিসূচনা, কাৰ্য্যালয়ৰ স্মাৰকপত্ৰ আদি সকলো চৰকাৰী কাৰ্য্যালয়ত প্ৰেৰন কৰা হৈছে। এই ক্ষেত্ৰত চৰকাৰী কৰ্মচাৰী লগতে বিষয়াবৰ্গও ভাষা প্ৰয়োগ কৰাৰ বাবে আগবাঢ়ি অহাটো পৰিলক্ষিত হৈছে। অসমৰ জিলা আৰু মহকুমা পৰ্য্যায়ত ভাষা প্ৰয়োগ কৰ্মশালা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি অহা হৈছে। এই আঁচনি ৰূপায়ন কৰাৰ ক্ষেত্ৰত বিষয়া কৰ্মচাৰীসকলৰ অংশগ্ৰহন মন কৰিবলগীয়া। এই আলোচনা চক্ৰ, কৰ্মশালা সমূহত উপস্থিত থকা বিষয়া- কৰ্মচাৰীসকলৰ মতামত দিহা পৰামৰ্শ আদি গ্ৰহন- কৰি সেইমতে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অনুৰূপ ভাবে, জিলা- মহকুমা- চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়সমূহতো ডাঙৰ ডাঙৰ হৰ্ডিং-বোৰ্ড স্থাপন কৰা হৈছে। ইয়াত প্ৰচাৰমূলক বাক্য লিখি জনসাধাৰনৰ ওচৰ চপাই অনাৰ বাবেও প্ৰচেষ্টা হাতত লোৱা হৈছে। বাতৰি টো উল্লেখ কৰা ধৰনে যদিও বিশ্বত ১০০ টা ভাষাৰ ভিতৰত অসমীয়া ভাষাৰ স্থান ৬৫ নং স্থানত আছে তেনেহ'লে এয়া আমাৰ বাবে সু খৱৰ। কিয়নো বিশ্বত প্ৰায় সহস্ৰাধিক ভাষা আছে। হাজাৰ হাজাৰ ভাষা আছে। গতিকে আমি যদি ৬৫ নং স্থানত আছো, তেনেহ'লে এয়া আমাৰ বাবে সুখৰ খৱৰ। কাৰণ বিশ্বত সহস্ৰাধিক সৰু বৰ ভাষা আছে। অসমৰ দৰে এখন বহু ভাষী ৰাজ্যত অসমীয়া ভাষাৰ স্থান বিশ্বৰ ভাষাৰ ভিতৰত থকাটো গৌৰৱৰ বিষয়। গতিকে উপাধ্যক্ষ মহোদয়, এইখিনি আমি চৰকাৰৰ তৰফৰ পৰা কৈছো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ

ভাষা আইন প্ৰয়োগৰ ক্ষেত্ৰত তেখেতৰ নেতৃত্বত আমাৰ এই ভাষা আইন প্ৰয়োগৰ ব্যৱস্থা লোৱা হ'ব কিন্তু প্ৰশ্নটো হৈছে কি যে তেখেত মুখ্য মন্ত্ৰী হোৱাৰ সময়ত আমাৰ বহু সমস্যা লৈ তেখেত মুখ্যমন্ত্ৰী হ'ব লগীয়া হৈছে। গতিকে আমি মৌলিক সমস্যাসমূহ সম্বোধন কৰিব লাগিব তাৰ লগে লগে ভাষাটো ৰক্ষা কৰিব লাগিব। সেই কাৰণে উপাধ্যক্ষ মহোদয় এই খিনি চৰকাৰৰ ফালৰ পৰা বিবৃতি।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থঃ** উপাধ্যক্ষ মহোদয়, মই এটা বস্তু সংযোগ কৰিব বিচাৰিছো। বেংগলী ভাষাটো ভাৰতৰ ভিতৰত চেকেণ্ড লেংগুৱেজ উপাধ্যক্ষ মহোদয়। বৰাক ভেলীৰ ক্ষেত্ৰত বেংগলী ভাষা হ'ব লাগে তাৰ বাবে আমি মুখ্যমন্ত্ৰী আৰু চৰকাৰক ধন্যবাদ জনাইছো, কিন্তু প্ৰকৃত অৰ্থত বহুখিনিত বলবৎ নহয়। চাৰ্কোলাৰযিখিনি যায় সেইখিনি বেলেগত গুছি যায়। এইটো ক্ষেত্ৰত আমি চৰকাৰক অনুৰোধ কৰিবলৈ বিচাৰিছো।

যিহেতু বিশ্বত আমাৰ বেংগলী Seventh লেংগুৱেজ। বৰাক উপত্যকাত বেংগলী বলবৎ কৰাৰ ক্ষেত্ৰত চৰকাৰ যাতে কঠোৰ হয় মই অনুৰোধ জনাইছো।

**শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো ক'লে- আলোচনা চক্ৰ, সভা-সমিতি ভাষা প্ৰয়োগ লৈ হয়। হ'ব পাৰে কাৰন এতিয়া লৈকে শুনা নাই। আগতেও মই ৫ বছৰ কাল বিধায়ক আছো। এতিয়াও ২ বছৰ হ'ল। মই কোনো চৰকাৰক দোষাৰোপ কৰিব খোজা নাই। বৰ্ত্তমান চৰকাৰকো দোষাৰোপ কৰিব খোজা নাই। চৰকাৰক সময়ো দিব লাগিব। আমি সকলো কথাত বোকা ছটিওৱাৰ পক্ষপাতি নহয়। জাতীয় প্ৰশ্নত আমি একমত হ'ব লাগিব। যিহেতু মুখ্যমন্ত্ৰী মহোদয় সদনত আছে। তেখেতে যদি আশ্বাস দিয়ে এই ক্ষেত্ৰত তেখেতে কাঢ়া ব্যৱস্থা ল'ব যাতে ভাষা প্ৰয়োগ হয়। অসমীয়া ভাষাৰ সুপ্ৰয়োগ হয়-- আজি উত্তৰ প্ৰদেশ, বিহাৰত তেওঁলোকৰ চৰকাৰী নিৰ্দ্দেশসমূহ হিন্দী ভাষাত হয় গতিকে আমাৰ গোটেইখিনি নহলেও অন্তত দুই চাৰিটা চৰকাৰী নিৰ্দেশ অসমীয়া ভাষাত হ'ব লাগে। গতিকে যদি মুখ্যমন্ত্ৰী মহোদয়ে সদনত এটা আশ্বাস দিয়ে আমি ভাল পাম।

**মাননীয় উপাধ্যক্ষ ঃ** বিষয়টো এটা চিৰিয়াচ মেটাৰ কিন্তু কথা হ'ল, ইউ পি , বিহাৰ যেনেকুৱা আছে বা চাউথ ইণ্ডিয়াত তাত চলি আছে লোকেল লেংগুৱেজ কিন্তু আমাৰ ইয়াতে আগতে আপুনি ভাবি চাওঁক আমাৰ মেম্বাৰ যিমান আছে আমাৰ লৰা ছোৱালী কোনটো মিডিয়ামত পঢ়ি আছে। অসমীয়া বা বেংগলী মিডিয়ামত পঢ়ে সেইটো আগতে কনফাৰ্ম কৰক আপুনি তাৰ পিচত ভাষা প্ৰেম দেখুৱাব।

**শ্ৰীআব্দুল খালেকঃ** উপাধ্যক্ষ মহোদয়, আমাৰ কাৰোবাৰ লৰা ছোৱালী অসমীয়া-বেংগলী মিডিয়ামত নপঢ়ে বুলিয়ে ৰাজ্যৰ সৰহ সংখ্যক লৰা ছোৱালী যিটো ভাষাত পঢ়ে আমি আমাৰ মাতৃ ভাষাটোক এনকাৰেজ কৰিব নালাগিব নেকি উপাধ্যক্ষ মহোদয়? অসমীয়া আমাৰ identity। আমি আমাৰ মাতৃভাষাক encourage কৰিব লাগিব অধ্যক্ষ মহোদয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** উপাধ্যক্ষ মহোদয়, এই কথাটোক লৈ কনট্ৰভাৰ্চি হ'ব লগীয়া কি কথা আছে? চৰকাৰেতো কথাটো clear কৰিলে। এটা কথা মই উপাধ্যক্ষ মহোদয়, পৃথিৱীত কোন ভাষাৰ স্থান, কোন স্থানত আছে সেইটো ডাঙৰ কথা নহয়। মাতৃভাষা কাক কয় জাননে উপাধ্যক্ষ মহোদয়, সপোন দেখিলে মানুহে যিটো ভাষাত কথা পাতে সেইটোৱে মাতৃ ভাষা। ফ্ৰান্স ভাষাতো আমি অসমীয়া মানুহে সপোন নেদেখো উপাধ্যক্ষ ডাঙৰীয়া। গতিকে সকলোৰে মাতৃ ভাষাৰ প্ৰতি সন্মান আছে আৰু প্ৰত্যোকজনে নিজৰ নিজৰ

মাতৃভাষাক সন্মান কৰে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৩ আমাৰ ৩০১ স্পিচিয়েল Motionৰ অধীনত আমাৰ শ্ৰীমতী নন্দিতা দাসে উত্থাপন কৰিব বিছৰা "মেঘালয় ভোটিং চেন্টাৰছ ইন থ্ৰি আছাম স্কুলছ" শীৰ্ষক বিষয়টোৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো। কেৱল সময়ৰ প্ৰতি নজৰ কৰিব।

**শ্ৰীমতী নন্দিতা দাসঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২৭ ফেব্ৰুৱাৰীৰ "দি চেন্টিনেল" বাতৰি কাকতত প্ৰকাশিত এটা নিউজ সেইটো হৈছে মেঘালয় ভোটিং চেন্টাৰ ইন থ্ৰি স্কুলছ এই বিষয়টো অসম বিধান সভাৰ নিয়ম ৩০১ ৰ অধীনত সদনত উত্থাপন কৰিবলৈ সুবিধা দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, অসমত চুবুৰীয়া ৰাজ্যই নিৰ্ব্বাচন অনুষ্ঠিত কৰিলে। আৰু সুকলমে ভোট প্ৰদান হ'ল। এইটো আমাৰ কাৰনে অসম চৰকাৰৰ কাৰণে এটা বৰ দূৰ্ভাগ্যজনক বিষয়। বিভিন্ন সময়ত আমাৰ চুবুৰীয়া ৰাজ্যবোৰে আমাৰ অসমৰ মাটিবোৰ আগ্ৰাসন কৰাৰ বাবে কুট কৌশল ৰছনা কৰি আহিছে। আৰু সেই ক্ষেত্ৰত অসম চৰকাৰৰ পৰা বাধা দিয়াৰ বা বিভিন্ন সময়ত কাৰ্য্যব্যৱস্থা লোৱাত দেখা গৈছে চৰকাৰ ব্যৰ্থ হৈছে। যাৰ বাবে হয়তো এই ২৭ ফেব্ৰুৱাৰীৰ মেঘালয়ৰ নিৰ্ব্বাচনত অসমৰ ১৮ খন গাওঁ সাঙুৰি ৰামৰায় সমষ্টিটো গঠনকৰা হ'ল আৰু অসমৰ তিনিটা ছেন্টাৰত সুকলমে ভোট প্ৰদান চলি গ'ল। এই ক্ষেত্ৰত স্থানীয় লোকৰ পৰা আমি গম পাইছিলো । স্থানীয় যিসকল লোক আছিল তেওঁলোকে আগতে গম পাইছিল যেতিয়া তেওঁলোকে নিৰ্ব্বাচনৰ প্ৰস্তুতি লৈছিল। গোপাইত যিটো বৰ্ডাৰ আউটপোষ্ট আছে, লাম্পিত যিটো স্থাপন হৈ আছে, বিষয়াসকলক অৱগত কৰিছিল। বকো চাৰ্কোল অফিচাৰসকলক জনাইছিল আৰু জিলা প্ৰশাসনক বিষয়টো জনোৱা হৈছিল। উচ্চ প্ৰাথমিক বিদ্যালয়, এই তিনিখন স্কুলত তেওঁলোক ভোট অনুষ্ঠিত কৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, মই আগতেও কৈছোঁ যে বিভিন্ন সময়ত আগ্ৰাসণ হৈছে আৰু বিভিন্ন সময়ত বিভিন্ন বাতৰিও পৰিবেশন হৈছে। আজি টিভিয়ে হওঁক, print media য়ে হওঁক লাম্পি অঞ্চলত কেইবাখনো স্কুল মেঘালয়ে স্থাপন কৰিছে। সেই স্কুল কেইখনৰ নাম মই কৈ দিছো - সমৰাং এল পি স্কুল, কাটাপাৰা এল পি স্কুল, পানবাৰী এল পি স্কুল, উমতাপ এল পি স্কুল, ইংনদম এল পি স্কুল, দমচেন এল পি স্কুল, মৌলান এ এল পি স্কুল, মৌলান বিএল পি স্কুল, কাৰ্টেন মৌলান এল পি স্কুল, আপাৰ লাম্পি এল পি স্কুল, আপাৰ লামপি হাইস্কুল, উমাৰচিট এল পি স্কুল, উমালি এল পি স্কুল, মাদংগিয় এল পি স্কুল, ৰাণী এল পি স্কুল, উমাৰশ্ৰীয়ং এল পি স্কুল, মাকৌবাৰী এল পি স্কুল, লোৱাৰ লাম্পি এল পি স্কুল, মিচিনাৰি এল পি স্কুল, উমবাং এল পি স্কুল আৰু কেইবাখনো হয়তো আছে । বহুবোৰ তেওঁলোকে already স্কুল স্থাপন কৰিছে। আৰু কেইবাটাও গীৰ্জা ঘৰ, community hall ও তেওঁলোকে স্থাপন কৰিছে অসমৰ মাটিত। এই যিটো নিৰ্বাচন হৈ গ'ল এই নিৰ্বাচন যিকেইখন স্কুলত হৈছে, সেই স্কুলকেইখন অসমৰ মেঘালয় বোৰ্ডাৰৰ পৰা ৯ কিলোমিটাৰ ভিতৰত অসমৰ বজাৰৰ মাজত, সেই বজাৰ বোৰ tender হয় block level ত। সেই বজাৰৰ ওচৰত এই নিৰ্বাচনটো পাতিলে। এই ঘটনা বিলাক আমাৰ যিটো সীমা সুৰক্ষা, আমাৰ যিখিনি নিজা মাটি, অসমৰ মাটিক সুৰক্ষিত কৰাৰ ক্ষেত্ৰত আমি যে ভৰিষ্যতেও ব্যৰ্থ হম। কাৰণ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিছত মেঘালয়, বিভিন্ন সময়ত যিহেতু মাটিখিনি নিয়াৰ কাৰণে প্ৰকাণ্ড চেষ্টা কৰি আছে। আজি যদি তেওঁলোকে ভাৰত চৰকাৰৰ ওচৰত তথ্য প্ৰদান কৰিব লগা হয়। যিহেতু এইটো এটা তথ্য পালে তেওঁলোকে। নিৰ্বাচন হ'ল ইয়াক কিন্তু জিলা প্ৰশাসনে বা আৰক্ষী বিষয়াই কোনো ধৰণৰ বাধা নিদিলে। যাৰ বাবে তেওঁলোকে

এটা তথ্য সংগ্ৰহ কৰি ল'লে। এই তথ্যৰ জৰিয়তে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ হয়তো সময়ত হেচা প্ৰদান কৰিব পাৰে বা হয়তো তেওঁলোকে যদি কেচো খেলিবলগীয়া হয় High Court তে হওঁক, Supreme Court তে হওঁক তেওঁলোকে যাব হয়, এই তথ্যটো যিহেতু পালে। এই ক্ষেত্ৰত মই ভাৱো যে অসম চৰকাৰে সম্পূৰ্ণ ভাৱে অসমৰ মাটি ৰক্ষা কৰাত ব্যৰ্থ হৈছে। সেই বাবে ভৱিষ্যতে যাতে সেইটো নহয় আমি ব্যৱস্থা ল'ব লাগে। আমি দেখিছো যে আগতে যেতিয়া লামপিত গণ্ডগোল হৈছিল ২০১০ চনত তেতিয়া তাতে এটা বোৰ্ডাৰ আউট পোষ্ট আছিল মেঘালয়ে স্থাপন কৰা। সেই সময়ত সেই আউট পোষ্টতো অধিগ্ৰহণ বা উৎখাত কৰি দিয়া নহ'ল। যাৰ ফলত সেই আউট পোষ্টতো গোজে গজালি হ'ল। আজি মেঘালয়ৰ আউট পোষ্টতো অসমৰ মাটিত থকাৰ কাৰণে মেঘালয়ে বিভিন্ন সময়ত বিভিন্ন উন্নতিৰ কাম কৰি থাকে। কিন্তু আমাৰ চৰকাৰে যিবিলাক আমি উন্নতিমূলক কাম কৰো, সেই বিলাক কৰাৰ ক্ষেত্ৰত তেওঁলোকে আমাক বাধা প্ৰদান কৰি আহিছে। কিছুদিন আগতে PMGSY ৰ ৰাস্তা নিৰ্মাণ কৰাৰ কাৰণে যিসকল তাতে বিভাগৰ মানুহ আৰু ঠিকাদাৰৰ সৈতে গৈছিল, তেওঁলোকক কাম কৰিবলৈ নিদিলে। মই সেইটো কাৰণে কৈছো যে আমি কাম কৰিব পৰা নাই। কিন্তু তেখেতসকলেক কাম কৰি আছে। অনাগত দিনত আমাৰ লাম্পিৰ দৰে এখন চিৰসেউজ অঞ্চল য'ত গ্ৰীষ্ম কালতো শীতৰ প্ৰৱাহ থাকে। ইমান এটা সুন্দৰ অঞ্চল ৰক্ষা কৰাত আমি ব্যৰ্থ হম। সেই বাবে মই এই বিষয়তো বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰিব কাৰণে উত্থাপন কৰিছোঁ। আৰু আশা কৰিছো যাতে ভৱিষ্যতে তেনেকুৱা ঘটনা আৰু হ'বলৈ নাপায়। আৰু যিবোৰ তেওঁলোকে already civil construction কৰিলে যেনে স্কুলে হওঁক বা গীৰ্জা ঘৰে হওঁক সেই ঘৰবোৰ যাতে অতিশীঘ্ৰে চৰকাৰে অধিগ্ৰহণ বা উৎখাত কৰাৰ কাৰণে ব্যৱস্থা লয়। আৰু সেই অসমৰ মাটিবোৰ জৰীপ কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। যিহেতু লাম্পি অঞ্চলটো বোগাইখাচ ৰিজাৰ্ভ ফৰেষ্টত পৰে, সেই ৰিজাৰ্ভ অঞ্চলবোৰ ৰেভেনিউ তেওঁলোকৰ নহয় বুলি কয়। কাৰণ তাতে নটিফাইড ফৰেষ্ট ভিলেজ নাই। কাৰণ সকলো বিভাগৰ পৰা এইটো neglected হৈ আছে। তাক চৰকাৰে গুৰুত্ব দিব লাগে আৰু মই আশা কৰিছো যে চৰকাৰৰ ফালৰ পৰা এটা সদুত্তৰ পাম। এইখিনি কৈ মই মোৰ কথাখিনি সামৰিছো।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Minister please.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো আজি মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানিয়ে ৩০১ আনিছে, তাৰ কাৰণে ধন্যবাদ জনাইছোঁ। তেখেতে যিকেইটা বিষয় দাঙি ধৰিছে, মোৰ দৃষ্টিগোচৰ হৈছে। মই এই ক্ষেত্ৰত কিছুমান কথা কোৱাৰ প্ৰয়োজন হ'ব। ইতিমধ্যে আমাৰ সীমান্তৰ যিকেইখন ৰাজ্য আটাইকেইখন সীমান্তৰ ৰাজ্যৰ সীমান্তত আমাৰ কিছুমান dispute আছে। নাগালেণ্ডতো আছে, মেঘালয়তো আছে, মিজোৰামতো আছে আৰু অৰুণাচল প্ৰদেশতো আছে। এই কেইদিন মিজোৰামৰ লগত যুজি থকা হৈছে আপোনালোকে জানিছে। মই প্ৰথমতে তেখেতৰ বিশেষ কথাটো কৈ লওঁ যে তাত যি কেইখন গাওঁৰ কথা কৈছে সেই কেইখন তেখেতৰ সমষ্টিৰ অন্তৰ্গত। তেখেতে হয়তো তালৈ গৈছে, জানিছে আৰু আমাতকৈ ভালকৈ জানিব। তাত উমতাপ যিখন গাওঁৰ কথা কৈছে, সেইখন NC Village, non credential village তাত ২৫০০ বিঘা মাটি আছে। আৰু খাটাপাৰ সেইখনো NC Village তাত ২০০০ বিঘা মাটি আছে আৰু লোৱাৰ লামপি সেইখনো NC Village তাতো ২০০০ বিঘা মাটি আছে। এতিয়া উমতাপ গাওঁখন প্ৰায় অধিগ্ৰহণ কৰিছে। আৰু খাটাপাৰ আৰু লোৱাৰ লামপি তাত সম্পূৰ্ণ হোৱা নাই। তাত partly encroach হৈছে। তাৰ মানে তাত আধা আধি মানুহ গৈছে। এতিয়া বকো

revenue circle ৰ এইখিনি তাতে এই গাওঁৰ ছয় নং লাটৰ মাটি । আৰু যিকেইটা ভোট কেন্দ্ৰত ভোট হৈছে বুলি কৈছে, তাত ঠিক যেনেধৰণে আছে, তেনেধৰণে সেই স্কুল কেইখনৰ নাম আৰু ঠাই মাটি ইয়াৰ অনুসন্ধান কৰোতে কিছু অমিল হৈছে। এতিয়া কথা হৈছে কি এই ক্ষেত্ৰত আমাৰ ৰিপোৰ্ট মতে এল পি স্কুল কেইখন ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰিবলৈ যি প্ৰস্তুতি চলাইছিল, তাত যি কামৰূপ জিলাৰ উপায়ুক্ত আৰু পশ্চিম খাচী পাহাৰৰ উপায়ুক্তৰ মাজত হোৱা যুটিয়া verification ৰ মৰ্মে ভোট গ্ৰহণ তিনিটা এলেকাৰ পৰা মেঘালয় এলেকালৈ স্থানান্তৰ কৰা হয় বুলি আমালৈ ৰিপোৰ্ট আহিছে। দুইজন ডি চিৰ মাজত সেই সময়ত আলোচনা হৈছিল আৰু তেওঁলোকে সেইমতে বদলি কৰিছে। মই যিটো ৰিপোৰ্টত আছে, সেইটো কৈ আছো। ইয়াত যদি ভুল হয় further enquiry কৰক। পিছৰ কথা হৈছে কি যেতিয়া ২০১০ চনত মেঘালয় দাতিকাষৰিয়া আমাৰ কইনাধৰাত যেতিয়া মুখ্যমন্ত্ৰীৰ যেতিয়া বাস ভৱনটো মেঘালয়ে দাবী কৰিছিল। বিধান সভাত ইয়াৰ ওপৰত যথেষ্ট আলোচনা হৈছিল, বিতৰ্কও হৈছিল। হোৱাৰ পিছত এই ক্ষেত্ৰত আমি যিধৰণে কৃতকাৰ্য্য হব লগা হৈছিল, সেই চৰকাৰে সেই সময়ত সফল হব নোৱাৰিলে। আমাৰ সেই আগ্ৰাষণ যেনে ধৰণে ৰোধ কৰিব লাগিছিল, সেই সময়ৰ চৰকাৰে ৰোধ কৰিব নোৱাৰিলে। নোৱাৰাৰ পিছত বিভিন্ন ধৰণৰ আলোচনা বিলোচনা সেই সময়ত হৈছিল। কিন্তু সেই ধৰণে সেই বিলাক কথা থাকি গল । এইটো হৈছে, এই লাংপি অঞ্চলত যদি মনত পৰে আপোনালোকৰ যি সকল আছে, মোৰ মনত থকাৰ পৰাই এইখিনি কথা কৈ আছো, যে লাংপি অঞ্চলত যি আগ্ৰাষণ হৈছিল সেই সময়ত হৈছিল তাত ভিষণ ডাঙৰ গণ্ডগোল হৈছিল, গুলীয়াগুলি হৈছিল, মানুহ মৰিছিল, গতিকে আজি যিটো কথা নন্দিতা দাস ডাঙৰীনিয়ে কৈছে, তেখেতে হয়টো বিধান সভাৰ মজিয়াত নাই যদিও সক্ৰিয়ভাবে বাহিৰত আছিলে, কিন্তু কৈছে যে সেইখিনি নিৰাপত্তা দিব পৰা নাই, চৰকাৰ বৰ্থ্য হৈছে, চৰকাৰ ২০১০ চনত ভালকৈ ব্যৰ্থ হৈছে, সেই উত্তৰাধিকাৰী সূত্ৰটো এতিয়া আমি লব লগা হৈছে। তেতিয়া যি বিলাক হৈছিল তাৰ পিছত মোকামিলা হৈ Status quo maintin কৰিব বুলি কলে যদি Status quo maintain কৰে তেওঁলোকে য'ত আগ্ৰাসণ কৰিছে, আমি যলৈ লৈকে আছো সেইখিনিলৈকে আছো। গতিকে এই কথাখিনিৰ সমাধান আনিবৰ বাবে ৰাজনৈতিক ভাৱে বৰ্তমান চৰকাৰৰ ব্যৰ্থতাৰ কথা ক'লে নহ'ব। চৰকাৰ তেতিয়াই ২০১০ চনতে ব্যৰ্থ হৈছিল। ইয়াৰ বাবে বিধান সভাত ডাঙৰ ডাঙৰ বিতৰ্ক হৈছিল। গতিকে এতিয়া আমি মিজোৰামত যুঁজি আছো, আজি কালি পৰহি মিজোৰামত যুঁজ দি আছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাত সকলো ধৰণৰ পৰ্য্যবেক্ষণ ৰাখিছে আৰু মিজোৰামৰ সীমা আমি সুৰক্ষিত কৰি ৰাখিছো। আমাৰ মানুহ আমি সুৰক্ষিত কৰি ৰাখিছো, আমি কোনো সীমাত ব্যৰ্থ হ'বলৈ বিচৰা নাই। নাগালেণ্ডৰ ক্ষেত্ৰতো, মেঘালয়ৰ ক্ষেত্ৰতো আৰু মই আপোনালোকৰ আগত আজি কৈছো যে অতি সোনকালে জিলাৰ উপায়ুক্তকে প্ৰথম পৰ্য্যায়ত আমি জিলা উপায়ুক্তকে তালৈ পঠাম আৰু জিলাৰ উপায়ুক্তই আমাৰ তাত যিখিনি মাটি বাৰি, চাৰ্কোল অফিচাৰ সকলো আছে, আমাক প্ৰকৃত তথ্যটো লাগে। তাত ভোট গ্ৰহণ কেন্দ্ৰ বহিছিল নে নাই, Report মতে বহা নাই, দুজন DC য়ে আলোচনা কৰি তেওঁলোকক থেলি দিলো বুলি কলে সেইফাললৈ আৰু ভোট গ্ৰহণ কেন্দ্ৰ তাত যদি বহা নাই, সেইটো বিষয় আছে, মাটিবাৰীৰ বিষয়টো কি হল, মাটিবাৰীৰ বিষয়টো ২০১০ চনত আমি যত এৰি থৈ আহিছিলো। চৰকাৰে সেইখিনিতে আছে, নে তেওঁলোকে আৰু এইফালে আহিল। মই জনাত আকৌ এইফালে অহা নাই, সেইখিনিতে তেওঁলোকে ৰৈছে, ৰৈ এই বিলাক আগ্ৰাসণৰ যিটো ভূমি সেইটো ঠিক কৰিছে, মই কৈ দিলো নহয়, কোনখন গাঁৱত

R কিমান বিঘা আছে, কিমান মাটিত তেওঁলোক আছে, কিমান মাটিত আমি আছো, এতিয়া প্ৰশ্ন হল যে মই সদনত কৈছো, অতি সোনকালে কামৰূপ জিলাৰ উপায়ুক্ত আৰু যদি পুলিচ বিভাগো প্ৰয়োজন হয়, তেওঁলোকক পঠাম আৰু পঠাই ইয়াৰ অতি সোনকালে এটা হুবহু তথ্য আমি তাৰ পৰা চৰকাৰৰ কাৰণে আনিম, চৰকাৰে সেই ক্ষেত্ৰত যি পদক্ষেপ গ্ৰহণ কৰিব লাগে সেই পদক্ষেপ গ্ৰহণ কৰিব।

**শ্ৰী আব্দুল খালেক (মাননীয় সদস্য, জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সীমান্তৰ ক্ষেত্ৰত এই যে ঠেলা ঠেলি বিলাক হয়, মই এটা পৰামৰ্শ দিব খুজিছো, আমি সদায় যদি ৰক্ষণাত্মক হৈ থাকো, কেতিয়াবা নাগালেণ্ডে আমাৰ সীমাত সোমাই যাৰ, কেতিয়াবা মিজোৰামে সোমাই যাব, কেতিয়াবা মেঘালয়ে সোমাই যাব, সদায় Defance খেলি থাকিলে নহব, মন্ত্ৰী মহোদয়, চৰকাৰকো কৈছে মাজে মাজে Aggresive ও হব লাগিব। সদায় কিয় আমাৰ সীমাত মানুহ সোমাই কেতিয়াবা আমিও সোমাই যাব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো Serious matter বহু দিনৰ পৰা চলি আছে, এইটো কথা ভাবিব লাগিব, এইটো আমাৰ চুবুৰীয়া ৰাজ্য আছিল। আমাৰ মেঘালয, মিজোৰাম, নাগালেণ্ড, আমাৰ চুবুৰীয়া ৰাজ্য, কালি মই যিটো জানো কালি ৰাতি ১বজালৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত স্বাস্থ্যমন্ত্ৰীৰ কথা হৈছিল মিজোৰামৰ বিষয়ক লৈ। ৰাজ্য চৰকাৰ, আমাৰ কেন্দ্ৰীয় চৰকাৰ Serious । এইটো সমাধান কৰিব লাগে।

**শ্ৰী আব্দুল খালেক (মাননীয় সদস্য, জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰতিবেশীয়ে যদি প্ৰতিবেশীৰ ধৰ্ম পালন নকৰিব আমি সদায় আমাৰ ধৰ্ম পালন কৰিলে নহব। মেঘালয়, মিজোৰাম, অৰুণাচল, নাগালেণ্ড তেওঁলোকে প্ৰতিবেশী ধৰ্ম পালন কৰা নাই আৰু উপাধ্যক্ষ মহোদয়, কোন চৰকাৰ এইফালে আমি আছো নে তেখেত সকলে আছে, সেইটো কথা নহয় উপাধ্যক্ষ মহোদয়। অসমৰ স্বাৰ্থৰ সুৰক্ষাৰ কথা। সেই কাৰণে আমি অকল প্ৰতিবেশী ধৰ্ম পালন কৰিলে নহব, প্ৰতিবেশী সকলে যেতিয়া তেওঁলোকৰ ধৰ্ম পালন নকৰিব কেতিয়াবা আমিও অধৰ্ম আচৰণ পালন কৰিব লাগিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ( মাননীয় সদস্য, পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত অলপতে মেঘালযত যিটো নিৰ্বাচন হৈ গল তাৰ ফলত মোৰ সমষ্টিৰ ৰাণী আৰু মদুকী অঞ্চলত দুটা ভোট গ্ৰহণ কেন্দ্ৰ মেঘালয়ে স্থাপন কৰিছিল। কিন্তু আমাৰ কথাটো হল ছাৰ, যে District Administration এই ক্ষেত্ৰত কিন্তু কঠোৰ হব লাগিব। আমি দেখিছো যে District Administration য়ে এই সময়ত যেতিয়া ভোটৰ কেন্দ্ৰ দিয়ে, যেতিয়া আমাৰ মেঘালয়ৰ আগ্ৰাষণ হয়, তেতিয়া আমাৰ যিটো এটা ব্যৱস্থা লব লাগে, সেই সময়ত সেই ব্যৱস্থাটো লোৱা নহয়। মই যিহেতু জানো উপায়ুক্ত সকল বিভিন্ন কামত ব্যস্ত হৈ থাকে, সেই কাৰণে Border Area ত EAC এজনক পূৰ্ণ কৰ্তিত্ব দি যদি তাতে তেনেধৰণে তেওঁলোকক চাব দিয়া হয়, তেতিয়া হলে বেছি, সুবিধা হব নহলে ১জন জিলা পৰ্য্যায়ৰ ১জন উপায়ুক্তই বিভিন্ন কামত ব্যস্ত থকাৰ কাৰণে Border বিলাক চাব নোৱাৰে। সেই কাৰণে EAC দায়িত্ব দি Border বিলাক তেনেকুৱা চোৱাৰ ব্যৱস্থা লব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** গেটোই কথাটো Border টো অলপ Sensitive আমি We must be very Strong. আজি এতিয়া মই Next লৈ যাৰ খুজিছো, বাজেটৰ ওপৰত আলোচনা আছে। ৰাজদ্বীপ গোৱালা।

**Hon’ble Speaker :-** Shri Rajdeep Gowala, you please continue.

**Shri Rajdeep Gowala (Hon’ble MLA, Lakhipur) :-** Hon’ble Speaker Sir, I like to continue from where I endend yesterday. But before I start my submission, I would like to mention that the Report of the Economic Survey, which is a general trend, that when the Budget is placed the Report of the Economic Survey is also placed. This is the last day today is the of the Budget discussion and till now, the Report of Economic Survey has not been placed. As mentioned by our Hon’ble Leader of the Opposition and Economic Report of the Economic Survey is very important as it gives a clear picture of the economic health of our State, but that is not with us till now. So, many facts and figures which are there in the Report of the Economic Survey Report is not there in our dispensation. Sir, yesterday, I was talking about the fiscal deficit targets, I was discussing about the fiscal deficit targets in 2016-17. In 2017-18 the fiscal deficit targets was budgeted in 7,700 (seven thousand seven hundred) crores, which was 2.98%. Minus 2.98 % of the GSDP at current prices. But when the Government has revised the targets at 41,939 (forty one thousand nine hundred thirty nine) crores, which is a huge figures and the percentage is minius 16.23%, which is far beyond the limit prescribed under the FRBM norms. Sir, I don’t know how the Government will sustain this kind of deficit in the Budget. So, to sustain this , the Govt. will have to ultimately spend less, Govt. spending will be, it will be impacted and borrowings will be impacted as well. Hon’ble Speaker Sir, there is apprehension among most of the Members here that how much money are we getting from the Centre? I would like to, mention that in 2016-17, it was budgeted that the Grants in Aid from Centre would be 25, 7,61 (twenty five thousand seven hundred sixty one ) crores. But, how much do we actually got? We got 12,5,98 (twelve thousand five hundred ninty eight) crores. So that is 51% less then our expectation. This proves that how much are we expecting and how much are we getting? We are getting 50% less then how much is budgeted. I would like to, mention that in the previous Govt. in 2015-16, the Grants in Aid from Centre was 12, 8, 25 (twelve thousand eight hundred twenty five) crores, which is more then the actual Grants in Aid from Centre in 2016-17. Sir, I would like to mention. I would

like to mention, then in our capital receipts under the head of the capital receipts. You are expecting that five hundred and sixty nine crores will be getting from recovery of loans. But, how much did we get, we got only 19 crores, which is 96% less than what we expected. So, this is why most of the announcements being made in the budget speeches in the previous two years did not get implemented. Hon'ble Speaker Sir, I would like to mention, that one of our Members mentioned yesterday that probably the opposition Members are not going thoroughly on the budget speech that is why we are not able to see that good expects of budget. I would like to in that context. I like to say the opposition Members as having a very close watch that how much is being announced and how much is being implemented at the ground level. I would like to the place it in the House that there are many announcements, I would like to thanks. I don't share it from thanking the Government for the good schemes that it has proposed I would like to thanks for this. I would like to thanks of Hon'ble Finance Minister for allocating money in this budget for upgradation of PHC even in my constituency the BPHC upgradation for that around more than 11 crores has been allocated. I would like to thanks for that and I would like to thank for the signature schemes that has taken by the Hon'ble Finance Minister. I would like to thank PWD Minister is also here, he has given us signature scheme for infrastructure improvement of "Bhuban"hills. I would like to request him I will take this opportunity to request him seems he is the PWD Minister. I would like to request him that a motorable road has to be constructed in "Bhuban" hills and if it take set up in the coming financial year. It will be a very big works for the people of Barak Valley. Sir, I would like to say that many announcements have been made for the Tea Garden people of the State. But, I would like to say that the implementing Agency for the Tea Garden Community is the Tea Tribes Welfare Department. Sir, in 2016-17 54. 50 (fifty four crores fifty laces) was allocated in the budget for various schemes under the Tea Tribe Welfare Department. How much, of it was utilized, only 10 crores that is not even 20% of what was allocated. Sir, in 2017-18, 63.63 crores 50 lakhs was allocated in the budget for the Tea Tribe Welfare Department. But, how much did spent till now 7 crores, that is not even that is hardly 10% of the allocation in the budget and

most of schemes are very good schemes were there. But these schemes did not get the light of the day. Sir, there were schemes like distribution of bicycle for the students need not get implement, distribution of water filter did not get implement, grants of non-educational, Non-Government educational institution did not get implement grants to patients suffering from cancer and other diseases did not get implement. Special Guest House, at Gauhati Medical College did not get implement; rural water supply schemes did not get implemented. Old Age pension to the Tea Tribe eligible beneficiary those was not received these pension, did not get implement. Sir, Financial Assistance of Rupees 25,000/- each for construction of Dwelling house of homeless did not get implement and there are many other schemes, whole list are here. Sir, in the previous budget major announce ments, I would like to go back to the major announcement made in the previous two budgets one of them was Chief Minister's "Samagra Gramya Unnayan Yojana" and it was said that 30 thousand crores rupees will be spent in 5 years terms. So, if you have to spend 30 thousand crores in five years definitely, we will have to spend 6000/-crores per year, but according to the detailes in 2016-17, 1500 crores was sanctioned and in 2017-18 no fund was sanctioned under this schemes. So, we are going at a rate of 5%. So if we go this trend it will take 20 years for us too made this scheme, this dream come true. Sir, another major scheme announced in the previous budget was "Atal Armit Abhiyan" which was a very good scheme, 1.6 crores peoples have enrolled under this scheme which is a huge numbers. I would like to thanks the government enrolling so many people under this schemes. But, how many people actually got the benefited out of it. So, according to the budget statement 9000/- people have got benefited out of it, which is not even 0.1% of the peoples that have enrolled under this scheme. So I would like to request, our Hon'ble Finance Minister. So that, more people can get benefited out of this scheme, if the number of Hospitals come under the ambit of this scheme and only 6 diseases have been listed in this scheme. So more diseases are listed under this scheme, more people will be benefited out of it. Under this scheme I have one more apprehension in my mind in the last Union Budget, Hon'ble Finance Minister Shri Arun Jaitley has announced

a National Health Scheme, which will give us health cover of 5 lakhs 210 crores, almost 50 crores people what will be its implication on the already existing schemes that is going in our State, that is "Atal Amrit Abhiyan" and I don't know, whether it will be clubbed for new enrolment should be done things are not very clear at this stage but I am hopeful that scheme also takes in a good manner. Sir, I come from Barak Valley, and I will not do justice to myself, and I don't speak some issues regarding Barak Valley, Mini Secretariat at Barak Valley in the last two budgets Mini Secretariat proposal.

বরাকের একজন জনপ্রতিনিধি হিসাবে আমি কিছু কথা আজকের বাজেট ভাষনে বলতে চাই, যেটা হল মিনিসেক্রেটারিয়েট, বরাকভ্যালি। লাষ্ট বাজেটে মিনি সেক্রেটারিয়েটের একটা প্রস্তাব ছিল। এই মিনি সেক্রেটারিয়েটের উল্লেখ কিন্তু এই বাজেটে নেই। আমি শুধু এই ব্যাপারে জানতে চাই আমাদের Honourable Finance Minister এর কাছ থেকে যে এই বাজেটে ২০১৮-১৯ এ কি মিনি সেক্রেটারিয়েট করার জন্য কোনও allocation আছে কি না? আমাদের সব প্রতিনিধিদের মনেই এই শঙ্কাটা আছে। এর সঙ্গে আমাদের পাঁচটা নতুন ব্রিজ, ব্রহ্মপুত্রের ওপরে অনেক নতুন ব্রিজের প্রস্তাব আছে এই বাজেটে। কিন্তু মুখ্যমন্ত্রী নমামি বরাক উৎসবের সময় বলেছিলেন যে বরাকের উপরে নতুন ব্রিজ হবে। এই বাজেটে কি নতুন ব্রিজের জন্য কোনও allocation আছে কি না এটা আমরা জানতে চাই। কাছাড় জেলাতে একটি Law College করার জন্য আমাদের Honourable Finance Minister একটা proposal রেখেছিলেন। আমাদের কাছাড় জেলাতে দুটো sub-division আছে। যেহেতু শিলচরে sub-division-এ already একটি Law College আছে তাই আমি অনুরোধ করব আমাদের যে আরেকটি sub-division- লক্ষ্মীপুর sub-division,যেটা উধারবন্দ, সোনাই এবং লক্ষ্মীপুর নিয়ে গঠিত। এই sub-division -এ একটি Law College করার জন্য । আরেকটা কথা এই বাজেটের শেষে আমি বলতে চাই আমরা যতজন মেম্বার আছি এখানে আমরা সবাই চাই যতটা annoucement হয়েছে, সবকটা implement হোক। Even Honourable Finance Ministerও ওনার স্পিচের শেষে বলেছেন প্রত্যেক department এর ministerকে, যে কিভাবে implement হচ্ছে কি না allocation গুলো utilize হচ্ছে কি না, দেখার জন্য। আমি অনুরোধ করব আপনারা সবসময়ই টিম অসমের কথা বলেন এবং আমাদের Finance Minister talkshow তে বলেছেন ministry expansion টা জরুরি। কারণ, এখানে অনেক burden হয়ে গেছে। তাই আমি অনুরোধ করব অনেক tallented লোক তৈরি আছে responsibility নেওয়ার জন্য। আপনারা opportunity দেন এবং এই ministry expansion টা অত্যন্ত জরুরি।

**মাননীয় অধ্যক্ষঃ** আপনালোকৰ আৰু এজনক যদি ৫ মিনিটমান সময় দিব লাগে তেতিয়াহ'লে অলপ চমু কৰিব লাগিব, নহলে আপুনি শেষ কৰি দিব পাৰে মোৰ আপত্তি নাই।

**ৰাজদীপ গোয়ালা ঃ** এই ministry expansion টা অত্যন্ত জরুরি for the development of the state আমরা সবাই চাই যে যত annoucement হয়েছে এটা বাস্তবায়িত

হোক। কিন্তু শঙ্কাটা এজন্যই আসছে কারণ, গত দুই বাজেটে যতটা annoucement হয়েছে এটা কিন্তু অনেকটাই আমরা দেখেছি বাস্তবায়িত হয়নি।এই কথাগুলি বলে আমি আবার Honourable Speaker কে ধন্যবাদ জানাব আমাকে সুযোগ দেওয়ার জন্য। এই বলে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ড: নোমল মমিন।

**ডঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছোঁ বাজেটৰ ওপৰত বক্তব্য দিয়াৰ সুবিধা দিয়াৰ কাৰণে। অধ্যক্ষ মহোদয়, ৯০,৬৮৩.৪২ কোটি এটা বিশাল , সৰ্বোত্তিম বাজেট বুলি মই গণ্য কৰিছোঁ। আমাৰ মাননীয় বিত্তমন্ত্ৰী শ্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই বাজেট প্ৰস্তুত কৰি উলিয়ালে। আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছে পূৰ্বোত্তৰ হৈছে ভাৰতবৰ্ষৰ নতুন ইঞ্জিন আৰু অসম হৈছে এই নতুন ইঞ্জিনৰ Driver Seat ত বহা এখন ৰাজ্য। এই বাজেটত আমাৰ ৰাজ্যখনে যে, Driver Seat ত বহিব পাৰিব তাৰেই প্ৰমান। এই বাজেটত যিসকল বয়োজ্যেষ্ঠ লোক তেখেত সকলক সামৰি লোৱা হৈছে, দিব্যাংগ সকলক, মহিলা সকলক, কৃষক সকলক, ছাত্ৰ-ছাত্ৰী সকলক, নিৰনুৱা যুবক-যুবতী সকলক, চাহ জনগোষ্ঠীয় লোক, পাহাৰ ভৈয়াম, বৰাক ব্ৰহ্মপুত্ৰৰ লোক সকলো অঞ্চলৰ জনগণক সামৰি এই বাজেটখন বনোৱা হৈছে। অধ্যক্ষ মহোদয় মই কব বিচাৰিছো যে চাহ বাগিছা সমূহত যি উন্নয়ন মূলক কামৰ কাৰণে এই বাজেটত Scheme লোৱা হৈছে মই ভাৱো তেওঁলোক নিশ্চয় উপকৃত হ'ব। তাত ২৫ খনকৈ ৰঙ্গমঞ্চ লৈছে, ৭০ টা Self help group ক Tractor দিয়াৰ কাৰণে আচঁনি লৈছে। ২০ খন বাগিছাত water Supply ৰ কাৰণে ব্যৱস্থা লৈছে আৰু যিসকল Pregnant lady worker, তেখেতসকলৰ কাৰণেও ১২,০০০ টকা Compensation ৰ ব্যৱস্থা কৰিছে আৰু ভ্ৰাম্যমান চিকিৎসাৰ ৪০ টা কৈ গোট খোলা হৈছে। গতিকে মই ভাৱো চাহ জনজাতীয় লোকসকলৰ কাৰণে খুব সুন্দৰ এটা পদক্ষেপ লৈছে। অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে, চাহ বাগিছাৰ ক্ষেত্ৰত আমাৰ বিৰোধী দলৰ কেইজনমান সতীৰ্থই কৈছিল ৮৩ কোটিহে চাহ বাগিছাৰ Allocation কৰিলে বুলি, কিন্তু আমি ৭ লাখতকৈ অধিক চাহ বাগিছাৰ যিসকল permanent employee তেখেত সকলক ২৫০০ টকাকৈ সৰ্বমুঠ ২০০ কোটি টকা ইতিমধ্যে মোকলাই দিয়া হৈছে আৰু অনাগত দিন সমূহত ৬ মাহৰ ভিতৰত তেখেতসকলে যদি account টো ব্যৱহাৰ কৰে আৰু ২০০ কোটি দিয়া হ'ব। তাৰমানে ৪০০ কোটি টকা ইতিমধ্যে আমাৰ বাজেটত দিয়া হৈছে। গতিকে অধ্যক্ষ মহোদয়, এই বাজেটখন মই সচাঁকৈয়ে বৰ সুন্দৰ বাজেট বুলি ক'ব বিচাৰিছো। Minority সকলৰ কাৰণেও ৩২৭ কোটি এই বাজেটত ৰখা হৈছে আৰু ১১৮ টা Minority Block ত এই MSDP যিটো Scheme তাৰ জৰিয়তে কাম যাব। এইটো খুব সুন্দৰ কথা যে কাৰ্বি আংলং ত পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ অহাৰ লগে লগে বোকাজানত MSDPৰ Scheme ৰ সুবিধা পাবলৈ সক্ষম হৈছোঁ। যোৱা কোনো চৰকাৰৰ দিনত আমি এই সুবিধাটো পোৱা নাছিলোঁ। তদুপৰি ২১ খন Boarding School খোলাৰ কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে MSDP Scheme ৰ under ত। গতিকে এই MSDP Scheme ৰ অধীনত অসমৰ বিভিন্ন Minority অধ্যুষিত অঞ্চলত ৰাইজে সুবিধা পাইছে আৰু অনাগত দিনতো পাব। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই যোৱা বাজেটতেই উল্লেখ কৰিছিল Minority Girls College ১২ খন অসমত স্থাপন কৰিব। আমি যে মহিলা সকলক গুৰুত্ব দিছো এইটো তাৰেই প্ৰমান। দিব্যাংগ সকলৰ ক্ষেত্ৰত ভাৰতত

প্ৰথমবাৰৰ কাৰণে ৫ লাখ দিব্যাংগ লোকক ৫০০০ টকাকৈ আমাৰ ভাৰতৰ মাননীয় উপৰাষ্ট্ৰ পতি ভেংকয়া নাইডু ডাঙৰীয়াই গুৱাহাটীত আহি inaugurate কৰি থৈ গ'ল আৰু দিব্যাংগ সকলক আমি এই সুবিধা দিবলৈ সক্ষম হৈছো। আমাৰ এই বাজেটত দিব্যাংগ সকলক ১০০০ টকাকৈ মাহে দিবলৈ চৰকাৰে ধাৰ্য্য কৰিছে। আমি বিগত চৰকাৰৰ দিনত দিব্যাংগ সকলৰ ওপৰতো লাঠি চালনা কৰা দেখিছিলো। কিন্তু আমাৰ চৰকাৰে তেওঁলোকৰ প্ৰতি সমবেদনা দেখুৱাই এই টকা দিয়াৰ ব্যৱস্থা কৰিছে। অধ্যক্ষ মহোদয়, Old age Pension ৰ বিষয়ত opposition ৰ leader জনে কৈছে মাত্ৰ ২৫০ টকা মাহে দিয়া বুলি। কিন্তু মই তেওঁক সোধঁৰাই দি'ব বিচাৰিছো যে তেওঁলোকৰ চৰকাৰৰ দিনত Old age Pension ত এটকাও পোৱা নাছিল। অধ্যক্ষ মহোদয়, ছোৱালী সকলৰ ক্ষেত্ৰতো (১২ বছৰৰ-২০ বছৰ ) বিত্ত মন্ত্ৰী ডাঙৰীয়াই এটা সুন্দৰ পদক্ষেপ লৈছে। তেওঁলোকৰ senitary napkin ৰল ৰ বাবে ৫০ টকাকৈ তেখেত সকলৰ account ত দিয়াৰ ব্যৱস্থা কৰিছে। এইটো এটা সুন্দৰ পদক্ষেপ। ইয়াৰ উপৰিও জাতি-মাটি ভেটি ৰক্ষাৰ কাৰণে আমাৰ এই বাজেটত ৰাজহ ক্ষেত্ৰত ১০৩০ খন গাওঁৰ জৰীপৰ কাম কৰাৰ কাৰণে টকা ধাৰ্য্য কৰা হৈছে আৰু এই সকল লোকক পত্তা বিতৰণ কৰি প্ৰত্যেকে যাতে মাটিৰ অধিকাৰ পায় তাৰ ব্যৱস্থা কৰা হৈছে। PWD Sector ত যদি আমি চাওঁ ৭৪৭ খন Bridge এই বাজেটত লোৱা হৈছে আৰু ৭৯১৩ কি: মি all weaher proof road নিৰ্মাণৰ কাৰণে ৫৮৭২ কোটি টকা ধাৰ্য্য কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** কেইবাজনো বক্তা আছে। আপুনি অলপ চমু কৰিব।

**ডঃ নোমল মমিন ঃ** অধ্যক্ষ মহোদয়, পাহাৰ অঞ্চলতো খোৱাপানীৰ যথেষ্ট ব্যৱস্থা চৰকাৰে লৈছে। অনাগত দিন বিলাকত আমি পানী যোগান আচঁনি বিলাক পাম বুলি নিশ্চিত। ইয়াৰ উপৰিও প্ৰতিজন হোম গাৰ্ডৰ ক্ষেত্ৰত প্ৰতিদিনে ৫০ টকাকৈ, মানে মাহত ১৫ শ টকা আৰু বছৰেকত ১৮ হাজাৰ টকা এই হোম গাৰ্ড সকলৰ বৃদ্ধি হৈছে। অধ্যক্ষ মহোদয়, মই প্ৰাক্তন মুখ্যমন্ত্ৰী মহোদয়ৰ এটা কথা quote কৰিব বিচাৰিছোঁ। তেখেতে যি দলৰ পৰা চৰকাৰ চলালে ৫০ বছৰতকৈও অধিক কাল তেখেত সকলে শাসনভাৰ চলালে ।আমাৰ চৰকাৰ অহাৰ আগতেও তেওঁলোকে ১৫ বছৰ consecutively চৰকাৰ চলালে। তাৰ পিছত তেখেত সকলে দুখ কৰিলে যে সুতা কম্বলৰ নামত আমাৰ এই বাজেটত কোনো ধন ধাৰ্য্য কৰা নাই। হয় অধ্যক্ষ মহোদয়, আমি সুতা কম্বলৰ ৰাজনীতি কৰিব অহা নাই । অসমৰ যিসকল লোক আছে তেওঁলোকে যাতে সুতা কম্বল নিজেই কিনিব পাৰে তাৰ সক্ষম হ'ব পৰাকৈ আমি ব্যৱস্থা গ্ৰহণ কৰিছোঁ। তাৰ কাৰণে মুখ্য মন্ত্ৰী ডাঙৰীয়াই গ্ৰাম বিকাশ যোজনাৰ অধীনত সমগ্ৰ Revenue গাওঁত ২৬ হাজাৰ Tractor দি এই ব্যৱস্থা ল'ব আৰু কৃষক সকলে দুগুণ পৰিমানৰ উৎপাদন কৰিব পাৰিব। সেই এজন ব্যক্তিয়েই এশ এশ জন ব্যক্তিক দুমুঠি-দুমুঠি সূতা দিবলৈ সক্ষম হ'ব । অধ্যক্ষ মহোদয়, গতিকে তেনেধৰণৰ ব্যৱস্থাই আমি হাতত লৈছো। যোৱা বছৰ কাৰ্বি আংলং জিলাত স্বায়ত্ব শাষিত পৰিষদৰ বাবে ২৯২ কোটি টকা ধাৰ্য কৰা হৈছিল কিন্তু এইবছৰৰ বাজেটত ইয়াৰ বাবে ৩৭৪ কোটি টকা ধাৰ্য কৰিছে লগতে অতিৰিক্ত ১০০ কোটি টকাও ধাৰ্য কৰা বুলি কৈছে। সেয়েহে মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ। কাৰ্বি আংলঙৰ পাহাৰীয়া অঞ্চল সমূহো অন্য অঞ্চলৰ লগতে সমানে আগবাঢ়িব লাগে। HADP ৰ শিতানত ২০১৫-১৬ চনৰ পৰাই আমাৰ fund বোৰ বন্ধ কৰি দিয়া হৈছে। এই বাজেটত এই কথাখিনি আমি দেখিবলৈ নাপালোঁ। গতিকে আমি অনুৰোধ কৰিছোঁ

যে এই বাজেটত যদি বছৰটোৰ বাবে কার্বি আংলং স্বায়ত্ব শাষিত পৰিষদলৈ Grant In Aid to Local Bodies primary expansion শিতানত ২০ কোটি টকা ধাৰ্য কৰি ৰাখিব পাৰে, তেতিয়াহ'লে এই ক্ষেত্ৰত কাৰ্বি আংলঙৰ বহু খিনি কাম আগবঢ়াই লৈ যাব পাৰিম। ২০১৩ চনত মোৰ সমষ্টিৰ পাহংশিৰৌ, খানেৰি আৰু আখৈফুটা অঞ্চলত ১৩ জন নিৰীহ ব্যক্তিক আততায়ীয়ে হত্যা কৰিছিল আৰু সেই অঞ্চলৰ ৰাস্তাৰ বাবে আমি বিগত দুই বছৰৰ পৰা লাগি আছোঁ। কিন্তু,আজিলৈকে সুফল পোৱা নাই। মই আশা কৰিছো যে অনাগত দিনবোৰত যোগাযোগৰ বাবে সেই অঞ্চলত ৰাস্তা নিৰ্মাণ কৰিব পাৰোঁ। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত লটা-কটা ৰণৰ দিনৰ এটা আলি আছিল যিটো আলি ব্ৰিটিছ চৰকাৰে ১৮৮৪ চনত নিৰ্মাণ কৰি দিছিল। কিন্তু আজি পৰ্যন্ত সেই আলিটোৰ মেৰামতিৰ কাম সম্পূৰ্ণ হৈ উঠা নাই। যিদৰে ধোদৰ আলি বনোৱা হৈছিল, ঠিক তেনেধৰণে বুৰঞ্জীপ্ৰসিদ্ধ এই আলিটোও ঠিক কৰি দিয়ে যেন।

অধ্যক্ষ মহোদয়, মই এটা কথা অনুৰোধ কৰিব বিচাৰিছোঁ, যে যিদৰে Bodoland ৰ শ্বহীদ সকলক ৫ লাখ টকাকৈ ধন দিয়া হ'ল, ঠিক তেনেদৰে কাৰ্বি-আংলঙৰ যি সকল ব্যক্তি autonomous state ৰ কাৰণে শ্বহীদ হৈছিল তেওঁলোককো যাতে সম পৰিমাণৰ ধন দিয়ে। কাৰ্বি আংলঙৰ Article 244 (A) টো বহু বছৰৰ পৰা চৰ্চিত হৈ আছে। কাৰ্বি-আংলঙৰ জন সাধাৰণৰ বাবে Article 244 (A) এটা sentiment ৰ বিষয় গতিকে এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে যাতে উদাসীন হৈ আলোচনা কৰে।

সদৌ শেষত, কাৰ্বি আংলঙৰ যি সকল সৰু সৰু জাতি-জনগোষ্ঠী আছে যেনে কুকী, ৰেংমা, গাৰো ইত্যাদি সম্প্ৰদায়ৰ লোক সকলৰ বাবে বাজেটত আমি একো provision দেখিবলৈ নাপালোঁ। গতিকে, অনাগত দিনবোৰত এই জনজাতি বোৰৰ ক্ষেত্ৰতো যাতে বিশেষ আঁচনি গ্ৰহণ কৰে , তাৰ বাবে মই অনুৰোধ জনাই মোৰ বক্তব্য ৰাখিবলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাই সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** পাহাৰীয়া জিলাৰ উন্নয়ন আমাৰ অন্যতম লক্ষ্য। এতিয়া ভূৰন পেগু।

**শ্ৰী ভূৰন পেগু, (জোনাই)ঃ** অধ্যক্ষ মহোদয়, যিহেতু সময় কম, গতিকে মই কিছুমান মূল বিষয়ৰ ওপৰত ক'ব বিচাৰিছো। এই বাজেটখন যিদিনা পাঠ কৰি থকা হৈছিল, তেতিয়া কেইট ামান মহৎ লোকৰ বাণী মোৰ মনলৈ আহিছিল। তাৰ ভিতৰত জাতিৰ পিতা মহাত্মা গান্ধীৰ এটা বাণী, "A Nation's greatness is measured by how it treats its weakest Memberü"- অৰ্থাৎ সমাজৰ সকলোতকৈ অসহায় ব্যত্তিসকলক ৰাষ্ট্ৰই কেনেধৰণে ব্যৱহাৰ কৰে তাৰ দ্বাৰাই Nation's greatness প্ৰমাণিত হয়। তাৰোপৰি, আমেৰিকাৰ উপৰাষ্ট্ৰপতি এজনে বৰ সুন্দৰ কথা এটা কৈছিল যে, "The moral test of the Government is how the Government teach those who are in the dawn of life, the children; those who are in the twilight of life, the elderly; and those who are in the shadow of life, the sick, the needy and the handi-capped." অৰ্থাৎ এখন ৰাষ্ট্ৰই children, elderly, sick, needy and handicapped সকলক কেনেদৰে চায় আৰু ব্যৱহাৰ কৰে, সেই vision টোৱে Nation's greatness টো determine কৰে। মই এইবাৰ বাজেটত লক্ষ্য কৰিছো যে, প্ৰথমবাৰৰ বাবে moral and legal দায়িত্ব বুলি কৈ দিব্যাংগ সকলক highest priority দি প্ৰতি মাহে এক হাজাৰ টকাকৈ অৰ্থাৎ বাৰ মাহত ১২,০০০ টকা দিয়াৰ এটা সুন্দৰ পদক্ষেপ লৈছে। ইয়াৰোপৰি, except the

Government Pension holder, চৰকাৰে সকলো senior citizens ৰ ক্ষেত্ৰতো সুন্দৰ পদক্ষেপ লৈছে। Pension holder ৰ ক্ষেত্ৰত, যদি তেওঁ ঢুকায় আৰু তেওঁৰ যদি অবিবাহিত ছোৱালী আছে, তেন্তে ছোৱালীজনীক Pension ৰ অংশীদাৰ কৰাটো আন এক সুন্দৰ পদক্ষেপ যিটো আগতে কেতিয়াও লোৱা হোৱা নাছিল। আমাৰ সমাজত minority অঞ্চলৰ যি সকল পিছপৰা মহিলা আছে, যি সকলে আগতে পঢ়িবৰ সুবিধা পোৱা নাছিল, কম বয়সতে বিয়া হৈ গৈছিল, এতিয়া তেওঁলোকক পঢ়াৰ উদ্‌গনি দি মেট্ৰিকৰ পৰা আৰম্ভ কৰি PG Level লৈকে Scholarship দিয়াৰ সিদ্ধান্ত লোৱা হৈছে, সেইটো বৰ প্ৰশংসনীয়। আমাৰ সমাজৰ আটাইতকৈ পিছ পৰা যি সকল tea tribes আছে, তেখেত সকলকো inclusive কৰি গোটেই Banking system টোত অনাৰ বাবে তেওঁলোকৰ account ত ৫০০০ টকাকৈ ভৰাই দিয়াৰ যি পৰিকল্পনা হাতত লোৱা হৈছে আৰু তেওঁলোকৰ অঞ্চলৰ যদি কোনো লোকৰ মৃত্যু বা দুৰ্ঘটনা হয় তাৰ বাবে insurance ৰ যি ব্যৱস্থা কৰিছে সেইটো অতি উল্লেখযোগ্য। আমাৰ সমাজত যিখিনি বেমাৰী মানুহ আছে আৰু কেতিয়াবা আমি আমাৰ সমষ্টি বোৰতো দেখিছো যে কোনো লোকৰ কেন্সাৰ বা জটিল ৰোগ হ'লে তাৰ চিকিৎসা কৰিবৰ বাবে নিজৰ মাটি-বাৰী, সম্পত্তি সকলো বিক্ৰী কৰিব লগীয়া হয়। এনে ধৰণৰ মানুহ খিনিক ভাৰতবৰ্ষৰ health coverage ৰ যি আঁচনি, অটল অমৃত যোজনাত link up কৰাৰ ব্যৱস্থাটোও এটা বৰ ভাল পদক্ষেপ। তদুপৰি আমাৰ সমাজৰ মহিলা সকল স্ব- নিৰ্ভৰশীল হ'বৰ বাবে Self Help Group বিলাকক ৫ লাখ টকালৈ loan দিয়াৰ যিটো ব্যৱস্থা বাজেটত ৰাখিছে, সেইটোও প্ৰশংসনীয়। Human Resource Development ৰ বাবে আমাৰ গাঁও অঞ্চলত যিবোৰ L.P. school আছে, তাত গুণোৎসৱৰ পিছত গম পোৱা গৈছে যে তাত infrastructure development ৰ বাবে classroom, partition, electricity ৰ সুবিধা নাই । গতিকে basic need খিনি দিয়াৰ বাবে বাজেটত ৯৮০ কোটি টকাৰ আৱণ্টন দি এই কাম সমূহ এক বছৰৰ ভিতৰতে কৰিম বুলি যি ঘোষণা কৰিছে, এই ক্ষেত্ৰত মই ভাৱো যে চৰকাৰৰ এনে পদক্ষেপত তেওঁলোকে কোনটো দিশত, কি দৃষ্টিত আগবাঢ়িছে সেইটো reflect কৰে আৰু ইয়াত আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীৰ কথাটো প্ৰকাশ পাইছে। গতিকে মই এইখন চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছোঁ যে এনে এক মানৱীয় দৃষ্টি ভংগীৰে আমাৰ সমাজৰ weakest section খিনিক coverage ত অনাৰ বাবে আৰু এই বাজেট খনৰ দ্বাৰাই তেখেত সকলক আমাৰ priority বুলি গণ্য কৰাৰ বাবে মই মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই আগতে বিধান সভাত থাকোতে যেতিয়া বাজেট ভাষণবোৰ শুনিছিলো, কেতিয়াও সূতা-কম্বল বিলোৱাৰ ৰাজনীতিটো বুজি পোৱা নাছিলো, লগতে এই সংক্ৰান্তত বাজেটত টকা ধাৰ্য কৰা ৰাজনীতিও মই বুজি পোৱা নাছিলোঁ। সৌ সিদিনা আমাৰ প্ৰাক্তন মুখ্য মন্ত্ৰীয়ে তেওঁৰ চৰকাৰখনক লৈ যি গৌৰৱ কৰিছিল, এই ক্ষেত্ৰত মই ভাৱো যে, বিগত চৰকাৰৰ সময় ছোৱাত চৰকাৰৰ ১০০ টকীয়া কম্বল, ১৫০ টকীয়া সূতা মুঠি আৰু ১৫০ টকীয়া আঠুঁৱা খনৰ বাবে মানুহে যে হাহাকাৰ কৰি ফুৰিছিল, ১৫ বছৰ ধৰি এখন চৰকাৰে শাসন কৰাৰ পিছতো নিজৰ মানুহ খিনিক ১০০-১৫০ টকাৰ সূতা-কম্বল কিনিব পৰাকৈ যদি সক্ষম কৰিব পৰা নাই তেন্তে এইটো গৌৰৱৰ কথা নেকি? এইটো অতি লজ্জাজনক বিষয় । কিন্তু এইখিনি কথাকে তেওঁলোকে বিদেশত গৈ কৈ ফুৰিছে যে, this is economy, this is my vision of economic development . অধ্যক্ষ মহোদয়, যদি কেৱল ৫ বছৰ কাৰ্যকাল পাইছে, তেন্তে কিছুমান যুক্তি

মানি ল'ব পাৰি কিন্তু ১৫ বছৰ ধৰি ৰাজ্যৰ শাসন ভাৰ চলাবলৈ সুযোগ পোৱাৰ পিছতো এখন চৰকাৰে নিজৰ মানুহখিনিক ১০০-১৫০ টকাৰ সূতা-কম্বল কিনিব পৰাকৈ সক্ষম কৰিব পৰা নাই। গতিকে ইয়াৰ Economic Policy ত নিশ্চয় কিছুমান fundamental problem আছে। অধ্যক্ষ মহোদয়, আমাৰ ল'ৰা-ছোৱালী যেতিয়া ডাঙৰ হয় তেতিয়া আমি অভিভাৱক হিচাপে তেওঁলোকক কওঁ যে, বোপা তুমি এতিয়া ডাঙৰ হ'লা, বয়স হৈছে, এতিয়া তুমি নিজে কিবা এটা কৰি খোৱা। মোৰ ওচৰত সদায় হাত পাতি নাথাকিবা। তাৰ কাৰণে বোপা যদি বিনা পুঁজিৰ যোগান ধৰিব লাগে মই ধৰিম কিন্তু তুমি মোৰ ওচৰত অকল হাত পাতি নাথাকিবা। সৰু সৰু কথাৰ কাৰণে মোৰ ওচৰত আহি নাথাকিবা। এখন চৰকাৰৰ দায়িত্ব ১৫ বছৰ শাসন কৰাৰ পিছত সেইখন চৰকাৰে মানুহখিনিক ক'ব লাগিছিল সূতা, কম্বল বিলোৱা শেষ এতিয়া তোমালোকে কিবা এটা কৰি খোৱা। কিবা পুঁজি যোগান ধৰিব লাগে আমি দিম। চৰক্বৰে কিবা সহায় কৰিব লাগে কৰিম। কিন্তু অকল সূতা, কম্বল বিলাই মানুহক সন্তুষ্ট কৰাৰ এই ৰাজনীতি, economic policy টোত fundamental defect আছে আৰু এনেকে নিজৰ ল'ৰা ছোৱালীক যিসকল অভিভাৱকে ডেকা বয়সলৈকে পুহি থাকে সেই ল'ৰা ছোৱালীবোৰ পিছলৈ ধ্বংস হয়, বেছি মৰম কৰাৰ কাৰণে। যিসকল responsible মাক বাপেকে নিজৰ ল'ৰা ছোৱালীক কিবা এটা কৰি খাবলৈ শিকায় সেই ল'ৰাবোৰ আগবাঢ়ি যায় সমাজত আৰু আমাৰ economic policy টো আগৰ চৰকাৰে economic policy টো যি defective policy আৰু এই policy টো সলাই fundamental যিখিনি আপুনি economic defect আছিল এইটো দূৰ কৰি আমাৰ সমাজত যিখিনি কৃষক সমাজ আছে আমাৰ চৰকাৰে কৈছে কিবা এটা কৰি খাওঁক। আমাৰ ৮০ শতাংশ মানুহ কৃষি অৰ্থনীতিত জড়িত। কিবা এটা কৰি খাওঁক তাৰ কাৰণে ট্ৰেক্টৰ দিম। মেকানাইজেশ্যন কৰি দিম আমি। ২৬ হাজাৰ টেক্টৰ দিম। আগৰ চৰকাৰে ৫০০ টেক্টৰ দি ঢোল কোবায়, ১০০০ টেক্টৰ দি ঢোল কোবায়, ২৬ হাজাৰ ট্ৰেক্টৰ দিয়াৰ পৰিকল্পনা এই চৰকাৰে ঘোষণা কৰিছে। তাৰ পাছত কৈছে এই খেতি কৰোতে যদি শস্য কিনাৰ কাৰণে খেতিৰ season টোত যদি কিবা পুঁজি লাগে '0' percentage ত ১ লাখ টকা লোন দিয়াই দিম বুলি কৈছে। তাৰপাছত কৈছে যদি কৰবাত KCC লোন লওঁতে আপোনাৰ যদি অসুবিধা হৈছে সেই কাৰ্ডবোৰ যেতিয়া defunct হৈ আছে ৩০০০লোন revive কৰাৰ কাৰণে দিম বুলি কৈছে। তাৰপিছত কৈছে scientific সঁজুলি কিনাৰ কাৰণে যদি পইচা লাগে ৫০০০ ৰ লৈকে পইচা দিম বুলি কৈছে। তাৰ উপৰিও কৃষক সমাজত এই যে কৃষি অৰ্থনীতিক যদি আমি আগুৱাই নিনিও আমাৰ ৰাজ্যখন কেনেকৈ আগুৱাব। ডাঙৰ ডাঙৰ গাড়ী বনোৱা factory আমাৰ ৰাজ্যত বনাম বুলি আশা কৰি লাভ নাই। কৃষি অৰ্থনীতি আগবঢ়াব লাগিব। যেতিয়া কৃষক সকল শক্তিশালী হ'ব, কৃষক সকলৰ হাতত যেতিয়া পুঁজি আহিব তেতিয়া ১০০০ টকীয়া কম্বল নিজে কিনি লব। পঁাচশ টকীয়া আঠুৰা নিজে কিনি লব। সূতা নিজে কিনি ল'ব । কিন্তু এই অৰ্থনীতিত সেই angle টো নাচাই অকল সূতা, কম্বল বিলোৱা ৰাজনীতিটো মই ভাৱো যে এইটোৱে আমাৰ ৰাজ্যখন ধ্বংস কৰিছে। অধ্যক্ষ মহোদয়, শেষত মই এইটো কওঁ যে আমাৰ উঠি অহা যুৱ চামটোক এইখন চৰকাৰে কিবা এটা দিব বুলি আশা নকৰি কিবা এটা কৰি খোৱাৰ বাবে পৰিকল্পনা কৰিছে। skill development programme ত ১৪,৫০০ টকা উঠি অহা যুৱ চামক training দিয়াৰ বাবে এইখন চৰকাৰে পৰিকল্পনাত ধৰিছে। ২০০০, ১৫০০ কৈ এজন ব্যক্তিৰ। তাৰ ওপৰঞ্চি financial assistance মানে দুই লাখ টকালৈকে, একলাখ টকালৈকে কোনোবাই যদি পুৰণি বেপাৰ বাণিজ্য কৰি আছে দুইলাখ টকালৈকে linkage

কোনোবাই যদি নতুনকৈ আৰম্ভ কৰিছে, ১ লাখ টকা দিয়াৰ কথা পৰিকল্পনা কৰিছে bank ৰ লগত linkage আৰু বেংকে যদি পইচা দিব নোৱাৰে বেংকৰ credit টো guarantee fund এটাত ধৰিছে। তাৰ ওপৰঞ্চি কৈছে যে ১ লাখ/ এককোটি টকাকৈ যদি কোনোবাই micro, small and medium enterprise যদি কোনোবাই কৰি খাব বিচাৰিছে আমাৰ উঠি অহা যুৱচামে তেনেহ'লে ১ কোটি টকাৰ ৫০ লাখ টকা যদি failure হয় বেংকে দায়িত্ব ল'ব বুলি অধ্যক্ষ মহোদয়, আমাৰ যুৱ সকলে অকল অসমতে নহয় পৃথিৱীত ফেৰ মাৰিব পৰাকৈ এটা Mega skill city development ৰ দায়িত্ব লৈছে তাৰ মানে আমাৰ অসমৰ যুৱক সকলক এটা message দিছে চৰকাৰে যে কিবা এটা কৰি খোৱা আমি লগত আছো। কিবা পুঁজি লাগে, লোন লাগে, skill লাগে, training লাগে সকলো দিম কিবা এটা কৰি খোৱা । অসমত development হ'ব লাগে। অসমৰ যুৱক যুৱতী সকল আগুৱাই যাব লাগে আৰু বিশ্ব জয়ৰ বাবে training যদি লাগে skill city ৰ বাবে Singapore ৰ ITES ৰ লগত linkup কৰি এটা Mega skill city development ৰ প্ৰস্তাৱ লৈছে। অধ্যক্ষ মহোদয়, simple policy মই ভাৱো যে আগৰ চৰকাৰে যিবোৰ policy ত defect আছিল সেই policy বোৰতেই fundamental defect আছিল। Economic policy টোত inclusion আছিল এই দুখীয়া অসহায় শ্ৰেণীটোক inclusive কৰা নাছিল। খেতিয়ক সকলে কিবা এটা কৰি খোৱাৰ ৰাস্তাটো দেখুৱাই দিয়াৰ কাৰবাৰতো নাছিল। এইবাৰ এইখন চৰকাৰে দায়িত্ব লৈছে। তদুপৰি এইখন চৰকাৰে কৈছে অকল সৰু সৰু কথা চিন্তা নকৰি Mega project কিছুমান, Signature project কিছুমান নিজৰ নিজৰ সমষ্টিত আৰু ১২৬ টা সমষ্টিত এই project ৰ কাৰণে পইচা দিছে scrutiny কৰি থকা এইখন চৰকাৰে। ইয়াত কংগ্ৰেছৰ সদস্য সকলেও ভাল পাব লাগে। কৰবাত ২০ কোটি কৰবাত ৮ কোটি, কৰবাত ১২ কোটি হ'ব signature project। Land mark project চিন্তা কৰক বুলি কৈছে। এই সৰু সৰু কথা বিলাক চিন্তা নকৰি এইখন চৰকাৰে আপোনাক মোক সমষ্টিৰ বাবে কিবা এটা কৰাৰ কথা কৈছে। MLA সকলকো কৈছে। Model village কিছুমান development ৰ কথা কৈছে। প্ৰত্যেক গাওঁত এখন এখন Model Village ৫ কোটি টকা, প্ৰত্যেক সমষ্টিত দুখনকৈ Model village দিয়াৰ কথা কৈছে। এইখন চৰকাৰে প্ৰত্যেকখন গাওঁ পঞ্চায়তত private school ৰ লগত compete কৰিব পৰাকৈ এটা এটাকৈ private school ৰ সমান উন্নত স্কুল প্ৰত্যেকটো গাওঁ পঞ্চায়তত গঢ়াৰ কথা কৈছে। এইখন চৰকাৰে পইচা দিয়াৰ কথা কৈছে। তদুপৰি অধ্যক্ষ মহোদয়, electricity ৰ যিটো অসুবিধা এই অসুবিধাটো একেবাৰে নোহোৱা কৰিবৰ বাবে এইখন চৰকাৰে পৰিকল্পনা কৰিছে। কৈছে যে সকলো CFL বাল্ব, normal বাল্ব সলাই LED বাল্ব কৰিব লাগে। তাৰ লগে লগে অসমৰ electricity ৰ বিলটো কমি যাব। electricity need টো কমি যাব। অধ্যক্ষ মহোদয়, এনে পৰিকল্পনা লোৱা এইখন চৰকাৰৰ বাজেটটো সমৰ্থন নজনাই সমালোচনা কৰাৰ স্বাৰ্থত বিৰোধীয়ে কেইটামান অংকৰ দোহাৰি দি সমালোচনা কৰিছে। এই অংকটো যোৱা ৫ বছৰৰ impact. আমাৰ পাটোৱাৰী ডাঙৰীয়াই যিটো কয় উত্তৰাধিকাৰী হিচাবে পোৱা impact হয় এই তথ্যবোৰ। কিন্তু এই চৰকাৰখনে যোৱা দুটা বছৰেও কাম কৰিছে। আমি সকলো ধৰণৰ সহায় সহযোগিতা বিৰোধীৰ পৰা কামনা কৰিলো আৰু আমাৰ ফালৰ পৰা ১০০ শতাংশ নহয় ১০০০ শতাংশ সমৰ্থন আগবঢ়াম বুলি এইখন চৰকাৰক প্ৰতিশ্ৰুতি দি শেষত অধ্যক্ষ মহোদয়, মোৰ সমষ্টি জোনাইত sub division civil hospital ৰ বাবে ১৮ কোটি টকা ঘোষণা কৰিছে। তাৰ বাবে ধন্যবাদ জ্ঞা পন

কৰিছো। Signature Scheme ত ১০-১২ কোটি টকাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু শেষত আমাৰ জনজাতীয় আন্দোলনত যিসকল শ্বহীদ হৈছিল এই জনজাতীয় আন্দোলন, বড়োলেণ্ড আন্দোলনত শ্বহীদ হোৱা ব্যক্তি সকলৰ স্বীকৃতি প্ৰদান কৰাৰ কাৰণে অসমৰ স্বাৰ্থত, অসমৰ বাবে শ্বহীদ হৈছে বুলি স্বীকৃতি প্ৰদান কৰাৰ বাবে চৰকাৰক মই ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী থানেশ্বৰ বসুমতাৰী। আপোনাৰ সময় আছে ৭ মিনিট। সময়ৰ প্ৰতি লক্ষ্য ৰাখিব কাৰণ আমি ১ বজাত উত্তৰ আৰম্ভ কৰিম।

**শ্ৰী থানেশ্বৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কথা ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক মই ধন্যবাদ জনাইছো। মই বিশেষ নকওঁ। কেইটামান বিষয়ৰ ওপৰতহে কম। আজিৰ এই বাজেটখন

আঁচলতে জনমুখী বাজেট। সৰ্বোত্তম বাজেট। সকলো শ্ৰেণীৰ নাগৰিকৰ আশা আকাংক্ষা পুৰণ কৰিব পৰা এখ ন বাজেট। গতিকে এই বাজেটত আমি দেখিছো যে বিগত সময়চোৱাত যিবিলাক আন্দোলন হৈছিল বড়োলেণ্ড আন্দোলনৰ কাৰণে আমাৰ অসম চৰকাৰে যিসকল শ্বহীদ হৈ গ'ল এই আন্দোলনৰ সময়চোৱাত তেখেতসকলৰ পৰিয়াল বৰ্গক পাঁচ লাখকৈ এককালীন সাহায্য দিয়াৰ যি বাজেট উৎথাপন কৰিছে তাৰ কাৰণে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ। শিক্ষামন্ত্ৰী ডাঙৰীয়াই অসমৰ শিক্ষাৰ ক্ষেত্ৰত সংস্কাৰ কৰাৰ কাৰণে যিধৰণৰ ব্যৱস্থা কৰিছে ইয়াৰ ভিতৰত আমাৰ গুনোৎসৱ। গুনোৎসৱে আমাৰ চৰকাৰী বিদ্যালয় বিলাকত আমাৰ সমাজৰ কিছুমান ব্যক্তিয়ে যে ইয়াৰ ল'ৰা ছোৱালী এই পঢ়াশালী বিলাকত পঢ়ুৱাৰ পৰিৱৰ্তে private বিদ্যালয় বিলাকত দিয়াৰ ব্যৱস্থা কৰিছে, এই পৰিস্থিতি ঘূৰি অহাৰ পৰিবেশ আমি দেখিছো। গাওঁত এতিয়া ছাত্ৰ-ছাত্ৰী শিক্ষক আৰু অভিভাৱক সকলৰ ভিতৰত এটা সমন্বয় , এটা environment এই গুনোৎসৱৰ জৰিয়তে সৃষ্টি হৈছে। যিবিলাক বিদ্যালয়ত ছাত্ৰ ছাত্ৰীক admission দিয়া নাছিল আজিৰ দিনত কিন্তু আমি দেখিছো যে প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি হাইস্কুল পৰ্য্যায়লৈকে এই বিদ্যালয় বিলাকত তেওঁলোকৰ ল'ৰা ছোৱালী বিলাকক admission দিয়া আমি দেখিছোঁ। গতিকে মই ধন্যবাদ জনাইছোঁ আৰু এই শিক্ষাৰ ক্ষেত্ৰত পিছপৰি থকা আমাৰ minority অঞ্চলত যি girls college কৰাৰ কথা কৈছে তাৰবাবে মই ধন্যবাদ জনাব বিচাৰিছোঁ। ইয়াৰ বাহিৰেও আমাৰ জনজাতীয় অঞ্চল বিলাকতো যি women college স্থাপনৰ প্ৰস্থাৰ আছে এই প্ৰস্তাৱত মই আহ্বান জনাইছো যে এই জনজাতি অঞ্চল বিলাকতো বিদ্যালয় খন স্থাপন কৰিলে নিশ্চয় লাভান্বিত হ'ব। মই ধন্যবাদ জনাইছোঁ যে আমাৰ বৰছলা, বাগচা, ডুমডুমা, মাজুলী, চিৰাং, ওডালগুৰি আদি জিলা বিলাকত এখন এখন মহাবিদ্যালয় স্থাপন কৰি যি শিক্ষাক্ষেত্ৰত আগবঢ়াই আনিব বিচাৰিছে তাৰ বাবে মই বিত্তমন্ত্ৰীক ধন্যবাদ জনাব বিচাৰিছোঁ। ইয়াৰ বাহিৰেও আমাৰ বি এড কলেজ আমি পাইছো. যে আমাৰ কাৰ্বি আংলং, বঙাইগাওঁ, বাক্সা, নলবাৰী কামৰূপ, মৰিগাওঁ, ডিমাহাচাও, শিৱসাগৰ, বিশ্বনাথ চাৰিআলি, উত্তৰ লক্ষীমপুৰ ইত্যাদি ইত্যাদিত সৰ্বমুঠ ১০ খন বি এড কলেজ স্থাপন কৰাৰ কাৰণে ব্যৱস্থা কৰিছে। গতিকে মই আহ্বান জনাব বিচাৰিছো যে, আমাৰ বি টি চি অঞ্চলৰ ওডালগুৰি এখন নতুন জিলা, চিৰাং এখন নতুন জিলা বিলাকতো এই বি এড কলেজখন স্থাপন কৰিলে নিশ্চয় উপকৃত হ'ব। ইয়াৰ উপৰিও আমাৰ এই বাজেটত ১৫ হাজাৰ নতুন শিক্ষক নিয়মীয়াকৰণৰ নিযুক্তি দিয়াৰ কাৰণে হাতত লৈছে। গতিকে মই এই ক্ষেত্ৰত মই কব বিচাৰিছো যে, অসমৰ বিভিন্ন স্থা নত থকা বড়ো মাধ্যমৰ বিদ্যালয় বিলাকত বহুত শিক্ষকৰ অভাৱ হৈ আছে।

Vacancy বিলাক পূৰণ হোৱা নাই আৰু লগতে যে হাইস্কুলত যি বিজ্ঞান শিক্ষকৰ পদ আছে, বড়ো মাধ্যমৰ এই বিজ্ঞানৰ পদ বিলাক আজিলৈকে পুৰণ হোৱা নাই। যাৰ কাৰণে আমাৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাত যথেষ্ট অসুবিধা হৈছে। গতিকে এই পদ বিলাক পুৰণ কৰাৰ কাৰণে যাতে আমাৰ চৰকাৰে হাতত লয়। মই সেইটো অনুৰোধ জনাই আহিছো। আমাৰ বিশেষকৈ নতুনকৈ স্থাপন কৰা সেই জিলাবিলাকত আমাৰ আইন মহাবিদ্যালয় নাই। এতিয়া এইবাৰৰ বাজেটত আমাৰ চৰকাৰে ধুবুৰী, নলবাৰী,ৰঙিয়া, নগাওঁ, ডিফু , যোৰহাট , ডিব্ৰুগড়, তেজপুৰ, শিলচৰ, উত্তৰ লক্ষীমপুৰ ইত্যাদি এই জিলা বিলাকত নতুনকৈ আইন মহাবিদ্যালয় খোলাৰ কাৰণে প্ৰস্তাৱ ৰাখিছে।গতিকে মই আহ্বান জনাইছো যে, এই বি টি চি অঞ্চলত বিশেষকৈ এই চিৰাং, বাক্সা, আৰু ওডালগুৰি এই তিনিখন জিলাত মানে চাব-ডিভিজন ৰাইজত এখনকৈ যদি আইন মহাবিদ্যালয় খুলিও দিয়ে, তেতিয়া যথেষ্ট উপকৃত হ'ব। স্বাস্থ্য ক্ষেত্ৰত মই ধন্যবাদ জনাইছো যে, এইবাৰ আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই মোৰ সমষ্টিতো এখন মডেল হস্পিতাল দিছে। তেখে তক মই ধন্যবাদ জনাইছো আৰু ইয়াৰ লগতে মই আহ্বান জনাব বিচাৰিছো যে, ভাৰত-ভূটান সীমান্ত খুৱ পিচপৰা ঠাই এখন আছে, দাধৰা বুলি কয়। এই দাধৰাত এখন চাব-চেণ্টাৰ আছে। এই চাব-চেণ্টাৰটো যদি Upgradation কৰা হয় PHE লৈ তেতিয়া তাৰে পিচপৰি থকা বিভিন্ন জনজাতি, চাহজনজাতি, বড়ো জনগোষ্ঠী, নেপালী আছে, বিভিন্ন জাতি-জনগোষ্ঠী ইয়াত বসবাস কৰিছে আৰু তেখেতসকলে যথেষ্ট উপকৃত হ'ব। গতিকে মই আশা কৰো যে, অহা বিত্তীয়বৰ্ষত এই চাবচেণ্টাৰটো PHE লৈ যদি Upgradation কৰে, তেতিয়াহ'লে যথেষ্ট স্বাস্থ্যৰ ক্ষেত্ৰত উপকৃত হ'ব। কাৰণ স্বাস্থ্যৰ তেনেকুৱা সুবিধা নথকা কাৰণে এই পিছপৰি থকা ঠাই বিলাকত আজি অন্ধবিশ্বাস, ডাইনীহত্যা বিভিন্ন ধৰণৰ তেনেকুৱা ঘটনাবিলাক ঘটি আছে। তেওঁলোকৰ সৰু-সুৰা অসুখ হলেও তেওঁলোকে ডাক্তৰৰ চিকিৎসা নপোৱাৰ কাৰণে বেজৰ ওচৰত যায়। বেজে কি কয়, নকয় আমিও নাজানো। গতিকে শেষত গৈ পেলাই কোনোবা ব্যক্তিক ডাইনী সজাই হত্যা কৰা তেনেকুৱা ঘটনাও আমি দেখিছো। গতিকে স্বাস্থ্য ক্ষেত্ৰত মই অনুৰোধ জনাইছো আৰু লগতে মই আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো যে, যোৱা বছৰত আমাৰ যি সৰ্ববৃহৎ কোকলাবাৰী কৃষিফাৰ্ম আছিলে, সেই কৃষি ফাৰ্মত এখন এগ্ৰিকালচাৰ কলেজ স্থাপনৰ কাৰণেআমাৰ বাজেটত উত্থাপন হৈছিলে। মই দেখিছো ইয়াত এইবাৰ এই বাজেটত অহা নাই। যদিও অহা নাই আমাৰ এগ্ৰিকালচাৰ ভি চি বুজৰবৰুৱা ডাঙৰীয়া , তেখেতে চৰজমিন তেওঁ চাইছে। DPR Submit কৰিছে। মই জনা নাই ভিতৰুৱা ভাৱে কিবা এটা হৈ আছে নেকি ? কিন্তু ইয়াত বাজেটত দেখা নাই যে, অহা দিনবিলাকত যাতে এই বাজেটত আহে আৰু সম্পুৰ্ণকৈ এখন কৃষি মহাবিদ্যালয় খন স্থাপন হয়,মই অনুৰোধ জনাইছো। দীঘলীয়াকৈ কব বিচৰা নাই। ধন্যবাদ জনাইছো চাৰ।

**মাননীয় অধ্যক্ষ ঃ** Thank you for responding my call. আপুনি সময়ত শেষ কৰিছে। শ্ৰী বিনন্দ শইকীয়া, তাৰ পাছত শ্ৰী ৰাজেদ আলি চৌধুৰী ডাঙৰীয়া, যদি সময় পাওঁ আৰু দুজনৰ নাম আছে। কিন্তু সময়ৰ ওপৰত নিৰ্ভৰ কৰিব। যদি আপুনি চমু কৰে, এজনে হয়তো সময় পাব। সময় আপোনালোকৰ আছিল, যিহেতু সকলোকে দিব লাগিব। আপুনি কওঁক।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, (চিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্তমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ২০১৮-১৯ বৰ্ষৰ কাৰণে যি বাজেট উত্থাপন কৰিছে এই পবিত্ৰ সদনত, সেই বাজেট সম্পৰ্কে মই দুটামান কথা কব খুজিছো। মোৰ দীঘলীয়া কথা নাই। অধ্যক্ষ

মহোদয়, সকলোৱে কৈছে, ধুনীয়াকৈ শাসক পক্ষই কৈছে, বিৰোধী পক্ষই কৈছে। মই একাষাৰে কম যে, এই যিখন বাজেট ইয়াত উত্থাপন কৰিছে, মাননীয় বিত্ত মন্ত্ৰী ডীঙৰীয়াই। এইখন অতি দুৰদৃষ্টি সম্পন্ন আৰু এখন বিকাশ মুখী বাজেট আৰু আৱাল বৃদ্ধ মানে শিশুৰ পৰা বৃদ্ধলৈকে সমাজৰ সকলো শ্ৰেণীৰ লোকক এই বাজেটে খুৱ সুন্দৰকৈ সামৰি লোৱাটো পৰিলক্ষিত হৈছে। অধ্যক্ষ মহোদয়, বাজেট হৈছে, আমি কি কৰিম আহি থকা দিনকেইটাত, তাৰ এটা আগতীয়া ধাৰণা আৰু আমাৰ বিত্তীয় বৰ্ষ হিচাপে প্ৰতি বছৰতে আমাৰ চৰকাৰৰ তৰফৰ পৰা বিত্ত মন্ত্ৰীয়ে এই বাজেট দিয়ে। আমি এই বাৰ বাজেটত যিটো আগতীয়া ধাৰণা আমি পাইছো এই বাজেট অনুসৰি। মই ভাবো যে আমি বিকাশৰ পথত আগুৱাই যাবৰ কাৰণে এই বাজেটে আমাক বহুতখিনি সহায় কৰিব। অহা দিন বিলাকত আমাৰ সকলো ক্ষেত্ৰতে আমাৰ ভূমি আৰু সম্পদৰ ব্যৱহাৰ কৰি শিক্ষা, স্বাস্থ্য, যাতায়ত যোগাযোগৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে বিকাশৰ এটা ৰেঙণি আমি বাজেটত দেখিছো। অধ্যক্ষ মহোদয়, বহুতে কৈছে যে এই যিখন বাজেট, এইখন নিৰ্বাচন মুখী বাজেট বুলি কৈছে। হয়, নিৰ্বাচনমুখী বাজেট কেতিয়াবা তাৰ উদাহৰণ নথকা নহয়। আমাৰ এইখন সদনতে আমাৰ এইখন অসমতে এনেকুৱা নিৰ্বাচনমুখী বাজেট দিয়া হৈছিলে। সিদিনাখন প্ৰাক্তন মুখ্যমন্ত্ৰী বিধায়ক শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই তেখেতে বক্তৃতা দিওতে মই শুনি আছিলো, আজি তেখেত নাই। তেখেতৰ যিটো কাৰ্য্যকাল আছিলে, তাৰে ১৫-১৬ বছৰৰ যিটো বিত্তীয় বৰ্ষৰ বাজেট আমি কব পাৰো যে, সেইখন এখন আছিল নিৰ্বাচন মুখী বাজেট। শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই যিখন বাজেট শেষৰ বছৰত উত্থাপন কৰিছিলে, সেইখন নিৰ্বাচনমুখী এই কাৰণেই কব পাৰো, তাত কিছুমান আঁচনি ধৰিছিলে মুখ্যমন্ত্ৰী বিশেষ আঁচনি নাম দি। সেই আঁচনি বিলাকৰ চিন নাই।সেই আঁচনি বিলাক আছিলে কিবা Dwelling House, Rural Artisan নামৰ এখন আঁচনি আছিলে, য'ত ১০ হাজাৰকে টকা একোজন তেনেকুৱা Rural Artisan মানে কমাৰ, কুমাৰ তেনেকুৱা মানুহক ১০ হাজাৰ টকা দি এখন আঁচনি লৈছিল । ২৫ হাজাৰ টকাটো এটা Dwelling House নামৰ এটা ঘৰ দিয়াৰ ব্যৱস্থা কৰিছিল,বাজেটত আছিল। কাৰণ অধ্যক্ষ মহোদয়, মইও প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া মুখ্যমন্ত্ৰী আছিলে ১০ বছৰ মইও বিধান সভাত আছিলো আৰু মই সেই সময়ত দিয়া বাজেটৰ প্ৰতিটো কথা মোৰ মনত আছে। আৰু সেই যেDwelling House দিছিল আজি কতো আপুনি চিনমোকাম নাপায়। কতো নাই সেইবিলাক। সেয়া আছিল প্ৰকৃততে নিৰ্বাচনমুখী বাজেট। কাৰণ সেই যে ২৫ হাজাৰ টকাকে দিছিল, সেইটকা বিলাক প্ৰকৃতাৰ্থত কোনো Dwelling House কাৰো ক'তো ঘৰ বনোৱা নহ'ল। সেই বিলাক সেই সময়ত নিৰ্বাচনত ব্যৱহাৰ কৰা হ'ল। সেইবিলাক সেই সময়ত তেওঁলোকৰ কি ছুমান কৰ্মীক ভগাই দিয়া হ'ল Dwelling House ৰ নামত। ১০ হাজাৰ টকাকৈ যিবিলাক Rural Artisan নামত পইচা দিছিল, সেই পইচাবিলাক তেনেকৈ ভগাই দিয়া হ'ল ।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, (চিপাঝাৰ) ঃ** এয়া আমাৰ ৰাইজৰ ধন, চৰকাৰী ধন। এনেকে অৰাবতে নষ্ট কৰা এইবিলাক হৈছে উদাহৰণ। আজি তেখেতে বহুত কথা কৈছে, তেখেতে অৱশ্যে বাজেটৰ ওপৰত একো বেছি কথা নকলে কৈ থাকোতে তেখেতৰ কিছুমান ভ্ৰমণ কাহিনী কিছু কথা আমি শুনিবলৈ পালো। বিভিন্ন ঠাইত কেনেকৈ গ'ল, ক'ত কি চালে, সেইখিনিলৈ আহিম। কথা হৈছে সেইবিলাক আমাৰ উদাহৰণ আছে. কিন্তু আমাৰ যেতিয়া বাজেট দিছে, মই দেখিছো যে ১৬-১৭ বৰ্ষৰ পৰা যি বাজেট আমাৰ নতুন চৰকাৰ অহাৰ পিছত দিছে, প্ৰতিখন বাজেটৰ এটা বৰ্তমান পৰিস্থিতিৰ লগত আৰু ভৱিষ্যতৰ লগত এটা সামঞ্জস্য ৰাখি এটা দীৰ্ঘমাদী পৰিকল্পনা কৰি এই

বাজেট বিলাক প্রস্তুত কৰা হৈছে। প্ৰকৃততে মানৱ সম্পদ তৈয়াৰ কৰিব পৰাকৈ, প্ৰকৃততে এই মানৱ সম্পদ কামত লগাব পৰাকৈ এই বাজেট তৈয়াৰ কৰা হৈছে অধ্যক্ষ মহোদয়। মই আমাৰ বিত্ত মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাম যে ইমান দিনে কেতিয়াও কোনোৱে নোকোৰা কথা এটা বিধান সভাত তাকো বিত্ত মন্ত্ৰীৰ বাজেট ভাষনত আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে। সেইটো হৈছে ঐতিহাসিক পথৰুঘাটৰ কথা। পথৰুঘাটৰ কথা আমি সকলোৱেই জানোৱেই কম বেছি পৰিমানে। তথাপি বিধান সভাত আজিলৈকে বিত্ত মন্ত্ৰীৰ বাজেট ভাষণেই হওঁক বা অন্য কিবা বিষয়ত পথৰুঘাটৰ কথাটো এই ধৰণে ইয়াত উল্লেখ হোৱা নাছিল। কিন্তু এইবাৰ যিটো গুৰুত্ব দি মহান শ্বহীদ সকলৰ প্ৰতি দেখুওৱা হৈছে, সেই মহান শ্বহীদসকল, ১৪০ গৰাকী কৃষক অধ্যক্ষ ডাঙৰীয়া, বৃটিছৰ এই নিৰ্মম অত্যাচাৰত, গুলিচালনাত প্ৰাণ আহুতি দিছিল। কিহৰ কাৰণে দিছিল? যে প্ৰতিবাদ কৰিবলৈ গৈ। যিটো সময়ত এই বৃটিছ চৰকাৰে নিৰীহ মানুহক সৰ্বসাধাৰণ ৰাইজৰ ওপৰত কৰ জাপি দিছিল, কৰৰ বোজা বৃদ্ধি কৰিছিল। সেই সময়ত এই খাজানা বৃদ্ধিৰ প্ৰতিবাদ কৰিবলৈ গৈ নিৰস্ত্ৰ এই জনতা গুলীৰ সন্মুখীন হৈছিল। আৰু ১৪০ গৰাকী কৃষক শ্বহীদ হৈছিল পথৰুঘাটত। এয়া এক ঐতিহাসিক ঘটনা। আমি জালিয়ানাবাগৰ হত্যাকাণ্ডৰ কথা জানো আজি সেয়া ভাৰতবৰ্ষৰ বুৰঞ্জীত স্থান পাইছে। আজি পথৰুঘাট ও তাতকৈ কোনো গুণে কম নহয় অধ্যক্ষ ডাঙৰীয়া। আজি সেই পথৰুঘাটৰ কথা আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই অসম বিধান সভাত বাজেট ভাষণত সেই কৃষক সকলৰ প্ৰতি শ্ৰদ্ধা জনাই আজি কৃষকৰ আঁচনি গ্ৰহণ কৰাৰ কথাটো সচাঁকৈয়ে মই গৌৰাৱান্বিত হৈছো। কিন্তু কবলৈ দুখ লাগে যে, আমাৰ প্ৰাক্তন মুখ্য মন্ত্ৰী ডাঙৰীয়া কমেও ৫ বাৰ গৈছে সেই পথৰুঘাটলৈ। আজি তেখেতে বহুতখিনি কথা কৈছে সেইদিনাখন কমেও ৫ বাৰ গৈছে। গৈ সেই পথৰুঘাটৰ প্ৰতি কিন্তু তেওঁলোকে একো নকৰিলে। আজি ভিয়েটনামৰ কথা কৈছে তেখেতে। ভিয়েটনামাত গৈ খেতি-বাতি চাই অহাৰ কথা কৈছে তেখেতে। সেই খেতি চাই আহি ক'ত প্ৰয়োগ কৰিলে? ক'ত এই বিলাক খতুৱালে? পথৰুঘাটত তাৰে যদি কিঞ্চিৎ টো কিবা এটা কৰিলেহেতেন, সেই কৃষিৰ আৰ্হিত, কিন্তু তেও ঁকি কলে, ক'ত কি কল গছৰ ভুড় সাজিলে কি হয়? তাতো ভুড় সাজে। তেনেকুৱা কথা এটা কোৱাহে মোৰ মনত আছে। গতিকে এই বিলাক কথা আপুনি তুলনা কৰি চাই আমিটো Comparative এটা আলোচনা কৰিব লাগে। তুলনামুলক এটা আলোচনা কৰিব লাগিব। অধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই বহুত সমালোচনা কৰিছে। কিন্তু এই তুলনামুলক যিটো অধ্যয়ন বা তুলনামুলক যিটো আলোচনা, ইয়াৰ পৰা গম পোৱা যায়, যে আগৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিন্তু সেই পথৰুঘাটৰ কাৰণে একো নকৰিলে। ৫ বাৰ গ'ল। এবাৰ এটা আধাৰশিলা স্থাপন কৰিলে। সেই আধাৰশিলাৰ পিছত তাত একো নহ'ল। এক পইচাও নিদিলে। বাজেটত টকাও নাই। এতিয়া মই গৌৰৱ কৰো যে আমাৰ মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই প্ৰথমবাৰৰ কাৰণে পথৰুঘাটত চৰকাৰী অনুষ্ঠান পাতিলে যোৱা বছৰ। আৰু চৰকাৰী অনুষ্ঠান পতাই নহয়, কথা ৰাখি কাম কৰিছে। তেওঁ নিজৰ আচুটীয়া পুঁজিৰ পৰা ২ কোটি টকা দিলে, তাত ইনফ্ৰাষ্টাকচাৰৰ কাৰণে। কৃষি বিভাগৰ জৰিয়তে ৫ কোটি টকা দিলে। ৭কোটি টকা আমি পালো। আৰু এইবাৰ আকৌ আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই কৈছে তাত এটা শ্বহীদ সকলৰ স্মাৰক এটা সংগ্ৰাহালয়ৰ কাৰণে ১ কোটি টকা আকৌ তাত দিব। গতিকে এইখন চৰকাৰে দুটা বছৰত আজি ৮ কোটি টকা দিছে, য'ত প্ৰাক্তন মুখ্য মন্ত্ৰী ডাঙৰীয়াই বহুত কথা কব পাৰে ১৫ বছৰত কিন্তু তাত একো নকৰিলে। দুবাৰ আধাৰশিলা হ'ল। এবাৰ কৃষিমন্ত্ৰী গৰাকীয়ে কৰিলে এবাৰ মুখ্যমন্ত্ৰী গৰাকীয়ে কৰিলে। আধাৰশিলাৰ ৰাজনীতি কৰি ১৫ টা বছৰ পাৰ

কৰিলে এতিয়া তেখেতে তেনেকুৱা বহুত কথা কৈছে।

**माननীয় অধ্যক্ষ ঃ**- ২-৩ মিনিত শেষ কৰিব লাগিব।

**শ্ৰী বিনন্দ শইকীয়া, বিধায়কঃ**- মই শেষ কৰিম অধ্যক্ষ ডাঙৰীয়া, কথাখিনি নকলে, অকনমান বেয়া লাগি থাকিব। ইমান এটা ঐতিহাসিক কথা। অধ্যক্ষ মহোদয়, মই সেই কাৰণে এটা তুলনামুলক বিশ্লেষন এটা কৰিব পাৰিছো। মই যে আজি তুলনা কৰিব পাৰিছো, কিহৰ কাৰণে? মই ১০ বছৰ তাত আছিলো, ১০ বছৰ মই বিধায়ক আছিলো কাৰণে সেই সময়ৰ কাৰ্য্যসূচী মই দেখিছো, আৰু আজিৰ কাৰ্য্যসূচী মই দেখিছো। আৰু দেখি মই কথা কৈছো। মই এনেয়ে কথা কোৱা নাই। কাৰণ মোৰ অভিজ্ঞতা হ'ল। সেই অভিজ্ঞতা সঞ্চয় কৰিহে আজি মই ইয়াত কথা কৈছো। গতিকে অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে যে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সকলোৱে কৈছে, মই এইখিনি পুনৰাবৃত্তি কৰিব খোজা নাই। প্ৰশাসনীয় সংস্কাৰ যিটো আমাৰ গুৰুত্বপূৰ্ণ। আজি বাজেট আমি দিছো, ইমান কোটি টকাৰ বাজেট, এই কোটি টকাৰ বাজেট আমাৰ হব কেতিয়া? implement কেনেকে হব? যদি প্ৰশাসনীয় ব্যৱস্থাটো সঠিক, যদি প্ৰশাসন দৃঢ় নহয়, যদি আমাৰ প্ৰশাসনে ভালকে কাম নকৰে, যদি Committed Administration এটা নাপাওঁ, আমি বাজেট যিমান ভালকে দিলেও কাম নহব। অধ্যক্ষ ডাঙৰীয়া, আৰু মই ভাল পাইছো বিত্ত মন্ত্ৰী ডাঙৰীয়াক, এইকাৰণেই যে, প্ৰশাসনীয় সংস্কাৰৰ ব্যৱস্থা এটা তেওঁ এই বাজেটত কৰিছে। এইটো অতি গুৰুত্বপূৰ্ণ কথা। কোনোৱে কোৱা নাই কাৰণে মই এই কথাটো ইয়াত উত্থাপন কৰিছো। কিন্তু আগতে কি হৈছিলে, মইটো আগতেও দেখিছো, এটা সময়ত প্ৰশাসনীয় সংস্কাৰ আয়োগ গঠন কৰা হৈছিল। প্ৰশাসনীয় সংস্কাৰ আয়োগে যি বোৰ recommendation দিলে সেই recommendation বোৰ কিন্তু ধোৱাচাংত তুলি থোৱা হৈছে। এতিয়া অন্ততঃ আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই এইবাৰ কি কৰিছে যে, training ৰ ব্যৱস্থা কৰিছে। সেয়াটো ভালকে পাবৰ কাৰণে। কৰ্মচাৰী সকলৰ 3rd Grade, 4th Grade ৰ training ৰ ব্যৱস্থা আজি কৰিছে। আজি জিলা বিলাকত যোনে উৎকৃষ্ট সেৱা দিব, কৰ্মশ্ৰী বঁটা দিব খুজিছে। এইটো কিহৰ কাৰণে যে আমি এটা ভাল প্ৰশাসনীয় ব্যৱস্থা এটা আমি যাতে পাব পাৰো। কিন্তু যিটো কথা আগতে অকল ধোঁৱাচাংত তুলি সেই সময়ৰ মুখ্যমন্ত্ৰীয়ে কথাটো কোনো গুৰুত্ব নিদিলে। প্ৰশাসনীয় আয়োগৰ প্ৰতিবেদন কৰবাতে পৰি থাকিল। মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক সেই কাৰণেও ধন্যবাদ জ্ঞাপন কৰিছো, আৰু এটা কথা যে দূৰনীতি মুক্ত প্ৰশাসনৰ কাৰণে যিটো ব্যৱস্থা, আমাৰ চৰকাৰে লৈছে, এইটো এটা বহল ক্ষম যিটো উন্নয়ন, আমি সেই দিনাখন আপোনাৰ লগতে মিটিং কৰিছো অধ্যক্ষ মহোদয়, যিটো ব্যৱস্থা হৈছে আমি বিধায়ক সকলেও এতিয়া কথাবিলাক বুজিছো। আমি আগতে এইবিলাক কথাৰ কেৱল শব্দ বিলাক শুনো, কিন্তু তাৰ কোনো প্ৰকৃতাথৰ্ত কি কৰিব বিচাৰিছে, এই বিলাক কথা গম নাপাওঁ। এতিয়া আপোনাৰো এটা ইনচিয়েটিভ আমি ভাল পাইছো, আৰু আমাৰ মন্ত্ৰী ডাঙৰীয়াইয়ো লৈছে। সঁচাকৈয়ে মই ভাল পাইছো। আৰু মহিলাৰ ক্ষেত্ৰত, আজি মহিলাৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে যথেষ্ট ভাল ভূমিকা এটা গ্ৰহণ কৰিছে। বিশেষভাৱে আজি সংখ্যালঘু ছাত্ৰী বিলাকৰ, বহুতে কৈছে যে সংখ্যালঘুক গুৰুত্ব দিয়া নাই। আজি সংখ্যালঘু ছাত্ৰী বিলাকৰ কাৰণে যিটো জলপানীৰ ব্যৱস্থা, আজি দশম শ্ৰেণীৰ পৰা post-Graduate level লৈকে কিমান ধুনীয়া ব্যৱস্থা এটা কৰিছে। যিটো কথা আগতে কোনোৱেই চিন্তা কৰা নাছিল। এই বিলাক কথা আজি আমি সলাগ লবই লাগিব। আজি বাজেটখনক কোনোবাই কৈছে যে সাহিত্য। সাহিত্য লাগিবই অধ্যক্ষ ডাঙৰীয়া। য'ত ইচ্ছাশক্তি থাকিব, প্ৰবল ইচ্ছাশক্তি, য'ত সততা থাকিব, য'ত কৰ্মসূচী থাকিব, তাত সাহিত্য

automatically আহিব। আৰু মহিলা সকলৰ কথা। মই কৈছো যে, মহিলা বিশ্ববিদ্যালয়ৰ কথা কৈছে সেই দিনা তৰুণ গগৈ ডাঙৰীয়াই, যোৰহাটৰ মহিলা বিশ্ববিদ্যালয়, তেখেত থকা দিনত Vice-Chancellor এজনো নিযুক্তি দিব নোৱাৰিলে। তেখেতে Vice-Chancellor য়েই দিব লোৱাৰিলে মহিলা বিশ্ববিদ্যালয়ত আৰু তেখেতে মহিলা বিশ্ববিদ্যালয়ৰ কথা কৈছে। গতিকে এনেকুৱা ধৰণৰ কথাবিলাক আমি চালি-জাৰি চাব লাগিব। অধ্যক্ষ ডাঙৰীয়া, বিত্তমন্ত্ৰী ডাঙৰীয়াই খুব সন্তোলিত, Balance Budget এখন আমাক দিছে, যিখনৰ জৰিয়তে আমি এতিয়া সপোন দেখিবলৈ আৰম্ভ কৰিছো। ভাল ভৰিষ্যত এটা দেখিছো আৰু এটা কথা কৈ মই সামৰিম, সেইটো হৈছে আমাৰ গড়কাপ্তানিত পইচা আৰু দিব লাগে. গড়কাপ্তানিত অলপ বেছিকৈ পইচা দিবলৈ মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। আমাৰ উত্তৰ গুৱাহাটীৰ দলংখন হৈছে খুব ভাল পাইছো। আমাৰ নাৰেংগী কুৰুৱাৰ খনো হলে ভাল হয়। আগৰ মুখ্য মন্ত্ৰীয়ে এটা আধাৰশিলা তাতো কৰিছিল অধ্যক্ষ ডাঙৰীয়া, গতিকে এইটো নহ'ল একো। এ্তিয়া মই আমাৰ বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, তেখেতৰো সমষ্টি পৰে, আমাৰ এই গোটেই উত্তৰ অঞ্চলৰ কাৰনে নাৰেংগীৰ কুৰুৱাৰ দলংখন যাতে কৰি আমাক কিছু সকাহ দিয়ে, সেই অঞ্চলৰ ৰাইজক তাৰ কাৰনে অনুৰোধ জনাইছো। আৰু সদৌ শেষত আমাৰ গুণোৎসৱৰ জৰিয়তে যি বিদ্যালয় বিলাকলৈ ৯৮০ কোটি টকা দিলে, এইটোৰ কাৰণে ধন্যবাদ জনাইছো, আৰু এইখিনি কথা কবলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাই মই সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ ,আমাৰ কবলৈ দিয়াত আপত্তি নাই। কিন্তু আমাৰ সময়ৰ লিমিটেশ্যন থাকে, আপোনাৰ ৬ মিনিট আছে যদিও ১০ মিনিটলৈকে সময় দিম। মই ৬ মিনিটত এটা সংকেট দিম তাৰ পাছত যাতে তাতকৈ আগলৈ নাযায়। ধন্যবাদ। শ্ৰীওয়াজেদ আলী চৌধুৰী।

**শ্ৰীওয়াজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বাজেট বিতৰ্কত বক্তৃতা দিব বিচৰা নাই, মাত্ৰ কেইটামান কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। অলপ আগতে আমাৰ বিধায়ক বন্ধুবৰ বিনন্দ শইকীয়া ডাঙৰীয়াই প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্ম্পকত অলপ সমালোচনা কৰিলে। যোৱা বিধান সভালৈকে তেখেতেও প্ৰাক্তন মুখ্যমন্ত্ৰীৰ লগতে আছিল। মই কিন্তু নাছিলো কাৰণ মই যোৱা বিধান সভাত জিকি আহিব পৰা নাছিলো। আগৰ বিধানসভা সমূহত বাজেট যিজন বিত্তমন্ত্ৰীয়ে দাখিল কৰিছিল - সেইজন মন্ত্ৰীয়েই এইবাৰো বাজেট দাখিল কৰিছে।

**ড°হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক এটা কথা স্পষ্ট কৰি দিব বিচাৰিছো যে - মই অসমত কেতিয়াও বিত্ত মন্ত্ৰী হিচাপে বাজেট দিয়া নাই । মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল চৰকাৰৰ মন্ত্ৰীসভাতে প্ৰথমবাৰ বাজেট দাখিল কৰিছো।

**শ্ৰীওয়াজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বাজেটত বহু নতুন নতুন আঁচনি অনা হৈছে। যদি এই প্ৰতিশ্ৰুতিখিনি বাস্তবায়িত হয় তেতিয়া হ'লে ভাল পাম। যোৱা বাজেটৰ যিখিনি প্ৰতিশ্ৰুতি আছিল, সেইখিনিটো বাস্তবায়িত হোৱা নাই। গতিকে এইবাৰো আমি বাজেট পঢ়ি ভাল পাইছো। কিন্তু অসমৰ জলন্ত সমস্যা হৈছে বানপানী গড়াখহনীয়া সমস্যা। এই সমস্যাটোৰ কথা বাজেটত দেখিবলৈ পোৱা নাই। আজি জাতি-মাটি -ভেটি ৰক্ষাৰ চৰকাৰ চলি আছে। ব্ৰহ্মপুত্ৰ নদীয়ে প্ৰতিবছৰে অসমৰ লাখ লাখ খেতি মাটি খহাই লৈ গৈ আছে। গতিকে জাতি-মাটি-ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰে আমাৰ জলন্ত সমস্যা সমূহ যেনে গড়াখহনীয়াৰ সমস্যা, বানপানীৰ সমস্যা আদিৰ ক্ষেত্ৰত সমাধানৰ বাবে ব্যৱস্থা কৰা বাজেটখনত দেখিবলৈ নাপালো। আজি আমাৰ বিনন্দ শইকীয়া ডাঙৰীয়াই কৈছে যে গড়কাপ্তানি বিভাগক অধিক টকা আবন্টন দিব লাগে। মইও

একমত কাৰণ ৰাস্তা-ঘাটৰ উন্নতি হ'লেহে এটা অঞ্চলৰ উন্নতি হ'ব। অধ্যক্ষ মহোদয়, সংখ্যালঘূ ছাত্ৰীসকলৰ বাবে বিত্তমন্ত্ৰী মহোদয়ে নখন কলেজ স্থাপনৰ কথা বাজেটত ঘোষণা কৰিছে, তাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু ২৫ লাখতকৈ অধিক লোকে বসবাস কৰা চৰ অঞ্চলত এই মহাবিদ্যালয়সমূহ দিয়া নাই। এখন মহাবিদ্যালয়ো চৰ অঞ্চলত দিয়া নাই। ২০০৩ চনত শিক্ষাৰ বাবে চৰ অঞ্চলত জৰীপ কৰা হৈছিল। আপুনি শুনি আচৰিত হ'ব যে চৰ অঞ্চলত শিক্ষাৰ হাৰ ১৯ শতাংশ আৰু মহিলাৰ শিক্ষাৰ হাৰ ৩ শতাংশ। এই জৰীপটো চৰ উন্নয়নৰ তৰফৰ কৰা হৈছিল আৰু সেইসময়ত চৰ উন্নয়নৰ দায়িত্বত মইয়েই আছিলো। আজি আমি জনসংখ্যা নীতি সম্পৰ্কত বিধান সভাত প্ৰস্তাৱ গৃহিত কৰিছো। অকল পঞ্চায়তৰ প্ৰতিনিধিখিনি ক্ষেত্ৰত বাধ্য বধকতা আনিলে আমাৰ জনসংখ্যা বৃদ্ধি ৰোধ হ'ব জানো? কেতিয়াও নহয়। আমি সেই অঞ্চলসমূহৰ ৰাইজক শিক্ষিত কৰিব লাগিব। তাৰ মহিলাসকলক সু-শিক্ষিত কৰিব লাগিব। আজি সেই অঞ্চল সমূহত উচ্চ শিক্ষাৰ বাবে অষ্টম শ্ৰেণীৰ পিছত পঢ়িবলৈ হাইস্কুল নাই, কলেজ নাই। দুখীয়া মানুহে ল'ৰা-ছোৱালীক হোষ্টেলত ৰাখিব নোৱাৰে গতিকে অষ্টম নাই দশম শ্ৰেণী উত্তিৰ্ণ হোৱাৰ পিছত বিয়া দি দিয়ে। যাৰ ফলত জনসংখ্যা বৃদ্ধি হয়- এইটো স্বাভাবিক। আপোনালোকেও সেই কথাটো সিদিনা কৈছে যে আমাৰ জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ হ'লে আমি সজাগতা সৃষ্টি কৰিব লাগিব, সেই অঞ্চল বিলাকত স্কুল প্ৰতিষ্ঠা কৰিব লাগিব। মানুহখিনিক সু-শিক্ষিত কৰি তুলিলে জনসংখ্যা বৃদ্ধিটো ৰোধ হ'ব। মই চৰ অঞ্চলত জন্ম গ্ৰহণ কৰা মানুহ। মোৰ দুটা সন্তান। এটা ল'ৰা, এজনী ছোৱালী। তেনেকুৱা মোৰ বহু বন্ধু-বান্ধৱী আছে যিসকলৰ ল'ৰা ছোৱালী কম। শিক্ষিত হ'লে জনসংখ্যা বৃদ্ধিটো ৰোধ হৈ যাব। অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ে পৰহি কিবা এটা কথা কৈছিল ভেঞ্চাৰ স্কুলৰ সম্পৰ্কত। যিটো সময়ত নিযুক্তি বন্ধ হৈ আছিল সেই সময়ত কিন্তু এই ভেঞ্চাৰ স্কুল বিলাকে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰিছিল। তাৰ বাহিৰে অন্য গত্যান্তৰ নাছিল। আমাৰ আজিৰ শিক্ষামন্ত্ৰী তথা বিত্ত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া সেই সময়ৰ শিক্ষামন্ত্ৰী আছিল। আজি যিখিনি সংযোগ শিক্ষা কৰ্মী আছে, সেই শিক্ষা কৰ্মীসকলে নিযুক্তি বন্ধৰ সময়ত শিক্ষা দান কৰিছিল। গতিকে তেওঁলোকৰ কথা আমি চিন্তা কৰিব লাগিব। যিসকলে চৰত যোৱা নাই সেইসকলে চৰৰ কথা নাজানে। চৰ অঞ্চলত এতিয়াও বহু অশিক্ষিত মানুহ আছে। গতিকে চৰ অঞ্চলৰ মানুহখিনিক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই লৈ যাবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম। চৰকাৰে চৰ অঞ্চলত কিছু হাইস্কুল স্থাপন কৰক। বিশেষকৈ বাজেটত উল্লেখ কৰা মহিলা বিদ্যালয়সমূহৰ ভিতৰৰ এখন বিদ্যালয় চৰ অঞ্চলত দিয়াৰ ব্যৱস্থা কৰিবলৈ আপোনাৰ জৰিয়তে চৰকাৰ অনুৰোধ জনালো। ছাৰ, সংখ্যালঘূ ৰাইজৰ উন্নয়নৰ বাবে এম.এছ.ডি.পি আঁচনিৰ জৰিয়তে কাম চলি আছে। কিন্তু এই আঁচনিটোৱে সকলো জিলা সামৰি ল'ব পৰা নাই। আমাৰ মহকুমা ভিত্তিত একোখন সংখ্যালঘূ উন্নয়ন বোৰ্ড আছে সেই বোৰ্ডসমূহক বিগত দুবছৰত এটকাও দিয়া হোৱা নাই। এই বোৰ্ডসমূহ চলি আছেনে নাই আমি বুজি পোৱা নাই। সেই সম্পৰ্কেও বাজেটত উল্লেখ কৰা নাই। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যদি সঁচাকৈৰে সংখ্যালঘূ ৰাইজৰ উন্নতি বিচাৰে তেতিয়া হ'লে মহকুমা ভিত্তিত যিখন উন্নয়ন বোৰ্ড আছে সেইখন সক্ৰিয় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক। শেষত আমি মন্ত্ৰী মহোদয়ক ধ্যবাদ দিছো আমাৰ প্ৰতিজন বিধায়কৰ পৰা Signature Scheme বুলি এখনScheme লৈছিল আৰু অন্তৰৰ পৰা আমি আনন্দিত হৈছিলো যে সমষ্টিৰ অতি গুৰুত্বপূৰ্ণ আঁচনি আমি কৰিব পাৰিম। এই গুৰুত্বপূৰ্ণ আঁচনিৰ কথাটো আমি যোৱা বিধান সভাতো কৈছো আৰু আগৰ বিধান সভাতো কৈছো যে আমাৰ এক লাখ মানুহৰ সাতটা গাওঁ

পঞ্চায়ত আৰু এটা জিলাপৰিষদ আছে। তাত আমি PMSY ৰাস্তা বনাইছো,পকা ৰাস্তা বনাইছো। কিন্তু টিপটা আৰু সুঁতাধাৰী এখন সৰু নদী আছে। সেইখিনি আহি নাওঁৰে পাৰ হ'ব লগা হয়। পাৰ হওঁতে জনসাধৰণে জনপ্ৰতিনিধিক গালি পাৰি থাকে। আমি ৰাস্তা বনাই দিলো। কিন্তু দলং বনাই দিব নোৱাৰিলো। মই এই দলং খন Signature Scheme ত দিছো। কিন্তু ইয়াত যিটো দহ কোটি টকাৰ কথা উল্লেখ কৰা হৈছে, আমাৰ সেই দলংখন দহ কোটি টকাত নহ'ব। মই ইতিমধ্যে মন্ত্ৰী মহোদয়ক লগ ধৰি এই কথাটো জনাইছো। গতিকে ব্যক্তি গত ভাৱে আমাৰ সমষ্টিৰ বাবে এই দলংখন অতি দৰকাৰ । মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহেদয়ক অনুৰোধ কৰিছো যে দলংখন আমাক কৰি দিয়ে আৰু বাজেটখনৰ জলন্ত সমস্যাখিনি বিশেষকৈ জলসম্পদ,গড়কাপ্তানি বিভাগ কৃষি বিভাগ আৰু অন্য বিভাগসমূহ যিবিলাকে পৰম্পৰাগত ভাৱে আগতে গুৰুত্ব দিয়া হৈছিল সেইটোত যাতে গুৰুত্ব দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী ডাঙৰীয়াই কওক।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১২ তাৰিখে আপোনাৰ অনুমতি সাপেক্ষে অসম বিধান সভাত মই যি বাজেট উপস্থাপন কৰিছিলো, সেই বাজেট বিতৰ্কত আমাৰ বিধান সভাৰ সন্মানীয় প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া, দেৱাননন্দ হাজৰিকা, প্ৰদীপ হাজৰিকা আমিনুল ইছলাম ডাঙৰীয়া, চন্দন ব্ৰহ্ম, তেৰছ গোৱালা ডাঙৰীয়া, বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়া, ভৰেন্দ্ৰ নাথ ভৰালী ডাঙৰীয়া, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়া, ৰমাকান্ত দেউৰী ডাঙৰীয়া, মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া, ইমানুৱেল মুছাহাৰী ডাঙৰীয়া, সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানী, ৰাজদীপ গোৱালা ডাঙৰীয়া, ডাঃ নোমল মমিন ডাঙৰীয়া, বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়া, ভূবন পেগু ডাঙৰীয়া আৰু তেওঁলোকে আগবঢ়োৱা বহুমূলীয়া পৰামৰ্শৰ বাবে মই তেওঁলোকক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই বিচৰিছো যে আমি বিধান সভাত ব্যক্তিগত হ'ব নালাগে বা We should not attack personally each other. আৰু এই কথাবিলাক খুব ভালদৰে লোকসভাত পালন কৰা হয় আৰু বিধান সভাত সেই পৰম্পৰাটো পালন কৰিব লাগে। কিন্তু আমাৰ সন্মানীয় প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই যিটো Hit and run practice. সেইটো কৰিব নালাগে। তেওঁ সেইদিনাখন ১২/১৩ তাৰিখে Hit me but when today oppourtinity come for me to give him something back ,he is not in the House তেওঁ থাকিব লাগে। It is aprimary obligation if you have hit somebody then you should ready to take the reply also.তেখেতে তাৰস পিছত ইয়াত একো নক'ব আৰু সন্ধিয়া টি ভিত ডাঙৰ ডাঙৰ কথা ক'ব । সেয়েহে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক মই বিনম্ৰ অনুৰোধ কৰিম যে Do'nt practice hit and run.That is bad,that should be avoided. বাকী সকলৰ ক্ষেত্ৰত মই নকওঁ কাৰণ যিসকলে অংশ গ্ৰহণ কৰিছে সকলো ইয়াত উপস্থিত আছে। মোৰ ক'বলগীয়া একো নাই. মোক যেতিয়া সমালোচনা কৰিছে,উত্তৰটো পাবৰ কাৰণে অপেক্ষা কৰিব লাগিব। অধ্যক্ষ ডাঙৰীয়া কিছুমান শব্দ কোৱা হয় যে মই তৰুণ গগৈ ডাঙৰীয়াক সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী বুলি কৈছো।These are not gone out of fact. কাৰণ মোৰ ব্যক্তিগত ভাৱে মোৰ হিতেশ্বৰ শইকীয়া দেৱৰ কাৰণে যি শ্ৰদ্ধা আছে কোনো কাৰণতে মই কেতিয়াও তৰুণ গগৈ ডাঙৰীয়াক হিতেশ্বৰ শইকীয়া দেৱতকৈ শ্ৰেষ্ঠ বুলি কোৱা নাই। These are not gone out of records.

তৰুণ গগৈ ডাঙৰীয়াক অনুৰোধ কৰিম তেওঁ যদি প্ৰমাণ দেখুৱাব নোৱাৰে, এই কথাবোৰ হাউচৰ পৰা আঁতৰাই দিব লাগিব। কাৰণ এইবোৰ শব্দ ক'ব নালাগে। গগৈ ডাঙৰীয়াক মই আজিও কওঁ যে ২০০১ চনৰ শেষ বিভীষিকা শেষ কৰা অসমৰ বিত্তীয় পৰিস্থিতি এটা সময়ৰ পৰা আন এটা সময়লৈ উত্তৰণৰ পথত লৈ যোৱা বাবে অসমৰ বুৰঞ্জীয়ে তেওঁক কৃতিত্ব দিব। মই দিওঁ বা নিদিও. কিন্তু তেওঁ বৰ্তমানৰ যি কথা-বতৰা মই কেতিয়াবা ভয় কৰো সেই কৃতিত্বখিনি বুৰঞ্জীয়ে তেওঁক নিদিব। মানুহে যদি ভাৱে প্ৰকৃত তৰুণ গগৈ এইজনহে। তেতিয়া তেওঁৰ কাৰণে সমস্যা হ'ব। মই তেওঁৰ তলত কাম কৰিছিলো। মই বিচাৰিছো যে তেওঁৰ ভাৱমূৰ্ত্তিটো এটা জেগাত থাকিব লাগে। তেওঁ যে আমাক সদনত কৈছে যে অসম চৰকাৰৰ টকাৰে মই কলম্বিয়া বিশ্ববিদ্যালয়ত গৈ জেফৰি ছেক্সৰ লগত আঠুৰাৰ কথা আলোচনা কৰিছিলো। অধ্যক্ষ মহোদয়, এই জাতিটো যোৱা ১৫ বছৰে কি আৱস্থাত আছিল। আপুনি চিন্তা কৰক যে আমি জেফৰি ছেক্সক গৈ  বুজালো যে গোটেই অসমৰ অৰ্থনীতিটো বিগত ১৫ বছৰ ধৰি আঠুৰাৰ অৰ্থনীতিৰ ওপৰত নিৰ্মাণ কৰা হৈছে । কিন্তু এইটো সত্য নহয়। তেওঁ নাজানে অসমৰ অৰ্থনীতি কেনেকৈ চলিছিল। কাৰণ বিষয়াসকলে চলাইছিল। যোৱা ১৫ বচৰ অসমৰ অৰ্থনীতি আঠুৰাৰ ওপৰত চলা নাছিল। আঠুৰা কিয় কিনা হৈছিল,সূতা কিয় কিনা হৈছিল আঠুৰাৰ বিলটো লওঁতে কি কৰিব লাগিছিল These are open secret. আমি একেখন জাগাতে আছিলো। কিছুমান কথা ৰাজহুৱা জীৱনত অনাৰ প্ৰয়োজন নাথাকে। মই তৰুণ গগৈ ডাঙৰীয়াক প্ৰশংসা  ৰিছিলো. কিন্তু মই কেতিয়াও কংগ্ৰেচ দলত থাকি এটা আদৰ্শ দেখুৱাই ছিলো যে তৰুণ গগৈৰ সন্তান গৌৰৱ গগৈক মই প্ৰশংসা কৰা নাছিলো. সিমানখিনিতো মই ব্যক্তিত্ব দেখুৱাইছিলো। সেইকাৰণে হয়তো মই কংগ্ৰেছ দলত থাকিব পৰা নাছিলো।

গতিকে অধ্যক্ষ মহোদয়,  জেফৰি ছেক্স সদনৰ সদস্য নহয়।

(সদনত হুলস্থুলীয়া পৰিৱেশ)।

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি মাননীয় সদস্য সকল বহক। (পুনৰ সদনত হুলস্থুলীয়া পৰিৱেশ)।

**ড০ হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়,মই এতিয়া প্ৰমাণ কৰি দেখুৱাই দিলো।

**মাননীয় অধ্যক্ষ ঃ** আমি আলেচনাবিলাক তেনেকৈ কোনেও  আৰম্ভ কৰিব নালাগে। যাতে কৰো ৰিয়েকশ্যন নহয়।

(পুনৰ সদনত হূলস্থূল পৰিৱেশ ) ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইদিনা খন প্ৰক্তন মুখ্যমন্ত্ৰী, শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই এই সদনত মোৰ গাত লগাকৈ কেইবাটাওঁ কথা কৈ গৈছে, মই তেখেতৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি আৰু সন্মানত আঘাত লাগিব বুলি এবাৰো মুখেৰে নামাতিলো। তেখেতে তিতাবৰৰ মহিলাখিনিৰ কথা ইমান বেয়াকৈ কৈ গল যে শুনি মই আচৰিত হৈ গলো, কাৰণ মই  জানো তাৰ মহিলা সকলক খুউব ভাল দৰে জানো, তেওঁলোক খুউব পৰিশ্ৰমি। মোৰ সমষ্টিত মানুহে সূতাৰ কাৰণে হুলস্থুল কৰি থাকে। This is not the way to talk or comment over a particular section of perople. You can not deframe someone. তাৰ মহিলা সকলৰ গাত কথাবোৰ লাগিছেনে নাই নাজানো! কিন্তু মোৰ সমষ্টিত হোৱা হলে হুলস্থুল লাগি গলহেতেন।  তদুপৰি, তাত দেৰ বৰা ডাঙৰীয়া আছিলে, তৎস্বত্বেওঁ যোৱা ১৫ বছৰে যদি তাত তেখেত সকলে সূতাৰ কাৰণে লাইন পাতিব লগিয়া আৱস্থালৈ ৰূপান্তৰ কৰি আহিছে, তাতকৈ দুখ

লগা কথা আৰু কি হব পাৰে!

মাজে মাজে ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই T.V.ত কয় যে - মাত্ৰ ২৫০০ টকা Tea Tribes ক দিলে, এই ক্ষেত্ৰত এটা কথাওঁ মই ইয়াত উল্লেখ কৰিব বিচাৰিছো, কম্বল খনৰ দাম মাত্ৰ ১০০ টকা। মাত্ৰ ১০০ টকাৰ কম্বলৰ কাৰণে কংগ্ৰেছে মানুহ লাইন লগাই দিয়ে, আমিটো .২৫০০ টকা দিছো। Percentage ত উল্লেখ কৰিব লাগিলে কব লাগিব Rs.2,500% টো মোৰ।

অধ্যক্ষ মহোদয়, সেই কাৰণে মই ভাবো বাজেট খনত ইমান ভাল ভাল কথা আছে, We could have a good discussion on Budget. Shri Rajdeep Gowala, Shri Debabrata Saikia, Shri Wazed Ali Chaudhury, Shri Aminul Islam এই সকলো বিধায়কেই বাজেটৰ ওপৰত সুন্দৰ ভাবে বক্তব্য ৰাখিছে । We want to raise the standared of this August House. তৰুণ গগৈ ডাঙৰীয়াই এই সদনত আহি তেখেতৰ ব্যক্তিগত কথা কিছুমান কয়, মই ইয়াত তাৰ উত্তৰ দিব বেয়া পাওঁ তেখেতৰ পৰিবাৰে বা লৰায়ে তেখেতৰ যিমান জানে ময়ো প্ৰায় সিমানখিনিয়েই তেখেতৰ সম্পৰ্কে জানো, সেয়েহে মই অপ্ৰাসংগীক কিছুমান কথাৰ উত্তৰ দিবলৈ বেয়া পাওঁ and I think this not necessary also. অধ্যক্ষ মহোদয়, মই সেই কাৰণে আপোনাক অনুৰোধ কৰিব বিচাৰিছো - Being the eldest member of the House, he must avoid the practice of hit and run.

অধ্যক্ষ মহোদয়, এতিয়া মই বাজেটৰ প্ৰসংগলৈ আহিব বিচাৰিছো। ইয়াত উল্লেখ কৰা হৈছে যে **"যোৱা বছৰৰ বাজেটৰ কিছুমান কাম যিহেতুকে হৈ উঠা নাই, সেই কাৰণে বাজেটৰ ওপৰত কথা কোৱাৰ অধিকাৰ আমাৰ নাই"** এই প্ৰসংগতে মই এটা কথা সদনক জনাব খুজিছো যে - যোৱা দুদিন ধৰি মই আমাৰ প্ৰক্তন মুখ্যমন্ত্ৰী, শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই এই সদনত দাখিল কৰা ১৫ বছৰৰ বাজেট মই পঢ়িলো আৰু তাত দেখা পালো - Centrally Sector Schemes and Externally Aided Project ৰ বাহিৰে তাত তেনেকুৱা কোনো ধৰণৰ নতুন Scheme ৰ কথা নাই। Finally এখন বাজেট লৈ আহিছো যত একেবাৰে শেষত কিছুমান State Government ৰ Scheme দি দিছে, যেনেকৈ I will establish a Assam Health Engineering College. মই সুধিব খুজিছো আমাৰ কাৰ্বি-আংলংৰ জনপ্ৰতিনিধি সকলক যে তাত কোনো Engineering College ৰ কাম হোৱা নাই! অধ্যক্ষ মহোদয়, তাৰ পিচত তেখেতে কৈ গল, for the Social and Economic up-liftment of this Rickshawala, Thelawala, for small marginal Farmers, Labourers and Landless people, artisans Suitable Special Schems will be taken কোনো বেজেট নাই, কোনো allocation নাই, মাত্ৰ শব্দ এটা কৈ দিয়ে Suitable Special Schems will be taken-up. এতিয়া মই অসমৰ মানুহক সুধিব খুজিছো যে Rickshawala, Thelawala এই সকলৰ ওপৰত কোনো Scheme লোৱা হৈছিলে নেকি ?

মাননীয় অধ্যক্ষ মহোদয়, এই বাৰ একেবাৰে Latest খন অৰ্থাৎ 2013-14 ৰ Budget খন পঢ়ি আছো, যত উল্লেখ কৰা হৈছে -

**1)** For the conseravation and protection of Wild Life economy as a

strength of Assam Forest Protection Forest will be adequately enhanced. We have not seen anything special in this regard.

**2)** A new Corporation for development of diary Sector production of fooder will be established. We have not seen any special Corporation in this Sector.

**3)** A detailed Techno-Economy Feasibility Report will be prepared for construction of a bridge over the River Brahmaputra from Disangmukh to Takelifuta. সেইটো ক্ষেত্ৰতো মই একো শুনা নাপালো কংগ্ৰেছৰ দিনত কিবা হোৱা বুলি। Again, he spoke

**4)** A Sericulture College will be established in Titabor. সেইটোওঁ নহল অধ্যক্ষ মহোদয়। তাৰ পিছত আকৌ কলে -

**5)** I have decided to introduce a Pension Scheme for the Dibrugar University. But this assurence also failed.

**6)** A new Health Insurence Scheme will be introduce, Where is that Insurence Scheme ? সেইটোওঁ নহলগৈ। তাৰ পিছত কলে -

**7)** A separate Directorate will be created for spirit education amongest the children of the Tea Garden Labourers, where this Directorate has established ?

**8)** A special package for the Health improvement for **(minority?)** children will be announced. Where is that Scheme ?

**9)** Then again trafficking in Women and Witch Hunting has caused serious problem in the State. Special initiative will be taken to tackle this very important issue. Where is that initiative ?

**10)** A special package or incentive I shall be work out for women Self Help Group, Where is that ?

**11)** A employment generation and skill development Corporation will be set-up. Where is that?

**12)** I am going to open a new Sainik School in Upper Assam. We have not seen such kind of Sainik School in Upper Assam, where is that?

Please listen to me. Let me complete the Scheme assured by your Government. It is also a capability of a person to listen one's speech.

**13)** Self Employment Enterprier Training Centre will be set up in different Districts ensuring complete gender equity to 50-50.

**14)** It is proposed to set-up a River Research Institute. Where is that River Research Institute.

**15)** A special package for commission for Sports and Games will be

work out. Where is that Special Package ?

**16)** The State will persue a separate Time Zone mean while, working Hours for Official & Educational Institute that the State will be advanced. When this Notification is issued ?

17) Special Training Centre for Army, B.S.F. will be set-up. Where is that Centre 10%?

মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি এই Budget বিলাক Minutely চাবলৈ যায়, তেতিয়া দেখিব first of all তাত কোনো ধৰণৰ Budget allocation নাথাকে, কোনো Budget Head নাথাকে। মাত্ৰ এটা বাক্যাংশয়ে উল্লেখ থাকে যে - Special will be taken up, Inititave will be done, It will be set up etc. Now, nobody held him accountable because of his Seniority. Nothing that. তেতিয়া চন্দ্ৰমোহন ডাঙৰীয়া, ফণীভূষণ ডাঙৰীয়া তাত আছিলে, সেই সময়তে উঠি গৈ তেখেতক উভটি ধৰিব পাৰিলে হেতেন, গগৈ ডাঙৰীয়া যোৱা বাৰো আপুনি এই বিলাক কৈছিলে, না Budget Provision আছে, না গুৰুত্বপূৰ্ণ কিবা আছে, এইখন কি বাজেট Bydget Speech বনাইছে! But, we respect his seniority, nothing else.

আজি মই অতি দুখেৰে কব লগীয়া হৈছে এইবোৰ কথা, তেখেতে হয়তো কব হিমন্তই 10% হোৱা বুলি কৈছে, তাৰমানে তেওঁৰো দোষ আছে। ইয়াৰ ভিতৰত Health and Education একো নাছিল, তাত যদি Health and Education সম্পৰ্কে কিবা announcement দিছিল, then I will make it sure that - that had happend. এতিয়া Health and Education বাদ দি গোটেই বোৰ announcement বোৰটো কেতিয়াও কতো কাৰ্য্যকৰি নহল। অধ্যক্ষ মহোদয়, গতিকে মই কোৱা কথা বিলাক যদি তেখেতে Press বা Media ৰ ওচৰত যদি মোক দোষাৰোপ কৰি কিবা মন্তব্য দিয়ে, তেতিয়াটো মই ৰত্নাকৰ আৰু বালমিকিৰ সাধু কথাটোত থকাৰ দৰে সকলোবোৰ দোষটো গাত পাতি লব নোৱাৰিম।

গগৈ ডাঙৰীয়া যোৱাবাৰ তো এইবিলাক কৈছিল না বাজেট প্ৰভিজন আছে না কিবা আছে, এইখন কি স্পীছ। উই ৰেচপেক্ট হিজ চিনিয়ৰিটি নাথিং বাট তাৰ বাদে একো নাই। আজি মই দুখেৰে সৈতে এইখিনি কৈছে, আজি যদি তেখেতে কয় হিমন্তই ১০ শতাংশ হোৱা বুলি কৈছে তাৰ মানে তেওঁৰো দোষ। ইয়াৰ ভিতৰত হেল্থ আৰু এডুকেচনৰ একো নাছিল । কিবা যদি হেল্থ আৰু এডুকেচনে এনাউন্স কৰিছিল - আই মেক ইট চিওৰ দেট ডেট হেপেণ্ড। এতিয়া মাইনাচ হেলথ আৰু এডুকেচন বাদ দি এই গোটেইবোৰ এনাউন্সমেন্ট কেতিয়াওতো ক'তো কাৰ্য্যকৰী হোৱা নাছিল। এইখন মোৰ বিদায়ৰ পিছৰ। মই ২০১৪-১৫ খন গাই আছো। অধ্যক্ষ মহোদয়, এতিয়া এই কথাবিলাক বাহিৰত গৈ যদি চুঙা কেইটাৰ সন্মূখত গৈ কয় ক'ত ১০ পাৰ্চেন্ট , ১০ পাৰ্চেন্ট যদি হয় হিমন্তই কি কৰি আছিল। মইতো ৰত্নাকৰ আৰু বাল্মীকি হ'ব নোৱাৰো যে তেওঁৰ গোটেই দোষখিনিৰ ভাগ মই ল'ব লাগিব। আপুনি ৰামায়ণৰ কাহিনী জানে যেতিয়া ৰত্নাকৰৰ পৰিয়ালক প্ৰশ্ন কৰিলে যে ৰত্নাকৰে পৰিয়ালটোক ডকাইতি কৰি , মানুহ মাৰি পৰিয়াল পোহ পাল দি আছে তেওৰ পাপৰ ভাগ আপোনালোক ল'ব নেকি? তেতিয়া পত্নীয়ে ক'লে আমিতো সেইটো ব্লেম নলওঁ কাৰন তেওঁৰ দায়িত্ব আমাক পোহপাল দিয়াৰ। তেতিয়া ৰত্নাকৰ বিকাম বাল্মীকি। এতিয়া তৰুন গগৈ ডাঙৰীয়াৰ পাপ পূন্য সকলোখিনি মোৰ গাত যদি জাপি দিব বিচাৰে , মই তেওৰ

সময়ত মন্ত্রী আছিলো বুলিয়ে মোৰ গাঁত জাপি দিব খুজিলে সেইটো কেনেকৈ হ'ব অধ্যক্ষ মহোদয়। তাৰ মানে কংগ্ৰেছটো মইয়ে আছিলো নেকি ? সেই কাৰনে অধ্যক্ষ মহোদয় বাজেট ইমপ্লিমেনটেচনৰ ওপৰত আপোনালোকে কৈছে মই ভাল পাইছো কাৰন দেট এনহেনছ মাই একাউন্টেব্লিটি কিন্তু যেতিয়া আমি এই কথাবোৰ কমপেয়াৰ কৰো তেতিয়া পাৰ্থ্যক্যটো ইমান দুখ লগাকৈ চকুত পৰে যে তাৰ পিচত মই নাভাবো যে, ইয়াতে কিবা বক্তব্য দিয়াৰ কথা থাকে । অধ্যক্ষ মহোদয় এটা প্ৰচাৰ চলোৱা হৈছে যে যোৱা দুইবছৰৰ বাজেটৰ কাম একো হোৱা নাই। মই নাজানো কিয় এইটো প্ৰচাৰ চলিছে। মই ৰাতি মাজে মাজে চিন্তা কৰো যে, কোনটো স্কীম হোৱা নাই যিটোৰ কাৰনে এনেকৈ কথা কোৱা হৈছে। অধ্যক্ষ মহোদয় উই হেভ এনাউন্স যে আমি চৰকাৰী কৰ্মচাৰীক চেভেনথ পে কমিচন দিম। উই হেভ গিভেন দেট তাৰ পিচত আমি এনাউন্স কৰিছিলো যে ল বকেয়া ২০০১ ৰ পৰা ২০১৬ লৈ দিম , গগৈ ডাঙৰীয়াই দি থৈ নগ'ল, কিন্তু আমি দিলো। কৰ্মচাৰীৰ কাৰনে আপোনা ঘৰ এনাউন্স কৰিছিলো । উই হেভ লঞ্চ দেট। বিদ্যালক্ষ্মী স্কীম এনাউন্স কৰিছিলো। উই হেভ ডান দেট। আমি কৈছিলো মুখ্যমন্ত্ৰীৰ ফ্ৰি ডাইগ'ন'ষ্টিক আৰম্ভ কৰিম। আজি সকলো ঠাইতে চিটি স্কেন ফ্ৰি । উই হেভ ডান দেট। আমি কৈছিলো যে আমি অটল অমৃত যোজনা আৰম্ভ কৰিম। আমি আৰম্ভ কৰিলো। আমি বিনামূলীয়াকৈ লৰা ছোৱালী এডমিছন পাব বুলি কৈছিলো। আজি ৭ লাখ লৰা ছোৱালীয়ে বিনামূলীয়া এডমিছন লৈ আছে । আমি কৈছিলো যে, ক্লাছ নাইন- টেনলৈকে কিতাপ পাব । আজি কিতাপ পাই আছে। এই বছৰ কৈছো যে, এলেভেন- টুৱেলভলৈকে কিতাপ পাব। এলেভেন -টুৱেলভৰ কিতাপ পাব তাৰ পিচত আমি কৈছিলো যে আমি মেডিকেল কলেজৰ কাম কৰিম । আজি ৰাজেদ আলি চৌধুৰী ডাঙৰীয়াই নিজে জানে যে, ধুবুৰী, নগাও, লক্ষীমপুৰত দ্ৰুত গতিত মেডিকেল কলেজত নিৰ্মানৰ কাম আৰম্ভ হৈছে। অধ্যক্ষ মহোদয়, আমি কৈছিলো যে দিন দয়াল দিব্যাঙ্গ আঁচনিৰ অধীনত আমি ৫ হাজাৰ দিব্যাঙ্গজনক দিম। আজি অলৰেডি এক লাখ ৬১ হাজাৰ মানুহে সেই আঁচনিৰ সুবিধা লাভ কৰিছে। অধ্যক্ষ মহোদয় আমি কৈছিলো যে চাহ বাগিছাৰ ডিজিটাইলেচন হোৱা চাহ শ্ৰমিকসকলক ২৫০০ কৈ টকা দিম । উই হেভ অলৰেডি ষ্টাৰ্টেড গিভিং দেট। অধ্যক্ষ মহোদয় আমি কৈছিলো যে টেট এপইন্টমেন্টৰ লৰাই ১ তাৰিখে দৰমহা পাব । আজি সকলো লৰাই ১ তাৰিখে দৰমহা পায়। আমি যোৱা বছৰ টোটেল আমি ২০ হাজাৰ চাকৰি দিম উই আৰ গিভিং টোটেল ৩৫ হাজাৰ , ১৫ হাজাৰ আমি বেছিকৈ দিলো। অধ্যক্ষ মহোদয় আমি কৈছিলো যে টি গাৰ্ডেনত আমি মোবাইল মেডিকেল ইউনিট দিম। আজি ৮৯মোবাইল মেডিকেল মোবাইল ইউনিট ফাংচনিং। আমি কৈছিলো যে অসমত ৩ খন নতুন ইউনিৰ্ভাচিটি কৰিম। বিলবিলাক ইউনিভাচিটি পাছ হৈ গ'ল। আমি অসম আন্দোলনৰ স্বহীদক আমি ৫ লাখ টকাকৈ এটা সন্মান জনাম। উই হেভ অলৰেডী ডান দেট। আমি কৈছিলো অধ্যক্ষ মহোদয়, এ পি এচ চিত সংস্কাৰ আনিলো। অধ্যক্ষ মহোদয়, কোনটো আঁচনিৰ কথা সন্মানীয় সদস্যসকলে ক'ব বিচাৰিছে। কোনখিনি কৰিব পৰা নাই মোক এখন তালিকা দিব লাগে আৰু বিৰোধী দলৰ দলপতিয়ে যদি মোক লিখিতভাৱে এখন তালিকা দিয়ে বহুত ক্ষেত্ৰত আপোনালোকৰ হয় কি স্কীমবিলাক লেণ্ডিঙত এটা সময় থাকে আজি যেনেকৈ কনকলতা মহিলা আঁছনি প্ৰথমবাৰত অধ্যক্ষ মহোদয় এনেকুৱা হৈছে, যে ডিউৰিং দা ফাইনেন্সিয়েল ইয়েৰত কোনোবা ফাইনেন্স মিনিষ্টাৰক একাউন্টটেবল কৰা হৈছে যে, হোৱা নাই কিয় ? অধ্যক্ষ মহোদয় মোক আপোনালোকে প্ৰশ্ন কৰক মই উত্তৰ দিম যে যোৱা কালি মই

২৫০ কোটি টকা ডি আৰ ডি এ ডিপাৰ্টমেন্টক মুকলি কৰি দিলো ফৰ ইমপ্লিমেনটেচন অৰ কনকলতা আত্মসহায়ক গোট। ৩১ মাৰ্চলৈকে ৰ'বলৈ যদি আপোনালোকৰ ধ্যৰ্য নাই আউ কেন আই হেল্প ইউ। অধ্যক্ষ মহোদয় , বিত্তীয় ইয়েৰ কেতিয়া শেষ হয়। ৩০ মাৰ্চত শেষ হয়। মই সৎ সাহসেৰে এই তালিকাখন দিলো এনেকুৰা তালিকা কেতিয়া হৈছে। অসম বুৰঞ্জীত ষ্টেট গৰ্ভমেন্টৰ নিজৰ ৰিচোৰ্চৰ পৰা । মই চেন্ট্ৰেল গৰ্ভমেন্টৰ স্কীমৰ কথা কোৱা নাই।

**শ্ৰীআব্দুল খালেক ঃ** যোৱা বাৰ আপুনি কৈছিলে ৩১ মাৰ্চলৈকে ৰখাই নথয় তাৰ আগতে শেষ কৰিব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত, শিক্ষা ও স্বাস্থ্য ইত্যাদিঃ** খালেক ডাঙৰীয়া , আপোনাক মই বুজি নাপাও মানে - আপুনি যেতিয়া এনেধৰনৰ কথাবিলাক কয় , মই চিন্তা কৰো যে আইদাৰ তেখেতৰ প্ৰভুভক্তি বেছি হৈছে নাইদাৰ হি হেজ লষ্ট দা চেন্স অব লজিক। অধ্যক্ষ মহোদয়, মই ক'ত কৈছো যে, ৩১ মাৰ্চ লৈকে আমি নাৰাখো । ৩১ মাৰ্চলৈ ট্ৰেজাৰী আমি অপেন কৰিব নিদিওঁ। এইবাৰো নিদিও । তাৰ আগতে আমি শেষ কৰিম। কিন্তু আপোনালোকে যদি ডিচেম্বৰত এচেমব্লিত প্ৰশ্ন আনে আৰু সেই প্ৰশ্নটো যদি বজাৰত মাৰ্কেটিং কৰি ফুৰে। দিছ ইছ ৰং। ফেব্ৰুৱাৰী আৰু মাৰ্চ্চৰ মাহত ৬০ দিন। চৰকাৰৰ আচল এক্সপেণ্ডিচাৰ হয় সেইখিনি সময়ত , অধ্যক্ষ মহোদয় দিছ ইছ ৰং থিং । এই চৰকাৰ খনৰ , যিমান চিনচিয়েৰলী মুখ্যমুন্ত্ৰী ডাঙৰীয়াই কাম কৰিছে যিমান চিনচিয়েৰলী আমাৰ বিধায়কসকলে কাম কৰিছে এনেকুৰা কাম কেতিয়াও আগতে হোৱা নাই। মই সুহৃদ আঁচনি এনাউন্স কৰিছিলো । আপোনালোকে এনে আঁচনি পোৱা নাই। অধ্যক্ষ মহোদয় ৫০ লাখ টকাকৈ কেতিয়াও আনটাইড ফাণ্ড বহুত সমষ্টিয়ে ছুব পৰা নাছিল। আজি ৫০ লাখ টকাকৈ আনটাইড ফাণ্ড দিছো আমি । আমি কি দিয়া নাই? মই আমাৰ কংগ্ৰেছৰ সদস্যসকলক অনুৰোধ কৰিম। ডোন্ট হাৰ্ট এ চোল। আত্মাক আঘাত নকৰিব কাৰন উই আৰ মাচ্ছ মোৰ চিনচিয়েৰ। শ্লোক এটা গালে আপোনালোকে যিধৰনে বাহিৰত অপমান কৰে যে শ্লোক গাইছে। অধ্যক্ষ মহোদয় কিবা এখন মিটিঙৰ আগতে জন গন মন কিয় গায়। টু ব্ৰিং এ চলোম্‌লী টু ব্ৰিং এ ডিভাইন চিষ্টেম - যেতিয়া মই বাজেটখনৰ আগতে এটা শ্লোক গাও ডেট মিন হোৱাট যে, সকলোৱে বাজেটখন শুনিব।

**শ্ৰীআব্দুল খালেক ঃ** যোৱাবাৰ বাজেট বক্তৃতাত মই নিজেও শ্লোক কৈছো। শ্লোককতো আমি অপমান কৰা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত, শিক্ষা ও স্বাস্থ্য ইত্যাদিঃ** অধ্যক্ষ মহোদয় মই ৰিকুৱেষ্ট কৰিম যে দুজন মানুহে যদি মোক ইনটাৰাপ্ট কৰিব খোজে মোৰ আপত্তি নাই মই ৫ বজালৈকে কৈয়ে থাকিম। মই বহি নিদিও।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, কনটিনিউ কৰক। কাম টু দি পইন্ট।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত, শিক্ষা ও স্বাস্থ্য ইত্যাদিঃ** অধ্যক্ষ মহোদয়, জন গন মন গোৱাটো কোনোবাই যদি সংস্কৃতৰ শ্লোক এটা গায়। কোনোবাই যদি জ্যোতি প্ৰসাদৰ গীত এটা গায় সেইটো মানুহে অপমান কৰিবৰ কাৰনে নহয়। তাৰ পিচত মই কি কৈছো। মই সংস্কৃতৰ শ্লোক এটা কৈ যে, বুড়া মানুহক সন্মান কৰিব লাগে, কৈ পেলাই মই ২৫০ টকা ইউনিভাৰ্চেলাইজেচন অৱ ওল্ড পেনচন এলাউন্স কৰিছো। সাহিত্যটো কৈ মই ৰখি থকা নাই। আই ফলোড বাই দেট শ্লোক উইথ বিগ এনাউন্সমেন্ড আৰু মই ভাবো মানুহে যিকোনো প্ৰত্যাহ্বান লোৱাৰ আগতে বিগ এনাউন্সমেন্ট কৰাৰ আগতে পৰম পিতা নিজৰ পিতৃ মাতৃ সেৱা জনাইহে ভাল কথাটো ক'ব

লাগে। দেট ইজ ভাৰতীয় সংস্কৃতি। কোনোবাই যদি ভাৰতীয় সংস্কৃতি নাজানে আই কাণ্ট হেল্প ইউ। এতিয়া কোনোবাই কৈছে যে মই অপমান কৰাৰ কথা কওঁ অপমান কৰা কথা নহয়। কোনোবাই যদি ভাৰতীয় সংস্কৃতি, শ্লোক, কবিতা এটি গোৰাৰ পিছত মনত যিটো শিহৰন আহে। সেইটো যদি কোনোবাই বুজি নাপায় তাৰ কাৰনে মইতো দায়বদ্ধ নহয় সেই কাৰনে মই আপোনালোকক এটা কথা ক'ব খুজিছো যে, ডোন্ট একিউজ আছ নট ডুইং এনিথিং, হয় কিছুমান সময় লাগে। আমি কৈছিলো যে আমি এইমছ আনিম। বাট ইট কেন নট হেপেন ইন ওৱান ইয়েৰ। আমি কৈছিলো গুৱাহাটী- নৰ্থ গুৱাহাটীৰ মাজত ব্ৰিজ কৰিম। কিন্তু এদিনত নহয়। ইউ আক্ছ মি প্ৰগ্ৰেছ যে, কিমান আগবাঢ়িছে? মই উত্তৰ দিম নহয় অধ্যক্ষ মহোদয়। কিমান আমি আগবাঢ়িছো। অধ্যক্ষ মহোদয় আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া গধুলি অফিচত বহে এই বাজেট এনাউন্সমেন্ট কৰাৰ পিচত যোৱা কালি ৰাতি আমি ১০ টা বজালৈ বহিছো। যে, কেনেকৈ আমি এইখিনি ইমপ্লিমেন্ট আমি কৰিব পাৰো। পাচঁ বছৰ আগতে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম বিকাশ আঁচনিৰ অধীনত ৭০০ খেল পথাৰ বনোৱাৰ কাৰণে প্ৰায় ২০ লাখ টকাকৈ মুকলি হ'ব। আমি কি ইয়াতে অসত্য কথা কবলৈ বহি আছে নেকি অধ্যক্ষ মহোদয়। I stand by every standard of our budget commitment. হ'ব পাৰে কৰবাত ছয় মাহ পলম হ'ব পাৰে। বানপানী আহে চাৰিমাহ পিছুৱাই যায়। NRC ৰ কাম চলি আছে। আজি সদনে সেইটো appreciate কৰিব লাগিব যে এই চৰকাৰ খনে কেনেকৈ কাম কৰি আছে। 50% of our main work force. মানে BDO, JE all are working in NRC. but inspite of that আজি আমি ঠেলি আছো। আজি যিধৰণে আমিতো এই বিলাক কথা কব যোৱা নাই। Metro rail ৰ sanction নাই। foundation stone কৰি দিছো। আমি অসমৰ মানুহক প্ৰতাৰণা কৰিব খোজা নাই, অধ্যক্ষ মহোদয়। আমি কৰিব পৰা নাই, হয় আমি কৰিব পৰা নাই, আমি মানুহক ঠগোৱাৰ চেষ্টা কৰা নাই। but we are not trying to deceive the people. অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে Rajiv Gandhi Cooperative University তআমি গুজৰাট পৰা মানুহ আনি পেলাই এই খন University বনাইছিলো। These are not facts. কাৰণ সেইখন University আজি শিৱসাগৰতো আছে। তাত যদি ইমানে ভাল শিক্ষা হয়,আজি তাত কিয় ছাত্ৰ-ছাত্ৰীবিলাক পঢ়িবলৈ নাযায়। যিটো fact নহয়, সেইবিলাক কথা কব নালাগে। যোৱা কালি যেতিয়া তৰুণ গগৈ ডাঙৰীয়াই ভাষণ দি আছিলে, অলপ সময়ৰ কাৰণে মেয়ো বিভোৰ হৈ গৈছিলো বাহ, ভিয়েটনাম গৈ চাউল আনিছে। কোনোবাই ভিয়েটনামৰ চাউল ইয়াতে দেখা পালে নেকি। আব্দুল কালামক এখন গাঁওত হাহঁ, পাৰ, কণী দেখুৱালৈ লৈ গ'ল। তাৰ পিছত এ পি জে আব্দুল কালামে আশা কৰিছিল যে মুখ্যমন্ত্ৰী সেই গাওঁখন অসমৰ সকলো গাওঁলৈ সম্প্ৰসাৰণ কৰিব। ক'ত কৰিলে ? এখন গাঁও দেখুৱালে অসমৰ উন্নতি হয় নেকি। অধ্যক্ষ মহোদয়, মই Rajiv Gandhi Cooperative University ত তৰুণ গগৈ ডাঙৰীয়াই কোৱা কথাটো কম । এইখন মই বিৰোধী দলপতিক কম অলপ পঢ়িব। তেখেতে দিছিলে মাত্ৰ ১ কোটি টকা, মই এইবাৰ দিছো ৪ কোটি টকা। অধ্যক্ষ মহোদয়, আমি কতো বেয়া কাম কৰিব খোজা নাই you cannot accuse us for anything doing wrong. ইয়াতে কোৱা হ'ল যে আমাৰ বাজেট বক্তৃতাৰ সময়ত দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কলে যে ফচল বীমা যোজনাৰ কাম কি চলিছে? Fifty six thousand people has already get benefitted. আজি ইয়াত কৈছে shallow Tube well ৰ কি হৈছে। মই বাজেটত repetition কৰা নাই। যোৱা কালি আমি ১৫০ কোটি টকা এৰি দিছো কৃষি

বিভাগক shallow Tube well কিনিবৰ কাৰণে। মই repetition কৰা নাই। যিবিলাক কাম আগতে হৈ গৈছে এবাৰ ঘোষণা কৰিছো তাক repetition কৰি থকা প্ৰয়োজনীয়তা কি আছে। but these are all our commitment. এটা এটা লাইন আমি চেষ্টা কৰিম। আৰু যিটো কৰিব নোৱাৰিম, সদনত আহি জনাম যে এইটো মই ঘোষণা কৰিছিলো **২০১৮-১৯** চনত, কিন্তু এইটো এই কাৰণত কৰিব নোৱাৰিলো। গতিকে সদনৰ মই leave লৈছো to delete this paragraph, we will come with that kind of confidence যেতিয়া আমি কব পাৰিম, কিন্তু আজিৰ দিনত প্ৰত্যেক দিনাই কেনেকৈ পৰীক্ষা হ'ব পাৰে। জানুৱাৰী মাহত পৰীক্ষা ললে বাজেটৰ মাত্ৰ **৪৮** শতাংশ খৰছ হৈছে। **১** এপ্ৰিলত প্ৰশ্নটো কৰক, তেতিয়া মই ইয়াতে আহি কম যে I have spent 65% এনেকৈ প্ৰশ্ন উলিওৱাটো মই শুনা নাই। এতিয়া এটা কথা কৈ আছিলে যে Fiscal deficit বাঢ়িছে। অধ্যক্ষ মহোদয়, FRBM আইন মতে Fiscal deficit should be 3% of the SDP. last year we maintained a 2.73% and this year we will maintain 2.94%. This is mandate of House that it should be below 3%. অধ্যক্ষ মহোদয় ইয়াত কোৱা হৈছে যে capital expenditure বঢ়া নাই। ইয়াতো এটা কথা আমি সকলোকে বুজিব লাগে যে আমাৰ মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কথাখিনি ঠিকে কয়। কিন্তু House should be warned. যদি আপোনালোকে আমাক কয় provincialize কৰিব লাগে revenue expenditure তো বাঢ়িবই। গতিকে where you stand , যদি আপোনালোকে কয় যে capital expenditure বঢ়িব লাগে, তেতিয়াহলে provincialize কৰা কথা নকব। কাৰণ যদি provincialize কৰিব লাগে, অহা বছৰ revenue expenditure আৰু বাঢ়িব। so, now you have to take a stand that where I will be whether for capital expenditure or revenue expenditure. কিন্তু তাৰ মাজতে এটা সুখৰ খবৰ দিম অধ্যক্ষ মহোদয়, **২০১৫-১৬** চনত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰৰ দিনত capital expenditure আছিল, **৪৯০০** কোটি টকা। this year **২০১৬-১৭** চনত we closed it at a capital expenditure 8000 কোটি টকা. **১০০** শতাংশ বাঢ়িছে i.e. on record. কিন্তু এটা কথা আমি চাব লাগিব, ভাৰতৰ সংবিধানত যেতিয়া list 1,2, 3 বনাইছিলে, তেতিয়া citizen delivery subject বিলাকক ৰাজ্য চৰকাৰক দিছিলে। Health, Education, Social Welfare. যিবিলাক citizen delivery subject, capital formation যিবিলাক বিষয় Railway, Airport, Military, Army Capital formation ৰ subject বিলাক i.e. in the list 1. central subject. আমাৰ যিবিলাক বিষয় সেইটো হৈছে list 2 & 3. যিবিলাক citizen delivery কৰিব লাগে। আৰু citizen delivery কৰিলে you have to kept a big work force. যোৱা বাৰ revenue expenditure কিয় বাঢ়িছে কাৰণ আমি **৭** হাজাৰ কোটি টকা কৰ্মচাৰীক এৰিয়াৰ দিছো। এতিয়া কোনোবাই যদি কয় এৰিয়াৰ দিব নালাগে, to make the capital expenditure. এইটো হ'ব পাৰিব নেকি? Then you pass a Resolution যেতিয়া 7th Finance Commission মই দিব যাম, তেতিয়া revenue expenditure বাঢ়িবই। কিন্তু তাৰ মাজতো we have establish 100% capital expenditure. মাননীয় সদস্য ৰাজদীপ গোৱালা ডাঙৰীয়াই কলে Atal Amrit Yojana ত মাত্ৰ **৯** হাজাৰ beneficiary হৈছে। আমি প্ৰাৰ্থনা কৰো যাতে beneficiary আৰু কমি

যায়। কাৰণ beneficiary কমি যোৱা মানে বেমাৰ কমি যোৱা বুজায়। আমিতো কাৰো কাৰণে ৰাস্তা বন্ধ কৰা নাই। যিমান কেন্সাৰ বেমাৰী থাকিব, যিমান হাৰ্টৰ বেমাৰী থাকিব সকলোৱে সুবিধা পাব। এই scheme তো launch হ'ব এপ্ৰিল মাহত। ২০০৫ চনত তৰুণ গগৈ ডাঙৰীয়াই ঘোষণা কৰিছিলে যে মই এনেকুৰা এটা Health Insurance scheme বনাম। he failed, today in 2017 আমি এই scheme তো কৰিলো। দুইকোটি মানুহৰ ঘৰে ঘৰে গৈ ফটো তুলোৱা Is it not a big thing we have done? য'ত আমি প্ৰশাংসা পাব লাগে, আমি অভিযোগ পাইছো। আজি অসমত প্ৰত্যেকজন মানুহৰ মানিবেগত Atal Amrit Yojana কাৰ্ডটো আছে। Is it not a big thing we have done in last one year. এতিয়া কালি মামুদ ইছলাম ডাঙৰীয়া আৰু এটা কথা কৈছিলে যে উত্তৰণ কত আছে, কাৰণ ২৫০ টকাৰ পৰা ৩০০ টকা কৰা হৈছে। donot take out one paragraph. উত্তৰণ কত হৈছে। আগতে বিধায়কে পাইছিলে ১ কোটি টকা, এতিয়া ২ কোটি টকা পালে, ৫০ লাখ টকা পালে সুহৃদ (suhrid) , ৫০ লাখ টকা পালে untied fund ত, ১০ কোটি টকা signature scheme ত, model village ত পালে ১০ কোটি টকা। গতিকে ১ কোটি টকাৰ পৰা ২২ কোটি টকা হ'ল। এইটো উত্তৰণ বুলি নকয় নেকি। আমি কাকো বাধা দিয়া নাছিলো টকা বঢ়াবৰ কাৰণে। আমাৰ যিমান সামৰ্থ আমি কৰি গৈছো। But this is not the final year. আজি আমি উত্তৰণ কত দেখা পাইছো। অধ্যক্ষ মহোদয়, মই গৌৰৱ কৰা নাই, আগৰ গোটেই বাজেট বিলাক পঢ়িব, অকল External Related Project, Central Government Project. আজি দিনদয়াল উপাধ্যায়ৰ কথা কলে আমাক গালি পাৰে। তৰুণ গগৈ ডাঙৰীয়াই ২০০৬ চনতে দিনদয়াল উপাধ্যায়ৰ নামত আঁচনি ঘোষণা কৰি থৈ গৈছিলে। তেতিয়াতো কোনেও প্ৰশ্ন কৰা নাছিলে, কোন দিনদয়াল বুলি। মই আমাৰ অসমৰ বুদ্ধিজীৱি সকলকো কম যে ২০০৬ বা ২০০৭ চনত তৰুণ গগৈ ডাঙৰীয়াই দিনদয়াল উপাধ্যায়ৰ নামত আঁচনি ঘোষণা কৰি থৈ গৈছিল। আৰু আজি যেতিয়া দিনদয়ালৰ কথা পাতিম তৰুণ গগৈ ডাঙৰীয়াই যে কোন দিনদয়াল মইতো নাজানো। অধ্যক্ষ মহোদয়, আৰু এটা কথা হ'ল আমি এটা প্ৰচেষ্টা কৰিছো যে কেন্দ্ৰীয় চৰকাৰৰ আঁচনি বিলাক আমি বাজেটত নকওঁ। আগতে কি আছিলে কেন্দ্ৰীয় চৰকাৰৰ আঁচনি বিলাক বাজেটত ঘোষণা কৰা হৈছিলে। কৰাৰ ফলত এনেকুৰা লাগে যে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই কাম কৰা নাই, মুখ্যমন্ত্ৰীয়ে কৰিছে। that is called hijeck policy. আমি হাইজেক কৰা নাই, যিখিনি মোডী ডাঙৰীয়াৰ পলিচি সেইখিনি মোডী ডাঙৰীয়াৰ নামত। এতিয়া আমি কৈছো যে Skill ত আমি ১৪,৮০০ দিম যিটো আমাৰ আঁচনি চলি আছে, প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা, একে আঁচনি কিন্তু তাৰ beneficiary number আমি ইয়াত অনা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমি নিজৰ বাজেটৰ পৰাও ২লাখ মানুহক শিকাম। ডেৰ লাখ Target তেওঁৰ ঠাইত আছে, সেইখিনি আমি চোৰা নাই। ইয়াতে আজি প্ৰধানমন্ত্ৰীৰ ফচল বীমা যোজনাৰ কথা আমি কিয় কোৱা নাই, কাৰণ এইটো মোডী ডাঙৰীয়াৰ Scheme। State Budget ত কোৱাৰ লগে লগে এইটো এনেকুৰা লাগিব যে This is a State Govt. Scheme. আমি ইয়াতে খুব Concern আৰু Care লৈছো। যে Central ৰ Scheme যাতে ইয়াত Mention নহয়। আমি Central ৰ Scheme খিনি সুকীয়াকৈ প্ৰচাৰ কৰিম। আমি ইয়াত কৈছো যে বিধান সভাৰ নিজৰ টকাৰ পৰা কি কি কৰিব পাৰো। সেই কাৰণে প্ৰথমবাৰৰ কাৰণে আমি বাজেটত, আপোনালোকে দেখিছে, যে এটাৰ পিছত এটাকৈ

আমি কামৰ কথা কৈছো। এতিয়া অধ্যক্ষ মহোদয়, এই কাম বিলাক কৰিব যাওঁতে These are difficult tasks. যেতিয়া আমি আজি কৈছো যে আমি প্ৰতিজন ব্যক্তিকে আঢ়ৈ শ টকাকৈ দিম, কোনোৱাই কম হৈছে, বেছি হৈছে, Central Govt. ২০০ টকা দিয়ে, আমি ৫০টকা বেছিকৈ দিছো। Atleast দিল্লী বা আন ৰাজ্যতকৈ আমি বেছিকৈ দিছো। আমাৰ ৩বছৰ চৰকাৰ আছে, এইটো বাঢ়ি বাঢ়ি ৫০০ টকা হব। আপোনালোকে এই বিলাক কথা কৈ নাথাকিব কাৰণ আমিও বঢ়াই থাকিম পিছত আমি ভোট বেছিকৈ পাই থাকিম। আমাক সেই বিলাক বুদ্ধি দিব নালাগে। অধ্যক্ষ মহোদয়, প্ৰথমবাৰৰ বাবে আমি Universalization ৰ কথা কৈছো বাজেটত। এতিয়া বিধায়ক সকলে চেষ্টা কৰিব লাগিব যে কেনেকৈ নিজৰ সমষ্টিত আমি সকলোকে এই আঁচনিটো দিব পাৰো। আজি আমি Model Village ৰ কথা কৈছো, এই বাজেটৰ পিছতে আমি Video Conferance কৰিম DC সকলক MLA সকলৰ লগত বহুৱাই যে কেনেকৈ গাওঁ বিলাক নিৰ্বাচন কৰিব লাগে। আমাৰ বিধায়ক সকলে জানে যে কেনেকৈ তিনিবাৰ মই DC সকল আৰু বিধায়ক সকলৰ লগত বহুৱাই Video Conferance কৰিছো, MLA Fund বোৰ হওঁক এইবিলাকটো অধ্যক্ষ মহোদয় কেতিয়াও হোৱা নাছিল। আগতে কেতিয়া কৰিব চেষ্টা কৰা হৈছিল, সকলোতকৈ ডাঙৰ কথা আজি আপোনালোকে পৰিবহন বিভাগ, ইয়াত বহুত কথা আলোচনা হল, তাত আপোনালোকে এটা কথা লক্ষ্য কৰা বহুত সদস্যৰ দেখা নগল , যিটো আমাৰ চৰকাৰৰ কাৰ্য্যসূচীৰ পৰিৱৰ্তন ধাৰাটো আপোনালোকে চাওঁক। আজি তৰুণ গগৈ ডাঙৰীয়া থাকিলে ভাল পালো হয়, অধ্যক্ষ মহোদয়, Tax Collection চাওঁক ২০১১/২০১২ অসমৰ Tax Collection আছিল , 26.52% Growth ২০১২/২০১৩ নামি আহিল গল. 2.08 যেতিয়া 26.52% পৰা Growth 2.08 আহে, It deserves a CBI enquiry কত লৈ গল 24% টকা Next বাৰত গুচি আহিলে, 9.10% অলপ উঠিলে আকৌ তাৰ পিছৰ বাৰ কমি আহি গল 1.39 % তাৰ পিছত কি হল Last Year 3.39% আৰু এইবাৰ কিমান Growth হৈছে, Transport Department is cruising on a growth of 22 %. কত 1% আৰু কত 22%. Excise Department is cruising on a growth of 18%. Overall it will be more than 17%, agints the last year of Congress 3.39%.

**শ্ৰী আমিনুল ইছলাম (মাননীয় সদস্য ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে মই কৈছিলো যে Revenue যোৱা বছৰ যিটো 25 thousand Crores gape হৈছিল, Revenue Collection and Revenue expenditure. Fiscal responsibility টো Maintain কৰিব লাগে। মানে Collection টো বঢ়াব লাগে।

**ড° হিমন্ত শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এজন মানুহৰ ওপৰত কৰ আৰোপ নকৰাকৈ যোৱা ২টা বাজেটত আমি এক টকাও নতুন কৰ মানুহৰ ওপৰত আৰোপ কৰা নাই। সেই কৰ নলগোৱাকৈ Transport Department ৰ growth আছিল, 2%, আজি চন্দ্ৰমোহন পাটোৱাৰীৰ নেতৃত্বত growth হল প্ৰায় 20%. Excise ত growth আছিল, 2% কিন্তু আজি পৰিমল শুক্লবৈদ্যৰ নেতৃত্বত এইটো growth হৈছে, 20%. Sale tax ত growth আছিল, 3/2%, আমি GST লগোৱাৰ আগতে 19% growth কৰিছিলো। After GST our growth is more than 14%. ৰাজ্যখনক স্বাবলম্বন কৰিবলৈ নিজৰ ভৰিৰ ওপৰত

থিয় হোৱাৰ ব্যৱস্থা আমি হাতত লৈছো। আজি data বিলাক মই বনাই অনা data নহয়। These are parts of goverment data. অধ্যক্ষ মহোদয়, মই আপোনাক আশ্বাস দিব বিচাৰিছো যে বহুত মানুহে প্ৰশ্ন কৰিছে যে বাজেটখন ৰূপায়ন কৰাৰ কাৰণে পুঁজি আছে নে নাই? I have calculated. কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা বছৰ মই পাম Devolution 26 thousand crores. মই খুব ধুনীয়াকৈ হিচাপ কৰিছো যে আমাৰ পইচাটো কৰ পৰা আহিব Central ৰ যি বিলাক Scheme আছে, CSS তাৰ পৰা আমি 17 thousand crores. আমাৰ নিজৰ tax যোৱাবাৰ আমি প্ৰথম বাৰৰ বাবে আমি Sales tax আমি ১০,হাজাৰ কোটি টকাৰ barrier আমি cross কৰিছো। আমি ভাৱো যে এই বছৰ আমাৰ নিজৰ revenue will be somewhare around 17 thousand crores. গতিকে আমি 3% GSDP market borrowing কৰিব পাৰো। এই গোটেই বিলাক চাই We will be very much comfortable, আমি যি 90 thousand Crores ৰ বাজেট দাখিল কৰিছো, এই গোটেইখিনি কৰিবৰ কাৰণে আমাৰ টকা পইচা থাকিব We will be in comfortable আৰু May be ২/৩ Supplimentaries পিছত total commitment to the Budget will increase it will not decrease. এতিয়া কিছুমান প্ৰশ্ন আহে আমি ভৰাতকৈ আমাৰ কম percentage কিয় খৰচ হয়, ইয়াৰ উত্তৰটো Simple। আজি আমাৰ অসম চৰকাৰৰ পদ আছে, 5 lacs, 5 lacs ৰ কাৰণে আমি দৰমহা ধৰি থৈ দিছো কিন্তু ৫০হাজাৰ মানুহে অৱসৰ পালে, তেওঁলোকৰ ঠাইত আমি নিযুক্তি দিব পৰা নাই গতিকে বাজেটত টকা থাকিলেও আমি এইখিনি খৰচ কৰিব নোৱাৰো। So it is important to Know যে কত টকাটো খৰচ হোৱা নাই। প্ৰধানকৈ যদি আপোনালোকে টকা খৰচ নহোৱা ঠাই দেখা পাই, তেতিয়া দেখিব Salary শিতানতে টকা বাচি যায়, বেলেগ শিতানত টকা বাচি নাযায়। বাকী বিলাকে প্ৰায় কাম কৰি পেলায়। সেই কাৰণে অধ্যক্ষ মহোদয়, আমাৰ গোটেই চিন্তা-ধাৰাটো হৈছে, যে অসমখনক নিজৰ ভৰিৰ ওপৰত থিয় কৰোৱা। সুতা-কম্বল আমাক লাগে কিন্তু মহিলা সকলক এনেকুৱা আমি কৰিব নোৱাৰো নেকি? যে Self Help Group ক যদি আমি ৫লাখ টকাকৈ দিব পাৰো, Ultimately কনকলতা মহিলা আঁচনিটো যদি ভালকৈ কৰিব পাৰো, এদিন কিজানি সুতা-কম্বল খিনি মহিলা সকলে নিজেই কিনি লব পৰা পৰিৱেশ হয়। সেই পৰিৱেশটো আমাক নালাগে নেকি? মই এই কথাটো কেতিয়াও নামানো যে সুতা-কম্বল আৰু আঠুৱা মহিলা সকলৰ কাৰণে কিনা হৈছিল। যদি মহিলা সকলৰ কাৰণে কিনা হৈছিল তেতিয়া হলে DBT কৰি দিলে হেতেন তাত Contractor কিয় সোমালে। So direct benificiary transfer কৰি দিব লাগিছিল। আজি আমি Sanitary nepkin দিম বুলি কৈছো, আমিটো Tender কৰিব পাৰিলো হেতেন। আমি কৈছো, Account ত টকাটো transfer কৰি দিম। So it is not economic এইটো ইমান Simple কথা নহয়। মইটো বহুত কথায়ে জানো কিন্তু মই নকওঁ। সুতা-কম্বল আঠুৱা মহিলাৰ কাৰণে নহয় অধ্যক্ষ মহোদয়, These are supply driven schemes. মই Theoriticl prespective টো দিছো। তিতাবৰৰ মানুহক সুতা-কম্বল লাগে। মইওটো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথামতে চলিব লাগিব। আজি এই বাজেটখন মই বনাইছো নেকি? 90% মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা অনুমতি লব লাগিব। নিজেটো কোনো কাম কৰিব নোৱাৰি। এটা কথা স্পষ্ট যে তিতাবৰৰ মহিলাখিনিৰ কাৰণে এনেকুৱা কৰিব পাৰো নেকি অহা বাজেটত যে Account ত আমি ১হাজাৰ টকা transfer কৰি দিম, তেওঁলোকে বিচৰা সুতাখিনি নিজে কিনি

আনক। সুতা দিয়াত আমাৰ আপত্তি নাই কিন্তু মোৰ কথাটো হল যে This should not be supplied driven. এই কথাখিনি মই আজি কিয় কব লগা হল Because High Court has raised this question. যোৰাবাৰৰ সুতা আঠুৰাৰ যিটো সমস্যা হৈ আছে যে আজিলৈকে আমি Payment কৰিব পৰা নাই। Repated litigation হৈ আছে, Violation হৈছে। কোনাৰাই শিলচৰ Zone ত tender দিছে, তেওঁক নগাওঁ Zone ত কাম দিছে । There are lots of things অধ্যক্ষ মহোদয়, যিমান ধুনীয়াকৈ কোৰা যায়, যে সুতা কম্বল আমি মহিলাৰ কাৰণে দিছো, সেইটো নহয়। অহা বছৰ বাজেটত আমি Sale State tax revenue আমাৰ Total growth হব 19.25% তাৰ মানে আমি 17, 4, 52 crores আমি State tax পৰা পাম। Non tax পৰা including oil royalty আমি ৮হাজাৰ কোটি পাম। Share of Central taxes আমাৰ ২৬হাজাৰ কোটি টকা আহিব, Centrally sponsored ৰ পৰা আমাৰ ১৭, ৪,৭৩কোটি টকা আহিব। Finance Commission ৰ পৰা ৩, ৩,১৩কোটি টকা আহিব। এই গোটেইখিনি চালে আমাৰ ৯০হাজাৰ কোটি টকা Comfortably পাম আৰু আমি কামখিনি কৰিব পাৰিম। অধ্যক্ষ মহোদয়, মই বহুত দীঘলীয়া কৰিব বিচৰা নাই, মই ২/৩ টা কথা কৈয়ে সামৰণি মাৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ ১০মিনিট আছে।

**ড° হিমন্ত শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১০মিনিট নালাগে মোক। This Budget মই আকৌ কৈছো, I started with a Sanskrit Sloke. কনোৰাই কব পাৰে, Sloke গায় বহুত কিবা কিবি কয় “শুভম কৰোটি কল্যানম্ আৰোগ্যম্ ধন সম্পদা সু -বুদ্ধি বিনাশায়ক দীপজ্যোতি নমস্তুতে” এই বিধান সভাখনক মই এটা আলোকৰ বন্তিৰ লগত তুলনা কৰি এই পৱিত্ৰ বাজেটখন মই সদনত উত্থাপন কৰিছিলো। দীপমজ্যোতি নমস্তুতে মানে ১২৬ জন বিধায়কক মই এটা আলোকৰ লগত তুলনা কৰি আপোনালোকৰ কাৰণে এই বাজেটখন মই ইয়াতে প্ৰস্তুত কৰিছিলো।

.আপোনালোকৰ কাৰণে এই বাজেটখন মই ইয়াতে প্ৰস্তুত কৰিছিলো। অধ্যক্ষ মহোদয়, ইয়াত কোনো ৰাজনীতি কৰাৰ চক্ৰান্ত নাই। অসমৰ বৃদ্ধ সকলক ২৫০.০০ টকা দিম বুলি কৈ নিদিয়াৰ ধৃষ্টতা মোৰ থাকিব পাৰে নেকি। অধ্যক্ষ মহোদয়, সংখ্যালঘু ছাত্ৰী সকলক পঢ়াব খুজিছো, দিম বুলি কৈ নিদিয়াৰ ধৃষ্টতা মোৰ থাকিব পাৰে নেকি, দিব্যাংগ সকলক ১২ হাজাৰ টকা দিম বুলি কৈছো, দিম বুলি কৈ নিদিয়াৰ ধৃষ্টতা মোৰ থাকিব পাৰে নেকি। অধ্যক্ষ মহোদয়, this is about team Assam. আজি বিত্ত মন্ত্ৰীয়ে কি কৰিছে, ইয়াত বিত্ত মন্ত্ৰী Finance বিভাগৰ কেইটামানেই Paragraph আছে। বাকী Paragraph মোৰ colleague ৰ তাত আছে, colleague সকলে দায়িত্ব লব লাগিব। colleague সকলে কেনেকৈ দায়িত্ব লব, যদি বিধায়ক সকলে সহায় নকৰে। বিধায়ক সকলে সহায় কৰিব লাগিব, বিধায়ক সকলে সহায় কৰাৰ পিছতো আঁচনিখিনি তলত কোনে আনিব লাগিব আমাৰ জিলা উপায়ুক্ত, আমাৰ মুখ্যসচিব, আমাৰ বিষয়া সকলে কৰিব লাগিব। অধ্যক্ষ মহোদয়, It is not about politics, আমি অন্তৰৰ সৈতে কৰিব বিচাৰো যে অসমৰ সংখ্যালঘু ছাত্ৰী সকলে পঢ়ক। অধ্যক্ষ মহোদয়, আমি বিচাৰো যে অসমৰ প্ৰতিজন বৃদ্ধই কিবা এটা পাওঁক, অসমৰ চাহ বাগিচাৰ শ্ৰমিক সকলে কিবা এটা চৰকাৰ খনৰ পৰা পাওক, They should feel inclusive. আজি কিবা এটা পাওক । আজি আমি বিচাৰো দিব্যাংগ জনে

আমাৰ পৰা কিবা এটা পাওঁক। আমি বিচাৰো খেতিয়ক সকলে কিবা এটা পাওঁক। অধ্যক্ষ মহোদয়, এইখিনি কাম, ইয়াৰ ফাইল ক'তো নৰখে, কিন্তু আমাৰ বিষয়া সকলে, আমাৰ বিধায়ক সকলে একগ্ৰতাৰে কাম কৰিব লাগিব। It is not about Finance Minister, it is about this House. আমি কালিৰ পৰা গৈ ধৰিব লাগিব, যে এই বাজেটত এইখিনি কথা আছে, গতিকে বিষয়া সকলক আমি কব লাগিব যে আপোনালোকে কামখিনি আমাক কৰি দিয়ক। Because it is your property, এই বাজেট খন সদনে pass কৰিব, it is a property of this House, it is not property of Finance Minister. এই ধৰণৰ মহৎ আকাংক্ষা এটা আমি লব খুজিছো, আমি Team Assam ত অধ্যক্ষ মহোদয় বিৰোধী আমি কৰিব খোজা নাই। আমি আজি বহুত ধৰণৰ আঁচনি Announce কৰিব পাৰিলোহেতেন। আমি কব পাৰিলোহেতেন যে অসমত ৫০০ আদৰ্শ গাওঁ কৰিম, জালুকবাৰীত ৪ খন, মাজুলীত ৮ খন, we could have done that manner. কোনেও প্ৰশ্ন কৰিব নোৱাৰিলেহেতেন। আজি সন্মুখত বহি থকা বহুত ব্যক্তি নাই, তেওঁলোকে কেনেকৈ কামটো হাতৰ পাকতে কৰি দিছিলে আমি বুজি পাওঁ। Untied Fund বা বহুত ক্ষেত্ৰত কেনেকৈ কৰি দিছিলে, but we are so আমি এই House খনৰ ওপৰত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ এটা শব্দ মোৰ মনত আজিলৈকে ক্ৰিয়া কৰি আছে, মই ভগবানক খাতিৰ কৰো, সেৱা কৰো যে অহা ৩ বছৰ যাতে মোৰ মনত ক্ৰিয়া কৰি থাকে যে 'আমি ভয় ভক্তিৰে চৰকাৰ চলাব খোজো'। অধ্যক্ষ মহোদয়, আজি transparently কৈছো যে প্ৰত্যেক বিধায়কে ২ খন, ২ খন, গাওঁ লওঁক। ইয়াত কাৰ্চাজি কৰাটো একেবাৰে সহজ আছিল, মই কব পাৰিলোহেতেন we will select 500 village, we will select 300 village, 300 village বুলি কৈ মই জালুকবাৰীত ৮ খন লৈ যাব পাৰিলোহেতেন। মাজুলীত কলোহেতেন মুখ্যমন্ত্ৰী ডাঙৰীয়া আপুনি ১৬ খন লওঁক, মোক ৮ খন দিয়ক। লেথাটো শেষ। আৰু আমাৰ ৰুলিং পাৰ্টিৰ বিধায়কক ৩ খন আৰু বিৰোধীক ১ খন কৰি অংকটো সহজ হৈ গ'লহেতেন। কিন্তু আজি দক্ষিন শালমাৰাত সংখ্যালঘু লোক থাকে, দক্ষিন শালমাৰাৰ বিকাশ হওঁক, আমাৰ কোনো তাত এই 'সব কা সাথ সব কা বিকাশ' আজি সকলো সমষ্টিত ২ খনকৈ দি দিছো তাৰ পিছত আমাক আক্ৰমণ কৰাৰ কথাটো ক'ত থাকিব। আজি Signature Schemes এই যি ধৰণে অসম বিধান সভাত, ফনীভূষণ চৌধুৰী ডাঙৰীয়া তেখেত বহুত জেষ্ঠ, বহুত দিনৰ পৰা আছে। মই তেখেতৰ পৰা জানিব খুজিম যে কেতিয়াবা এনেকৈ ১২৬ টা সমষ্টিৰ নাম লৈ কেতিয়াবা এনেকৈ আঁচনি দিয়াৰ ইতিহাস ইয়াত আছে নেকি ? যে ইমানখিনি Transparent কৰাৰ পিছত কোনোবাই যদি আমাক সমালোচনা কৰে, তেতিয়া মনত দুখ লাগে, যে ইয়াত এইখন বাজেটত এনেকুৱা শব্দই নাই যে য'ত আমি সমালোচনা খাব লাগে, গালি খাব লাগে। মহিলা কলেজ দিছো, জলেশ্বৰত দিয়াৰ মোৰ কি প্ৰয়োজন, তাতটো বিৰোধীৰ বিধায়ক আছে, চেঙাত দিয়াৰ কি প্ৰয়োজন তাতটো বিৰোধীৰ বিধায়ক আছে, হাইলাকাণ্ডিত দিয়াৰ কি প্ৰয়োজন।

**শ্ৰীআব্দুল খালেক ঃ** Minority থকা সমষ্টিত।

**মাননীয় অধ্যক্ষ ঃ** খালেক ডাঙৰীয়া please debate নানিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** খালেক ডাঙৰীয়া, আপোনাৰ প্ৰতি মোৰ এটা বেলেগ অনুভৱ আছে, এইটো তলত নানিব। অধ্যক্ষ মহোদয়, আজি যি উদাৰ ধৰণে মোক যদি কেতিয়াবা, আজি মই এটা দলত আছো, যিটো দলত মোক প্ৰশ্ন নকৰে, যে তুমি এইটো কিয় কৰিছা। কাৰণ তেওঁলোকে জানে যে এওঁলোকে ৰাজ্যখনৰ কাৰণে কৰিছে। অধ্যক্ষ মহোদয়, সোনাইত আমি কলেজ দিছো

আমাৰ বিধায়ক আছে, চেঙাত আমাৰ বিধায়ক নাই। আমাৰ বিধায়ক আজি হাইলাকাণ্ডিত নাই, আমাৰ বিধায়ক কৰিমগঞ্জত নাই, আমাৰ বিধায়ক জলেশ্বৰত নাই, ৯ খন কলেজৰ ৪ খনে আমি বিৰোধী থকা ঠাইত দি দিছো। উদাহৰণ আগত ক'ত আছে অধ্যক্ষ মহোদয়, মোক এখন ঠাই দেখুৱাওক কংগ্ৰেছ চৰকাৰৰ দিনত বিহালী সমষ্টিত কিবা আঁচনি দিছে, বঙাইগাৱত কিবা আঁচনি দিছে? ইয়াতকৈ 'সব কা সাথ সব কা বিকাশ' ।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** আমি আপত্তি কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** please ওৱাজেদ ডাঙৰীয়া। মই যদিও ইয়াত কব নাপায় মোৰ suggestion হব, আপোনালোকে পৰৱৰ্তী এই বিলাক কথা নকব that is the suggestion.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কোনেও এইটো কথা চিন্তা কৰা নাই, কৈছে যে এই চৰকাৰে বাজেটত যি দিয়ে একো নকৰে। অধ্যক্ষ মহোদয়, যোৱা বাৰ ১০০০ ছাত্ৰীক স্কুটি দিম বুলি কৈছিলো, আমি কি দিয়া নাই নেকি? এই বাৰ কৈছো ৫০০০ ছাত্ৰীক দিম, আমি কি নিদিম নেকি? আমি কি আমাৰ ছোৱালী সকলক ঠগাবৰ কাৰণে ইয়াৰ বাজেটতত কৈছো নেকি? we are commutated, কয় যে বাজেটৰ কথা ৰূপায়ণ হোৱা নাই, মোৰটো হাহাকাৰ লাগি যায় যে কোনটো ৰূপায়ণ হোৱা নাই, যেতিয়া এই শব্দ বিলাক কয়। ৰাতি মোৰ টেনচন হৈ যায় যে কোনটো হোৱা নাই। মই সাংবাদিক সকলকো কওঁ যে নাম এটা কওঁক না, কোনটো হোৱা নাই। নাম কতো নাই। হয় কব পাৰে কিছুমান যে কনকলতাটো হোৱা নাই, যোৱাকালিলৈকে হোৱা নাছিল, আজি হৈ গ'ল। so it takes time, inclusion ত থাকোতে টো সময় লাগে, সন্তান জন্ম দিওঁতেও টো দহ মাহ দহ দিন গৰ্ভত থাকিব লাগে। এতিয়া কংগ্ৰেছে যদি কয় এ টি এম হব লাগে, তাতে গলো এ টি এম ৰ টকা ওলাই আহিব লাগে, সেইটোও টো নহব, চৰকাৰ এটা প্ৰচেষ্টাৰ মাজত চলিব, সেই কাৰণে অধ্যক্ষ মহোদয়, মোৰ অনুৰোধ হব এইটো যে এই বাজেটত যিখিনি আঁচনি দিছো, ৰূপায়ণ কৰিব পৰা সক্ষমতাটো আৰ্থিক দিশত আমাৰ আছে, কিন্তু ইয়াত complication ও আছে। মই complication খিনি কব খুজিছো। যেনে আমি কৈছো যে Minority ছোৱালী সকলক আমি scholarship দিম। প্ৰত্যেকজনী ছোৱালীৰতাত From যাব লাগিব, বেঙ্ক একাউন্ট হব লাগিব, বেঙ্ক একাউন্ট আনিব লাগিব, আনি ডি বি টি কৰিব লাগিব। এতিয়া যদি আপোনালোকে মোক ৮ মাহ পিছত এই প্ৰশ্নটো সোধে যে এই আঁচনিটো হ'ল নে, মই কব নোৱাৰো, at least এই আঁচনিটো ফিল্ডট আনোতে it will take 12 month. কিয় প্ৰত্যেক জনৰ তাতে এন এচ ডি পি ৰ scholarship দিওঁতে তৰুণ গগৈ ডাঙৰীয়াৰ দিনত চৰকাৰ they took 3 years of time, lending কৰিবই পৰা নাছিল। বাৰে বাৰে Minority FSRS ৰ মন্ত্ৰী আহে, অসমত হোৱা নাই, অসমত হোৱা নাই, সব ঠাইত গৈ একাউন্ট নম্বৰ লৈ আনিব লাগিব। আজি ছোৱালীক Sanitary napkin দিয়াৰ কথা, কালি-পৰহি মই জানো ৬ মাহ পিছতে প্ৰশ্ন সুধিব, এইটো দিলে নে? it takes time. কাৰণ অসমৰ প্ৰত্যেক খন স্কুলৰ ছোৱালীৰ প্ৰথমতে মই এটা বেঙ্ক একাউন্ট খোলাব লাগিব। বেঙ্ক একাউন্টৰ নম্বৰ আনিব লাগিব, আনি টকাটো ডি বি টি কৰিব লাগিব। it take times. কিন্তু অধ্যক্ষ মহোদয়, মই বিশ্বাস কৰো যে আমাৰ চৰকাৰৰ যি আগন্তুক ৩ বছৰ সময় আছে, প্ৰায় ৩ বছৰ ৬ মাহ সময় আছে তাৰ ভিতৰতে ২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯ এই তিনি বছৰৰ বাজেটত কোৱা কথাবিলাক আমি সকলো কৰিম। আৰু আমাৰ strategy হৈছে যে ২০১৯-২০, ২০২০-২১ ত আমি বাজেটত কম কথা কম। আমি সেই বাজেটত কেৱল আমি consolidation, একত্ৰীকৰণ আৰু সম্প্ৰসাৰণৰ

কথা কম। নতুন আঁচনি প্ৰত্যেক বছৰে ঘোষণা কৰিব লাগে বুলি কথা নাই। যিখিনি announce কৰিছো সেইখিনি আমি lend কৰাব লাগিব। আমি এইটো বিশ্বাস জন্মাব বিচাৰিছো এই পবিত্ৰ সদনৰ জৰিয়তে যে সাধৰণতে বহুত বেছি অভিজ্ঞতা আছে মোৰ, মই দুয়োটা দলতে থাকিলো। কিন্তু কেইটামান কথা যে এনেকুৱা চৰকাৰো নাছিলে ২০১৬ চনত আমাৰ, ২০১৫ চনত আমাৰ Tax Collection 3% লৈ নামি যাব, মই এই হাউচত সেইখিনিৰ পৰা কৈছিলো যে মুখ্যমন্ত্ৰী ডাঙৰীয়া Tax Collection বেয়াকৈ কমিছে, তেতিয়া মোক কলে যে হে তুমি কি জানা হে? কি কব, মই নাজানো যাতে নাজানো। এতিয়াটো আপুনি জানা বুলিটো কব নোৱাৰে। But these are very alarming figure. আজি সৰ্বানন্দ সোনোৱাল মন্ত্ৰী সভাৰ দিনত 3% পৰা এটা বছৰতে grow up to 17%, it is not a matter of joke অধ্যক্ষ মহোদয়। এইটো বহুত ডাঙৰ প্ৰাপ্তি। বহুত ডাঙৰ সফলতা। তাৰ মানে 15% মানে it was about 8000 crores. অধ্যক্ষ মহোদয়, ২০০৫ চনতো মই বিত্তমন্ত্ৰী আছিলো। তেতিয়া ১৯ শতাংশ Tax collection হৈছিল। কৰবাত একাগ্ৰতা বা Sincerety ক allow কৰা হৈছিলে তেতিয়া Tax collection ও বাঢ়িছিলে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি Figure কেইটা দি দিব। তেখেত সকলে নিজে বুজি লব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই দুটা কথাৰে সামৰিব খুজিছো যে বিৰোধীয়েও বিচাৰে যে অসমখন ভাল হওঁক।

**মাননীয় অধ্যক্ষ ঃ** মই সদনৰ সময় ৫ মিনিট বঢ়াই দিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, বিৰোধী আৰু আমি সকলোৱে জানো অসমখনৰ যাতে ভাল হওঁক। একাগ্ৰতাৰে সৈতে আপোনালোকক অনুৰোধ কৰিম যে আপোনালোকে বিধানসভাত Scheme বিলাকৰ ওপৰত প্ৰশ্ন কৰা আৰম্ভ কৰক। কোনটো Scheme কিয় implement হোৱা নাই।You have to held us accountable. বিৰোধীৰ ভূমিকাই এইটো।Don't go by hit & run policy.Held us accountable because you are Members of team Assam. আমি আপোনালোকক distinguish নকৰো। আপোনালোকে আমাক specific প্ৰশ্ন আনক, কোনটো আচঁনি কিমান আগবাঢ়িছে সদনক জনাব লাগে। মন্ত্ৰী সকলে উত্তৰ দিব যাওঁতে অফিচাৰ সকলৰ লগত atleast চৰ্চা হ'ব। তেতিয়া আমি গম পাম কোনটো কাম হোৱা নাই। That will make us uncountable. আমি মহিলা কলেজৰ কথা ঘোষণা কৰিলো। অহাবাৰ বাজেটত আপোনালোকে আমাক প্ৰশ্ন কৰক যে মহিলা কলেজৰ কাম কিমান আগবাঢ়িছে। প্ৰতিটো ক্ষেত্ৰতে যেতিয়া আপোনালোকে আমাক প্ৰশ্ন কৰিব আমি অন্তত: অফিচাৰ সকলক ধৰিব পাৰিম কামবোৰ কৰিবৰ কাৰণে। That is called Team Assam .Make us accountable,held us accountable.We are ready. ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই আমাক প্ৰশ্ন কৰক যে চাহ বাগিছাৰ লাইনৰ কেইটা ৰাস্তা পকী হোৱা নাই। উত্তৰ দিম। এইবাৰতো মই নিজে নিজেই উত্তৰ দি আছো। যোৱাবাৰ মোৰ মনত আছে বিৰোধী দলপতি ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিল যে, ১০০০ timber bridge দিছিলে, ইমান কম টকাত হ'ব জানো।সেইকাৰণে এইবাৰ বাজেটত মই লিখি দিছো যে, ২০৪ খন আমি Sanction দিছো। মই পৰিমল শুক্লবৈদ্য ডাঙৰীয়াক কৈছো যে we will sanction 400 new bridge. আপোনালোকে প্ৰশ্ন কৰিলে এই কামবোৰ আৰু খৰতকীয়া হ'ব। মই আপোনালোকৰ সদিচ্ছাক সন্মান জনাওঁ, সেই দৃষ্টিৰে আমি আগবাঢ়ো। মই সৰু দুটা ঘোষণাৰে

সামৰণি মাৰিম। বড়োলেণ্ড আন্দোলনৰ স্বহীদ সকলক আমি ৫ লাখ টকাকৈ দিছিলো। নোমল মমিন ডাঙৰীয়াই এটা খুব ভাল কথা কৈছে যে কাৰ্বি আংলংক Autonomus State Demand কৰিবলৈ যাওঁতে যিসকল ব্যক্তি মৃত্যু বৰণ কৰিলে , তেওঁলোককো আমি দিব লাগে। মই আপোনাৰ পৰামৰ্শ মানি লৈছো আৰু বাকী যিসকলে বৰাক উপত্যকা বা বড়োলেণ্ডত অখণ্ড আন্দোলনত মৃত্যুবৰণ কৰিলে তেওঁলোকৰ কাৰণেও যদি কিবা লাগে সেই কথা আপোনালোকে Speech আনিব লাগিব। অধ্যক্ষ মহোদয়, আমাৰ সদনৰ এইটো নিয়ম যে Speechত এইবোৰ কথা raise হ'ব লাগিব। নোমল মমিন ডাঙৰীয়াৰ যিটো পৰামৰ্শ সেইটো difinitely আমি next budget ত incorporate কৰিম। ৰাজেদ আলী চৌধুৰী ডাঙৰীয়াই তেখেতৰ Bridge খনৰ কথা কৈছে।We will consider that. যদি Signature Scheme ত ১০ কোটিত Bridge খন নহয়, আৰু যদি ৫ কোটি বঢ়াই দিব লাগে আমি কৰি দিম আৰু অধ্যক্ষ ডাঙৰীয়া During Budget Speech ত মোক পৰামৰ্শ দিছে মই সকলোকে উত্তৰ দিব পৰা নাই। যিমানখিনি পৰামৰ্শ আপোনালোকে দিছে , সেই গোটেইবোৰ আমি স্বীকাৰ ক ৰিম আৰু সেই পৰামৰ্শবোৰ ৰূপায়ণৰ কাৰণে আমি চেষ্টা কৰিম। অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ আৰু কৃতজ্ঞতা জনাম কাৰণ এইবাৰ বাজেটত বহুত নতুন ঘোষণা কৰিব পাৰিছো। তেখেতৰ সাহস নহলে মই ঘোষণাবোৰ কৰিব নোৱাৰিলোহেঁতেন। গুনোৎসৱৰ ওপৰতো মই দুটা কথা ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, ১৫ বছৰে দেশখন কেনেকে চলিছিল? ১৩৫৬৪ খন স্কুলত ক্লাছ ৰুম নাছিলে। Its not a small number.১০৪৭২ খন স্কুলত Partition নাছিলে, ৩৭৫৬০ স্কুলত বিদ্যুৎ নাছিলে। এই data খিনি পোৱাৰ পিছত মই নাজানো যে তৰুণ গগৈ ডাঙৰীয়াই কিটো নৈতিকতাৰে তেওঁৰ ১৫ বছৰীয়া শাসন কালৰ কথা ইয়াত ক'ব খোজে? মই আজি ভগৱানক ধন্যবাদ জনাওঁ যে,আজি আমাক এনেকুৱা এটা সুযোগ দিলে যে এই বছৰ আমি একেলগে ৯৮০ কোটি দি একেলগে এই সমস্যাবোৰ সমাধান কৰিলে। This is not a small achievement. আমি Basic খিনি ঠিক কৰিব খুজিছো। ভগৱানে যদি আমাক শক্তি দিয়ে, অনাগত দিনবিলাকত আমি আৰু বেছি কৰিব পাৰিম। এনেকুৱা এটা আশা কৰিম। হাউচৰ প্ৰতিগৰাকী সদস্যক মই ধন্যবাদ জনাইছো আৰু আপোনালোকৰ পৰামৰ্শবিলাক সঠিকভাৱে বিবেচনা কৰাৰ আশ্বাস দি মই মোৰ উত্তৰ ইমানতে সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৫। ইয়াত The Bodoland University Ammendment Bill খন মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Bodoland University Ammendment Bill 2018, খন মই সদনত উপস্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**শ্ৰী মনেশ্বৰ ব্ৰহ্ম ঃ** অধ্যক্ষ মহোদয়, ইয়াত এটা কথা মই উপস্থাপন কৰিব বিচাৰিছে ।The Bodoland Universityৰ যিটো Executive Council, সেই Executive Councilৰ এটা resolution লোৱা আছিল। এই resolution copy খনত আমাৰ সেই সময়ৰ শিক্ষা মন্ত্ৰী sign কৰা নাছিল। এটা resolution লোৱা আছিল আৰু এই resolution copy টোত সেই সময়ৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই চহী কৰিছিল। তাত কোৱা হৈছিল যে, " The Executive Council of Bodoland University adopted a resolution in the meeting of 29th July, 2015 vide Resolution No.15 (II), that two representative duly nominated by the Bodoland Territorial Council,

Assam is to be included in the Executive Council of Bodoland University".

**মাননীয় অধ্যক্ষঃ** এইটো চৰকাৰে আনিছে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, মই কথাটো বুজি পাইছো। আচলতে, BTC ৰ ফালৰ পৰা বিচাৰিছিল যে, BTC ৰ Executive Member য়ে Bodoland University ৰো Executive Member হ'ব লাগে। এই বিষয়টো আমি পৰীক্ষা কৰি চাইছিলো। অসমৰ শিক্ষা মন্ত্ৰী Gauhati University ৰ Executive Council ত Member হ'ব নোৱাৰে বা Dibrugarh University ৰ Executive Council ত Member হ'ব নোৱাৰে । কাৰণ গোটেই structure টোত এটা Non-Political system মানিব লাগে। অকল বিধান সভাৰ পৰাহে বিধায়ক যাব পাৰে। আমাৰ ওচৰত যেতিয়া এই প্ৰস্তাৱটো আহিছিল, তেতিয়া আমাক সকলোৱে কৈছিল যে আপোনালোকে Executive Member দিব নোৱাৰে কাৰণ এইটো precedent ক'তো নাই আৰু Bodoland University খন বৰ্তমান UGC 12(B) পোৱাৰ অৱস্থাত আছে। সেই মূহুৰ্তত আইন খনত যদি আমি কিবা বিসংগতিৰ কথা আনো আৰু UGC য়ে যদি সেইটো exceptionally লয় তেতিয়া University খনৰ হয়তো ক্ষতি হ'ব পাৰে। সেইকাৰণে তাৰ মাজতে আমি compromise হিচাপে Bodoland Territorial Council ৰ Principal Secretary আৰু Director, Education যি দুজন মানুহ BTC ৰ Chief ৰ under ত directly কাম কৰে, তেওঁলোকক আমি by designation, Executive Council ত Member কৰি দিছো। কিন্তু আমি Executive Member সকল দিব নোৱাৰো কাৰণ কোনো Agriculture University ত Agriculture মন্ত্ৰী নাই বা আমাৰ কোনো University তে শিক্ষা মন্ত্ৰী নাথাকে। গতিকে, মই ভাবো আপোনালোকে কথাখিনি বুজিব and it is in the best interest of the Bodoland University.

**মাননীয় অধ্যক্ষঃ-** Thank You. বিধেয়ক খন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছে নে ?

(সদনে সন্মতি জনায়)।

এতিয়া মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, ইত্যাদি ঃ-** মাননীয় অধ্যক্ষ মহোদয়, "The Bodoland University (Amendment) Bill, 2018" বিধেয়ক খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ-** এতিয়া মই অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়ক খনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ কৰিলো।

**প্ৰধান সচিব, অসম বিধান সভা ঃ-** বিধেয়ক খনৰ শিৰোনামা, "The Bodoland University (Amendment) Bill, 2018".

**মাননীয় অধ্যক্ষঃ-** এইখিনিতে, মই এটা কথা ক 'ব বিচাৰিছো যে দহ দিনৰ বাবে আমাৰ Departmentally Related Standing Committee ৰ meeting বহিব। গতিকে, মই সকলো সদস্যকে Departmentally Related Standing Committee ৰ meeting ত বহিবলৈ অনুৰোধ কৰিছো। আমাৰ সদন আকৌ ২৬ মাৰ্চ তাৰিখে আৰম্ভ হ'ব। কিন্তু মই

সকলো সদস্যৰ জ্ঞাতাৰ্থে ক'ব বিচাৰিছো যে ২৬ তাৰিখৰ দিনা হয়তো ইয়াত উপস্থিত হ'ব নোৱাৰিবও পাৰো, as I have to represent India in the Commonwealth Parliamentary Association Executive Committee Mid-Year Meetings. সেইবাবে মই আপোনালোকক আজিয়েই কথা খিনি ক'লো। মই তথাপি উপস্থিত হ'বলৈ চেষ্টা কৰিম।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি**- অধ্যক্ষ মহোদয়, সদন শেষ হোৱাৰ আগতে মই দুটা কথা ক'ব বিচাৰিছো। প্ৰথম কথাটো হ'ল যে, যোৱা কালি কংগ্ৰেছৰ এজন সদস্যই কৈছিল যে কোনোবা এজন মানুহ পুলিচৰ গুলীত নিহত হৈছিল কিন্তু তেওঁ Ex-gratia পোৱা নাই । এই কথাটো মই লগে লগে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক জনালো আৰু তেওঁ মানুহজনক Ex-gratia দিয়াৰ কথা কৈছে। গতিকে, এই কথাটো মই আজি সদনত জনাই দিলো। দ্বিতীয় কথাটো হ'ল যে, আপুনি আমাৰ অধ্যক্ষ হিচাপে যে ভাৰতবৰ্ষক represent কৰিব তাৰ বাবে আপোনাক শুভেচ্ছা জনাইছো।

**মাননীয় অধ্যক্ষঃ**- ধন্যবাদ।

**সদন অহা ২৬ তাৰিখ পৰ্যন্ত পুৱা ৯.৩০ বজালৈ স্থগিত ৰাখিছো ।**